RNI Regd. No. ASSASS/2015/61266
No.- RNP/GH-151/2024-26

সাপ্তাহিক

দেশ আৰু জনতাৰ সেৱাত গৌৰৱোজ্জ্বল ১২তম বৰ্ষ

# আধুনিক অসম

Adhunik Asom

▫ Email : adhunikasom@gmail.com ▫ Web : www.adhunikasom.in
An Assamese Weekly :: Edition- Guwahati

দ্বাদশ বছৰ, সংখ্যা ৩৩ ▯ গুৱাহাটী, মঙলবাৰ, ২৫ চ'ত, ১৯৪৬ শক ▯ ৮ এপ্ৰিল, ২০২৫ ▯ Tuesday, 8 April, 2025 ▯ Vol. XII, No.33 ▯ মূল্য ঃ ৭.০০ টকা

## বিশ্বনাথত সঁৰিয়হ ক্ৰয় কেন্দ্ৰত সঁৰিয়হ ক্ৰয়ৰ শুভাৰম্ভণি কৰিলে মন্ত্ৰী কৌশিক ৰায়ে

**প্ৰতিবেদক, গহপুৰ**

অসম চৰকাৰৰ "সঁৰিয়হ ক্ৰয় আঁচনি"ৰ অধীনত বিশ্বনাথ কৃষি চক্ৰৰ অন্তৰ্গত ফলফলিস্থিত সৰিয়হ ক্ৰয় কেন্দ্ৰএটি মুকলি কৰাৰ লগতে সৰিয়হ ক্ৰয় আনুষ্ঠানিকভাৱে মুকলি কৰে খাদ্য ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী কৌশিক ৰয়ে। অনুষ্ঠানত মন্ত্ৰী গৰাকীয়ে উপস্থিত কৃষক সকলক অসম চৰকাৰৰ উৎপাদিত সৰিয়হ চৰকাৰৰ ন্যূনতম সমৰ্থিত মূল্যত বিক্ৰী কৰিবলৈ আহ্বান জনায়। ইয়াৰ উপৰি কেন্দ্ৰটো পৰিদৰ্শন কৰি অভিলাষী আঁচনি খনৰ প্ৰসংগত মতবিনিময় কৰি কৃষক সকলক উৎসাহিত কৰে। উল্লেযোগ্য যে, কৃষকক অৰ্থনৈতিক ভাৱে টনকিয়াল কৰিবলৈ ধান আৰু সৰিয়হৰ বাবে ন্যূনতম সমৰ্থন মূল্যৰ উপৰি অতিৰিক্ত সমৰ্থন মূল্য ( টপ আপ) ৰূপায়ণৰ অনুমোদন কৰি ধানৰ প্ৰতি কুইন্টলত ২৫০ টকাকৈ অতিৰিক্ত সমৰ্থন মূল্যত মুঠ ন্যূনতম মূল্য ২,৫৫০ টকাত ধান আৰু সৰিয়হৰ প্ৰতি □ □ ৬ পৃষ্ঠাত

## অতিকে উদ্বেগৰ কথা ঃ বাতৰি কাকত পঢ়ুৱৈৰ সংখ্যা ভয়ংকৰভাৱে নিম্নগামী যোৰহাটত

**দ্বিপেন কাকতি, বিশিষ্ট সাহিত্যিক**

যোৰহাটক শিক্ষা- দীক্ষা, সাংস্কৃতিক দিশত অসমৰ ভিতৰতে সকলোতকৈ আগবঢ়া বুলি কোৱা হয়। যোৰহাট চহৰখনত প্ৰাপ্ত বয়স্ক লোকৰ সংখ্যা প্ৰায় ১ লাখ ২০ হাজাৰ; কিন্তু বাতৰি কাকত কিনি পঢ়া লোকৰ সংখ্যা ৮ হাজাৰৰো কম। নগৰখনৰ মুখ্য বাতৰি কাকত পৰিৱেশক নিৰোদ চাংকাকতিৰ মতে, এই অধ:পতন আৰম্ভ হয় জিঅ' মোবাইল সেৱা বজাৰলৈ অহাৰ কিছুদিন পাছৰ পৰা। মোবাইল ফোনতে সকলো বা-বাতৰি সহজলভ্য হোৱাৰ সুবাদত পাঠকসকলে লাহে লাহে পইচা খৰচ কৰিবলৈ বাদ দিলে। পাঠকৰ সংখ্যা ক্ৰমাৎ কমি আহিল আৰু প্ৰাক- কৰোনা কালত এই সংখ্যা ১৭০০০ □ □ ৬ পৃষ্ঠাত

## হাতীগাঁৱত দি হাৰ্টৰ স্বাস্থ্য পৰীক্ষা আৰু সজাগতা শিবিৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী**

অসমৰ আগশাৰীৰ বেচৰকাৰী সংস্থা দি হাৰ্টৰ উদ্যোগত কালি গুৱাহাটীৰ হাতীগাঁও স্থিত "দি হাৰ্ট"ৰ স্থায়ী কাৰ্যালয়ত বিনামূলীয়া স্বাস্থ্য □ □ ৬ পৃষ্ঠাত

# অৰুণাচল প্ৰদেশৰ আলোত অনুষ্ঠিত ৫৯ সংখ্যক মপিন উৎসৱত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ

## অৰুণাচল প্ৰদেশতো ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উদ্‌যাপন কৰা হ'ব ঃ মুখ্যমন্ত্ৰী

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী**

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি অৰুণাচল প্ৰদেশৰ আলোত অনুষ্ঠিত গালো জনগোষ্ঠীৰ মপিন উৎসৱত অংশগ্ৰহণ কৰে। মপিন উৎসৱৰ ৫৯ সংখ্যক কেন্দ্ৰীয় উদযাপন অনুষ্ঠানত মুখ্য অতিথি হিচাপে ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে এই উৎসৱে অৰুণাচল প্ৰদেশৰ চহকী সাংস্কৃতিক দিশ উদ্ভাসিত কৰাৰ লগতে নিজস্ব সংস্কৃতিৰ প্ৰতি জনসাধাৰণৰ থকা অন্তৰ্নিহিত বন্ধনকে প্ৰতিফলিত কৰিছে। অসমবাসীৰ হৈ অৰুণাচলবাসী ৰাইজক মপিন উৎসৱৰ শুভকামনা জ্ঞাপন কৰি তেওঁ কয় যে এই উৎসৱে গালো জনগোষ্ঠীৰ সাংস্কৃতিক ঐতিহ্যৰ পৰিচয় বহন কৰি আহিছে। মপিন শস্য □ □ ৬ পৃষ্ঠাত



## কামৰূপ মহানগৰ জিলাত আইন সজাগতা সভা

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী**

জৰ্জ কোৰ্ট বাৰ এছ'চিয়েচন,গুৱাহাটীৰ সৌজন্যত তথা জিলা আইন সেৱা প্ৰাধিকৰণৰ সহযোগত যোৱা ইংৰাজী ৬ এপ্ৰিল,২০২৫ ৰবিবাৰে



দিনৰ ২ বজাত শিঙিমাৰী চ'ক, চন্দ্ৰপুৰ কামৰূপৰ মহানগৰ অন্তৰ্ৱতী অঞ্চলত 'আইন সজাগতা সভা' অনুষ্ঠিত কৰা হয় , সৰ্বসাধাৰণৰ ৰাইজৰ জ্ঞানৰ্থে তথা আইনৰ নিয়ম-কানুনৰ হিতাৰ্থে স্থানীয় ৰাইজ মাজত আইন সজাগতা সভা খন অনুষ্ঠিত হৈ যায় । সভাত জিলাখনৰ বহুত গণ্য আৰু মুখিয়াল ব্যক্তি উপস্থিত থাকে। উক্ত সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে জৰ্জ কোৰ্ট বাৰ এচ'চিয়েচনৰ সভাপতি □ □ ২ পৃষ্ঠাত






## অতিৰিক্ত ঠিকাভিত্তিক শিক্ষকৰ পৰিয়ালবৰ্গক এককালীন সাহায্য প্ৰদান শিক্ষামন্ত্ৰী ডাঃ পেগুৰ

### সমগ্ৰ শিক্ষা কামৰূপ মহানগৰৰ উদ্যোগত ১১৬ গৰাকী মেধাৱী শিক্ষাৰ্থীক আৰোহণ আঁচনিৰ উদ্যোগত টেবলেট প্ৰদান

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী**

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন চৰকাৰখনে পৰ্য্যায়ক্ৰমে ৰাজ্যখনৰ শিক্ষা আৰু শিক্ষকৰ উন্নয়ন আৰু প্ৰগতিৰ ক্ষেত্ৰত নিৰন্তৰভাৱে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে। ইয়াৰে লগত সংগতি ৰাখি অলপতে কাহিলীপাৰাস্থিত □ □ ৬ পৃষ্ঠাত



## বৰনদীৰ পাৰত হালধাৰ পৰা বানীয়া চুপালৈ নতুন বান্ধ নিৰ্মাণৰ শুভাৰম্ভ জল সম্পদ মন্ত্ৰী পীয়ুষ হাজৰিকাৰ

### আঞ্চলিক সংযোগ আৰু পৰিবহণ ব্যৱস্থা উন্নয়নৰ লক্ষে একাধিক পথ উন্নয়ন প্ৰকল্প উদ্বোধন



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী**

বান আৰু ক্ষয়-ক্ষতি সংশ্লিষ্ট সমস্যা সমাধানৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে, জলসম্পদ মন্ত্ৰী পীয়ুষ হাজৰিকাই অলপতে কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতাৰ উপস্থিতিত বৰনদীৰ পাৰত হালধাৰ পৰা বানীয়া চুপালৈ নতুন বান্ধ নিৰ্মাণ প্ৰকল্পৰ শুভাৰম্ভ কৰে। কামৰূপ জলসম্পদ বিভাগৰ তত্ত্বাৱধানত এই প্ৰকল্প কাৰ্যকৰী কৰা হৈছে আৰু ইয়াৰ বাবে মুঠ ৪.৭৫ কোটি □ □ ৬ পৃষ্ঠাত

## কলগাছিয়াত ৱাকফ বিলৰ বিৰুদ্ধে আমছুৰ উত্তাল প্ৰতিবাদ

### জ্বলাই দিলে ৱাকফ সংশোধনী বিল, ক'লা বেজ পৰিধান কৰি তীব্ৰ প্ৰতিবাদ সাব্যস্ত



**প্ৰতিবেদক, বৰপেটা**

বৰপেটা জিলাৰ কলগাছিয়া চাৰিআলিত আমছুৰ ক'লা বেজ পৰিধান কৰি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। □ □ ৬ পৃষ্ঠাত

শ্ৰেণীৱদ্ধ বিজ্ঞাপনৰ বাবে যোগাযোগ কৰক
৬৯০০৭ ৪৪৬০১

GNRC স্বাস্থ্য-বাৰ্তা
প্ৰতি বুধবাৰে জিএনআৰচি ছয়মাইলত মৃগীৰোগৰ ক্লিনিক
মৃগীৰোগৰ লক্ষণ ঃ
● হাত-ভৰি জোকাৰি ৰোগী এজন হঠাতে অজ্ঞান হৈ পৰিব পাৰে, মুখেৰে ফেন বাহিৰ হ'ব পাৰে আৰু কিছুমানৰ ক্ষেত্ৰত প্ৰস্ৰাৱ-পাইখানাও বাহিৰ হ'ব পাৰে।
● কাণেৰে অস্বাভাৱিক শব্দ শুনি থকা যেন লাগিব পাৰে।
● হঠাতে মূৰ ঘূৰাই চকুৰে অদৃশ্য দৃশ্য দেখিলে বা চকু দুটা একে লিশলৈ ঘূৰি যাবও পাৰে।
● হঠাতে খোজকাঢ়ি থাকোতে পৰি গৈ ক্ষণিক সময়ৰ বাবে অজ্ঞান হৈ পৰিলে।
● আপুনি যদিহে দুবছৰতকৈ অধিক সময় মৃগীৰোগৰ ঔষধ খাই থকাৰ পিছতো কোনো সুফল পোৱা নাই, তেন্তে আপুনি হয়তো Drug Resistance Epilepsy ৰোগত ভুগিছে।
যোগাযোগৰ নম্বৰ
1800-345-0022
7002770765
info@gnrchospitals.com www.gnrchospitals.com

মোবাইল ঃ ৯৫৪৭৫ ৪৭৫২১
আৰিফ হোটেল
প্ৰোঃ আৰিফুদ্দিন মোল্লা এণ্ড ব্ৰাদাৰ্ছ
চাঁপ, ভুনা
বিৰিয়ানী
কাবাব তন্দুৰী
হালীম, ফালুদা
কাবাব ৰোল

ডাঃ হাঃ বিধান মাৰ্কেট, দঃ ২৪ পৰগনা

ডাঃ ছালাউদ্দিন মোল্লা পৰিচালিত
নিউটিক্স নাৰ্ছিং হোম
এণ্ড ডায়গোনোষ্টিক চেন্টাৰ
ইয়াত প্ৰতিদিন যাৱতীয় পেটৰ ছবি কৰা হয়।
U.S.G., Colour Doppler, Digital X-Ray, E.C.G., Echocardiography, Computerised Auto Analyzer মেচিনৰ দ্বাৰা তেজ পৰীক্ষা কৰা হয়।
C-Arm machineৰ দ্বাৰা হাড়ৰ অপাৰেচন কৰা হয়।
কপাটহাট (গাৰ্লছ স্কুলৰ বিপৰীতে)
থানা - ডায়মণ্ডহাৰবাৰ, জিলা - দক্ষিণ ২৪ পৰগনা

## শেষ পৃষ্ঠাৰ পৰা

## প্ৰয়াত ৰাজীৱ শদিয়াৰ মাটি কেলেংকাৰীত অভিযুক্ত বেংকৰ প্ৰৱন্ধক...

পঞ্জাৱ নেচনেল বেংকৰ আঞ্চলিক কাৰ্যালয়ৰ ৰিক'ভাৰী মুৰব্বী সন্তোষ সিঙক এক পত্ৰ প্ৰদান কৰে। ৰাজীৱ শদিয়াৰ মৃত্যুৰ পাছতে বেংক কৰ্তৃপক্ষই মাটিখিনি বাজেয়াপ্ত কৰিবলৈ জাননী প্ৰেৰণ কৰাত জিলাখনৰ ২১ টাকৈ সংগঠনে মাটিডোখৰ ৰক্ষাৰ বাবে তথা উল্লিখিত দুই প্ৰৱঞ্চকৰ বিৰুদ্ধে যথাবিহিত আইনী ব্যৱস্থা গ্ৰহণ কৰিবলৈ জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষকক স্মাৰক-পত্ৰ প্ৰদান কৰে। ইয়াৰ পাছতে তিনিচুকীয়া জিলা প্ৰশাসনে তৎকালে পদক্ষেপ গ্ৰহণ কৰি সমগ্ৰ ঘটনা সন্দৰ্ভত দণ্ডাধীশ পৰ্যায়ৰ তদন্ত ঘোষণা কৰাৰ লগতে উক্ত ভূমিৰ নিলাম প্ৰক্ৰিয়া বন্ধ ৰখাৰ বাবে পঞ্জাৱ নেচনেল বেংকৰ তিনিচুকীয়াৰ প্ৰধান শাখাৰ মুখ্য প্ৰৱন্ধকক নিৰ্দেশ দিয়ে।

## কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ হালধিবাৰী

বন ।উল্লেখ্যে যে স্পৰ্শকাতৰ হালধিবাৰী এনিমেল কৰিডৰত সঘন আহ যাহ হয় বিভিন্ন বন্যপ্ৰাণীৰ তেনেস্থলত এনেকৈ হঠাৎ অগ্নিসংযোগ কৰাত বিপদত পৰিব পাৰে বন্যপ্ৰাণী ।কেৱল ইমানেই নহয় দুৰ্বৃত্তই মূল্যবান চেগুন গছ কাটি ধ্বংস কৰাত লাগিছে কাৰ্বি পাহাৰ ।৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ নিচেই সমীপতে কাৰ্বি আঙলং বন বিভাগৰ ডলামৰা ৰেঞ্জৰ বীট অফিচৰ চকুৰ সমুখতে সংঘটিত হৈছে এই ঘটনা ।কিন্তু সকলো দেখিও নেদেখাৰ ভাৱত কাৰ্বি আংলঙ বন বিভাগ ।উল্লেখ্যে যে কাৰ্বি পাহাৰত জুম খেতিৰ বাবে ৰাইজে অগ্নিসংযোগ কৰে যদিও এনিমেল কৰিডৰত কোনো জুম খেতি কৰা নহয় ।আনহাতে জুম খেতিৰ বাবে কৰা অগ্নিসংযোগত দিয়া হয় আগতিয়া জাননি ।দুৰ্বৃত্তৰ এনে অতৰ্কিতে কৰা অগ্নিসংযোগ আৰু তাৰ পিছত গছ কটা কাৰ্যত চিন্তিত স্থানীয় লোক তথা প্ৰকৃতিপ্ৰেমী ।কাৰ্বি আংলঙ বন বিভাগক খবৰ দিলেও গুৰুত্ব নিদিয়াৰ অভিযোগ।

## তিনি পৃষ্ঠাৰ পৰা

## অসম বৈভৱ, অসম সৌৰভ আৰু অসম গৌৰৱ সন্মান-২০২৪...

শিক্ষা ক্ষেত্ৰত সুব্ৰমনিয়ান ৰামাদোৰাই, বিজ্ঞান-প্ৰযুক্তি ক্ষেত্ৰত ড° বাপ্পী পাল আৰু ড° পূৰবী শইকীয়া, কলা আৰু সংস্কৃতিৰ ক্ষেত্ৰত দ্বীপেন বৰুৱা আৰু হেমন্ত দত্ত, ক্ৰীড়া ক্ষেত্ৰত উমা ছেত্ৰীক। তদুপৰি অসম গৌৰৱ সন্মানপ্ৰাপক সকল হ'ল বন্যপ্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত ফুলেশ্বৰী দত্ত, ক্ৰীড়া ক্ষেত্ৰত মীণাক্ষী দাস আৰু পাৰ্থিৱ সুন্দৰ গগৈ, হস্তশিল্প ক্ষেত্ৰত ধীৰেন্দ্ৰ নাথ পাল আৰু হৰিদাস দাস, সমাজসেৱা ক্ষেত্ৰত বিনং তেৰন, একুৰাকালচাৰ ক্ষেত্ৰত নজৰুল হক, কৃষি আৰু সহযোগী খণ্ডত বিশ্বজিৎ বৰা, দুগ্ধ উৎপাদ ক্ষেত্ৰত ভাৰত চন্দ্ৰ কলিতা, কলা সংস্কৃতিৰ ক্ষেত্ৰত বাৰলাংফা নাৰ্জাৰী আৰু ৰামচন্দ্ৰ চাচনী, ষ্টাৰ্টআপ / অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া প্ৰতিষ্ঠান ক্ষেত্ৰত উপমন্যু বৰকাকতি আৰু ডেভিদ প্ৰতিম গগৈ, পাৰিপাৰ্শ্বিক পৰ্যটন ক্ষেত্ৰত চৌৰান আহেম, বন্যপ্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত বাৰেকুৰি গাঁও আৰু হাতী বন্ধু স্বেচ্ছাসেৱী সংস্থা। মুখ্যমন্ত্ৰীয়ে আজি এই বঁটা প্ৰাপকসকলক আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰে। এই সন্মান প্ৰদান উপলক্ষে আয়োজিত এক বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠানতো ৰাজ্যপালৰ সৈতে উপস্থিত থাকে মুখ্যমন্ত্ৰী ড° শৰ্মা। অনুষ্ঠানত কেইবাগৰাকীও কেবিনেট মন্ত্ৰী, বিধায়কৰ লগতে অসম চৰকাৰৰ মুখ্য সচিব ড° ৰবি কোটা, আৰক্ষী সঞ্চালক প্ৰধান হৰমিৎ সিং প্ৰমুখ্যে উচ্চপদস্থ বিষয়াবৰ্গ আৰু গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

## 'অসম দৰ্শন আঁচনি'ৰ অধীনত উপাসনাস্থলীলৈ আৰ্থিক অনুদান প্ৰদান...

অসমৰ ঐতিহ্য আৰু পৰম্পৰাৰ প্ৰতি শ্ৰদ্ধাশীল ৰাজ্য চৰকাৰে ব'হাগ বিহু, শ্ৰীকৃষ্ণৰ ৰাসলীলা, দুৰ্গাপূজা আদি অনুষ্ঠানতো চৰকাৰৰ পৰা আৰ্থিক সহযোগিতা আগবঢ়াই আহিছে । একেটা সময়তে ৰাজ্য চৰকাৰে মহিলাসকলৰ উন্নয়ন, শিক্ষিত নিবনুৱাসকললৈ সম্পূৰ্ণ মেধাৰ ভিত্তিত চৰকাৰী চাকৰি আৰু সমাজৰ প্ৰতিজন নাগৰিকৰে কল্যাণৰ বাবে কাম কৰি আছে, মন্ত্ৰীগৰাকীয়ে আৰু উল্লেখ কৰে ।

## উজনিৰ ডিমৌত বিজেপিৰ ৰাজনৈতিক ৰণডংকা, পঞ্চায়ত নিৰ্বাচনৰ পূৰ্বে শক্তি প্ৰদৰ্শন

অন্তৰ্গত ডিমৌ অঞ্চলত বিজেপিৰ প্ৰথমখন বৃহৎ সাংগঠনিক প্ৰচাৰ সভা হিচাপে গণ্য হৈছে। দলীয় সূত্ৰৰ মতে, সভাটোৱে ডিমৌ অঞ্চলত পঞ্চায়ত নিৰ্বাচনলৈ সদ্য সক্ৰিয় দলীয় তৎপৰতাৰ সূচনা কৰাৰ লগতে বিজেপিৰ সংগঠনিক একতা আৰু শক্তি পুনৰ প্ৰকাশ কৰিছে ।সামগ্ৰিকভাৱে, উক্ত সভাখনে ডিমৌত বিজেপিৰ ৰাজনৈতিক তৎপৰতা শক্তি, কৰ্মীসকলৰ উদ্যম আৰু পঞ্চায়ত নিৰ্বাচনৰ প্ৰতি দৃষ্টিভংগীক দৃঢ় ৰূপত প্ৰতিফলিত কৰিছে।

## এঘাৰ পৃষ্ঠাৰ পৰা

## গোলকগঞ্জত অতিৰিক্ত শিল কঢ়িওৱা ডাম্পাৰৰ দৌৰাত্ম্য

চহৰত প্ৰৱেশ কৰে। চুটি পথৰ সুযোগ লৈ নীতি বহিৰ্ভূত ভাবে গোলকগঞ্জ চহৰৰ মাজেৰে সোনাহাট আন্তৰ্জাতিক বানিজ্য কেন্দ্ৰলৈ ডাম্পাৰ সমূহ দৌৰি থকা বাবে পথটো পুনৰ উৰলিব আৰম্ভ কৰিছে। গোলকগঞ্জৰ মাজ মজিয়াৰ ৰাজ্যিক পথটো মেৰামতি কৰাৰ তিনিমাহে হোৱা নাই। তাতেই ব্লেকটেপিং চপৰা চপৰে উঠিব ধৰিছে। উল্লেখ্য যে পথটো সঘনাই জহি খহি যোৱা বাবে তিনি বছৰ পূৰ্বে ৰাজ্যিক পথটোৰে ডাম্পাৰৰ চলাচল নিষিদ্ধ কৰিছিল স্থানীয় প্ৰশাসনে। কিন্তু বাস্তৱত সকলো ফুটুকাৰ ফেনত পৰিণত হয়। সকলো নিৰ্দেশনা জলাঞ্জলি দি নিশাৰ ভাগত মুকলি ভাবে চলে অতিৰিক্ত শিল পৰিবাহী ডাম্পাৰ। সকলো দেখিও পৰিবহণ বিভাগ আৰু স্থানীয় প্ৰশাসন নেদেখা কুলিৰ ভাও ধৰি বহি থকাৰ অভিযোগ উত্থাপিত হৈছে। আনহাতে এখন চালানেৰে কেইবাখনো ডাম্পাৰ চলে যদিও বন বিভাগেও নীৰৱতা অৱলম্ব্ন কৰাৰ গুৰুতৰ অভিযোগ পোৱা গৈছে। ইয়াৰ এক উচ্চ পৰ্যায়ৰ তদন্তৰ দাবী জনাইছে বিভিন্ন দল সংগঠনে ।

## পাঁচ পৃষ্ঠাৰ পৰা

## অসম সাহিত্য সভাৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত

ডিব্ৰুগড় সাহিত্য সভাৰ দুটা কাৰ্যকালৰ সভাপতি হিচাপে নিয়াৰিকৈ কৰ্ম সম্পাদন কৰাৰ পিছত তেওঁ অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ ডিব্ৰুগড় জিলাৰ সভাপতি, সদৌ অসম সত্ৰ মহাসভাৰ ডিব্ৰুগড় জিলাৰ সভাপতি, ভাৰতীয় ইতিহাস সংকলন সমিতিৰ ডিব্ৰুগড় জিলাৰ সভাপতি, ডিব্ৰুগড় ছেচ ক্লাৱৰ প্ৰতিষ্ঠাপক সভাপতিকেধৰি অন্যান্য বহু সাহিত্য, সংস্কৃতি, সাংস্কৃতিক অনুষ্ঠানৰ দায়িত্ব পালন কৰি কৃতিত্বৰ পৰিচয় দি আহিছে। মনকৰিবলগীয়া যে সমগ্ৰ পৃথিৱীৰ চুকে-কোণে সিঁচৰিত হৈ থকা অসমীয়া মানুহখিনিক একত্ৰিকৰণ কৰিবলৈ গঠন হোৱা স্নেহবন্ধন নামৰ আন্তঃৰাষ্ট্ৰীয় এটা অনুষ্ঠানৰ সাধাৰণ সম্পাদকৰ গুৰুত্বপূৰ্ণ দায়িত্বও তেওঁ পালন কৰি আছে। স্নেহবন্ধনৰ যোগেদি পৃথিৱীৰ বিভিন্ন প্ৰান্তৰপৰা প্ৰৱাসী অসমীয়াসকলে অসমৰ উঠি অহা নৱ প্ৰজন্মক বিভিন্ন সময়ত দিহা-পৰামৰ্শ দি নতুন প্ৰজন্মক উৎসাহ আৰু অনুপ্ৰাণিত কৰি আহিছে। নিয়মীয়া স্তম্ভ লেখক ড° শইশকীয়াৰ ইতিমধ্যে প্ৰায় ৪০ খনৰো অধিক গ্ৰন্থ প্ৰকাশ পাইছে। আজি (৬-৪-২৫)অসম সাহিত্য সভাৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি পদুম ৰাজখোৱাই আনুষ্ঠানিকভাৱে তেওঁৰ হাতত এই নিযুক্তি পত্ৰ প্ৰদান কৰে। এই অনুষ্ঠানত অসম সাহিত্য সভাৰ কেন্দ্ৰীয় সমিতিৰ বিভিন্ন দায়িত্বত থকা বিষয়ববীয়াৰ লগতে ডিব্ৰুগড় সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক গৌতম গগৈও উপস্থিত থাকে। নিযুক্তি পত্ৰ লাভ কৰি তেওঁ সমগ্ৰ পৃথিৱীত অসম সাহিত্য সভাৰ লগতে ভাষা-সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰত নিষ্ঠাসহকাৰে দায়িত্ব পালন কৰাৰ চেষ্টা চলাব বুলি কয়।

# ভুৰাকাটা গাঁও পঞ্চায়তৰ অন্তৰ্গত ভুৰাকাটা হাইস্কুল খেলপথাৰৰ দেৱাল নিৰ্মাণৰ কামত অনিয়ম

### বিগত ২০২৩-২৪ বৰ্ষৰ এম জি এনৰেগা আঁচনিৰ কাম সম্পূৰ্ণ নোহোৱাৰ ৰহস্য কি?

**ষ্টাফ ৰিপ'ৰ্টাৰ, মানকাচৰ**

ফেকামাৰী খণ্ড উন্নয়ন এলেকাৰ ভুৰাকাটা গাওঁ পঞ্চায়তৰ অন্তৰ্গত ভুৰাকাটা হাইস্কুলৰ খেলপথাৰত মাটি পূৰণ আৰু দেৱাল নিৰ্মানৰ বাবদ এমজিএনৰেগা আঁচনিৰ যোগেদি ২০২৩ য২৪ বৰ্ষৰ বাবে মুঠ ৪০ লাখ ১৫৩২ টকা চৰকাৰে মাধুৰী দিয়ে। পৰিতাপৰ বিষয় যে এই কামখিনি আজিলৈকে সম্পূৰ্ণ নকৰাৰ ফলত স্কুলটোৰ খেলপথাৰত বালিময় পৰিবেশৰ সৃষ্টি হয় আৰু ছাত্ৰ ছাত্ৰীয়ে জলাকলা কটাবলগীয়া হৈছে। এনেকৈ সামান্য দেৱাল নিৰ্মাণ কৰি চৰকাৰী নিয়ম নীতিক জলাঞ্জলী দি নীতি বহিভূতভাৱে কাম কৰি থকাৰ ফলত দেৱাল খিনি ভাঙিবলৈ আৰম্ভ কৰিছে। চৰকাৰীভাৱে বৃহৎ পৰিমাণৰ পুজি আবণ্টন দিয়াৰ পিছতো কামখিনি দুই বছৰ অতিক্ৰম কৰাৰ পিছত সম্পূৰ্ণ নোহোৱাৰ কাৰণ কি? এই সন্দৰ্ভত ফেকামাৰী খণ্ড উন্নয়নৰ বিডিও তথা কামৰ দায়িত্বত থকা ইঞ্জিনিয়াৰৰ জনৰ দায়িত্ব কি বুলি সৰ্বসাধাৰণ ৰাইজৰ প্ৰশ্ন? এই কামখিনিৰ সঠিকভাৱে তদন্ত কৰি অতি সোনকালে চৰকাৰী নিয়ম-নীতিৰ সম্পূৰ্ণ কৰিবলৈ ৰাইজে দাবী জনায়।

HOTEL LM RESIDENCY
Lalmati, Near Durga Mandir,
NH37, Lalmati, Bhetapara Road, Guwahati - 29
Mobile : 8638499755 / 8638865861
ইয়াত আৰামদায়ক থকা আৰু খোৱাৰ সু-ব্যৱস্থা আছে।

সাপ্তাহিক
আধুনিক অসম
মঙ্গলবাৰ, ২৫ চ'ত, ১৯৪৬ শক ৮ এপ্ৰিল, ২০২৫

# অসম বৈভৱ, অসম সৌৰভ আৰু অসম গৌৰৱ সন্মান-২০২৪ প্ৰদান ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী**

অসমৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই আজি গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত সমাজজীৱনৰ বাটকটীয়াসকললৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত অসম চৰকাৰৰ সৰ্বোচ্চ ৰাজ্যিক অসামৰিক সন্মান-২০২৪ প্ৰদান কৰে। উল্লেখ্য যে প্ৰতিৰক্ষা, শিক্ষা, বিজ্ঞান-প্ৰযুক্তি, কলা-সংস্কৃতি, ক্ৰীড়া, হস্তশিল্প,



জনসেৱা, কৃষি আৰু সহযোগী খণ্ড, উদ্যমিতা, পৰিৱেশ পৰ্যটন, বন্যপ্ৰাণী সংৰক্ষণ আদি বিভিন্ন ক্ষেত্ৰত আগবঢ়োৱা অনবদ্য আৰু দৃষ্টান্তমূলক অৱদানেৰে অসমলৈ কঢ়িয়াই অনা সন্মানৰ স্বীকৃতি স্বৰূপে ২১ গৰাকী বৰেণ্য ব্যক্তি, এখন আদৰ্শ গাওঁ আৰু এটি প্ৰকৃতিপ্ৰেমী সংস্থালৈ ২০২৪ বৰ্ষৰ বাবে সৰ্বোচ্চ ৰাজ্যিক অসামৰিক সন্মান— অসম বৈভৱ, অসম সৌৰভ আৰু অসম গৌৰৱ বঁটা প্ৰদান কৰা হৈছে। এই সন্মান প্ৰাপকসকলৰ ভিতৰত প্ৰতিৰক্ষা ক্ষেত্ৰলৈ আগবঢ়োৱা বৰঙণিৰ বাবে অসম বৈভৱ সন্মান লেফটেনেন্ট জেনেৰেল (অৱসৰপ্ৰাপ্ত) ৰাণা প্ৰতাপ কলিতাক। ইষ্টাৰ্ণ কমাণ্ডৰ জেনেৰেল অফিচাৰ কমাণ্ডিং-ইন-চীফ পদত অধিষ্ঠিত হোৱা অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমগৰাকী ব্যক্তি হিচাপে ইতিহাস ৰচনা কৰি ভাৰতীয় সশস্ত্ৰ সেনা বাহিনীত এক উল্লেখযোগ্য সফলতা লাভ কৰিবলৈ সক্ষম হোৱা কলিতাক তেখেতৰ সেৱাৰ স্বীকৃতি হিচাপে এই বঁটা প্ৰদান কৰাৰ লগতে অসম সৌৰভ সন্মান প্ৰদান কৰা হয়

২ পৃষ্ঠাত

# 'অসম দৰ্শন আঁচনি'ৰ অধীনত উপাসনাস্থলীলৈ আৰ্থিক অনুদান প্ৰদান মন্ত্ৰী পীযুষ হাজৰিকাৰ

## 'গুৰুজনাৰ অপূৰ্ব অৱদান নামঘৰসমূহ আমাৰ জাতিৰ স্বাভিমান, নামঘৰসমূহ আমি ভালদৰে ৰাখিবই লাগিব'

**প্ৰতিবেদক, জাগীৰোড**

অসম চৰকাৰৰ জলসম্পদ, তথ্য আৰু জনসংযোগ ইত্যাদি বিভাগৰ মন্ত্ৰী তথা শোণিতপুৰ জিলাৰ অভিভাৱক মন্ত্ৰী পীযুষ হাজৰীকাই অলপতে তেজপুৰত জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সন্মিলন কক্ষত আৰু জাগীৰোডত দুটা বিশেষ অনুষ্ঠানত ৰাজ্য চৰকাৰৰ অভিলাষী আঁচনি 'অসম দৰ্শন আঁচনি'ৰ অধীনত তেজপুৰ আৰু জাগীৰোড বিধানসভা সমষ্টিৰ নামঘৰ আৰু ধৰ্মীয় উপাসনা গৃহলৈ আৰ্থিক অনুদান প্ৰদান কাৰ্যসূচীৰ আনুষ্ঠানিভাৱে শুভাৰম্ভ কৰে। তেজপুৰত বক্তব্য প্ৰদান কৰি মন্ত্ৰী হাজৰীকাই কয় যে নামঘৰ আৰু ধৰ্মীয় উপাসনাস্থলীসমূহ আমাৰ আধ্যাত্মিক চিন্তা তথা কৃষ্টি-সংস্কৃতিৰ উৎকৰ্ষ সাধনৰ প্ৰাণকেন্দ্ৰস্বৰূপ। আমাৰ এই আধ্যাত্মিক প্ৰতিষ্ঠানসমূহৰ উন্নয়নৰ ক্ষেত্ৰত মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ বলিষ্ঠ নেতৃত্বত বিভিন্ন ঐতিহাসিক পদক্ষেপ গ্ৰহণ কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে। উল্লেখ্য



যে আজি শোণিতপুৰ জিলাৰ অভিভাৱক মন্ত্ৰীগৰাকীয়ে তেজপুৰ বিধানসভা সমষ্টিৰ ১৫৮টা নামঘৰ তথা উপাসনাগৃহলৈ আগবঢ়োৱা আৰ্থিক অনুদানৰ চেকসমূহ বিতৰণ কৰে। ২০২৪-২৫ বৰ্ষৰ এই আঁচনিৰ অধীনত মুঠ ৩ লাখ টকাকৈ প্ৰদান কৰিবলগীয়া আৰ্থিক অনুদানৰ প্ৰথম পৰ্যায়ত ১.৫ লাখ টকাকৈ প্ৰদান কৰা হৈছে। উল্লেখ্য যে শোণিতপুৰ জিলাখনৰ মুঠ ৭৯২টা নামঘৰ আৰু উপাসনাগৃহলৈ এই অনুদান প্ৰদান কৰা হ'ব। পাছবেলা মন্ত্ৰী হাজৰীকাই জাগীৰোডৰ বহুমুখী প্ৰেক্ষাগৃহত সমষ্টিটোৰ ১৮১ টা নামঘৰ তথা উপাসনাস্থলীলৈ চেক বিতৰণ কাৰ্যসূচীৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। আজিৰ অনুষ্ঠানত ভাষণ প্ৰসংগত মন্ত্ৰী হাজৰীকাই কয় যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ গুৰুজনাৰ অপূৰ্ব সৃষ্টি নামঘৰসমূহ আমাৰ জাতীয় ঐতিহ্য আৰু স্বাভিমান। এই নামঘৰসমূহক সুন্দৰকৈ ৰখাৰ বাবে আমাৰ সকলোৰে দায়িত্ব আছে বুলি মন্তব্য কৰি মন্ত্ৰী হাজৰীকাই কয় যে এই ক্ষেত্ৰত ৰাজ্য চৰকাৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত আন্তৰিকতাৰে কাম কৰি আছে। আনহাতে

২ পৃষ্ঠাত

### ডিব্ৰুগড় শ্বহীদ ন্যাসত আছুৰ সংবাদমেল

# সাহিত্যিক ড° নগেন শইকীয়া আৰু অভিনেতা বিষ্ণু খাৰঘৰীয়াক ডিব্ৰু সন্মান প্ৰদানৰ কথা ঘোষণা

**প্ৰতিবেদক, নাহৰকটীয়া**

ডিব্ৰুগড়ৰ চৌকিডিঙী খেলপথাৰৰ বহাগী ক্ষেত্ৰত অনুষ্ঠিত হ'বলগীয়া সদৌ অসম ছাত্ৰ সন্থাৰ ডিব্ৰুগড় জিলা সমিতিৰ কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনখনি অহা ২৮, ২৯ আৰু ৩০ এপ্ৰিলত অনুষ্ঠিত হ'ব। কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনত কণ্ঠশিল্পী আচুৰ্য বৰপাত্ৰৰ সংগীতানুষ্ঠানৰ লগতে সদৌ অসম ভিত্তিত নগদ ধন সম্বলিত বৰ বিহুৱতী, মুকলি বিহু আৰু সদৌ অসম ভিত্তিত হুঁচৰি প্ৰতিযোগিতাও অনুষ্ঠিত হব। ডিব্ৰুগড় কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনত অসমৰ বহু কেইগৰাকী জনপ্ৰিয় অভিনেতা-অভিনেত্ৰী,কণ্ঠশিল্পী উপস্থিত থাকিব।এইবাৰ বহাগী ক্ষেত্ৰত অসমৰ দুগৰাকী স্বনাম ধন্য পুৰোধা বিশিষ্টব্যক্তি ক্ৰমে সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, মিতভাষ স্ৰষ্টা ড° নগেন শইকীয়া আৰু আন্ত:ৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন বিশিষ্ট অভিনেতা বিষ্ণু খাৰঘৰীয়াক ২০২৫ বৰ্ষৰ "ডিব্ৰু সন্মান" প্ৰদান কৰা হ'ব বুলি ডিব্ৰুগড়ৰ ছহিদ ভৱনত ৩ এপ্ৰিলত অনুষ্ঠিত হোৱা এক সংবাদ মেলত প্ৰকাশ কৰে ডিব্ৰুগড় জিলা আছুৰ সভাপতি ৰূপজ্যোতি বৰঠাকুৰ, ডিব্ৰুগড় ছাত্ৰ সন্থাৰ তনুজ হালৈ আৰু পাপু শইকীয়াই।তেখেতে সকলে অসমৰ ৰাইজৰ উপস্থিতি আৰু সহযোগিতাৰো সংবাদমেল যোগে কামনা কৰে।

# বিশ্বনাথৰ বিহালী বৰজাৰণিত চোৰাং মাফিয়াৰ সৈতে বাংলাদেশীৰ কানেকচন

**প্ৰতিবেদক, বিশ্বনাথ চাৰিআলি**

বিহালীৰ বৰজাৰণিৰ চোৰাং বালি মাফিয়াৰ সৈতে বাংলাদেশৰ কানেকচন লাভ কৰিছে বন বিভাগে। বালাংদেশৰ পৰা অবৈধ ভাৱে অনা মেচিনেৰে বৰগাং নদীত বালি খান্দিছে বালি মাফিয়াই। পূৱ শোণিতপুৰ বন সংমণ্ডলৰ "প্ৰটেকচন স্কোৱাদ ৰেঞ্জ" য়ে অভিযান চলাই বৰজাৰণীৰ দুনৈমুখৰ পৰা জব্দ কৰিলে অবৈধ ভাৱে ভাৰত বৰ্ষলৈ অনা তিনিটাকৈ বাংলাদেশী বালি খন্দা মেছিন। ভাৰতবৰ্ষত ব্যৱহাৰ কৰাৰ অনুমতি নথকা এই বালি খন্দা মেচিন অতি গোপনে অসমলৈ আনি চোৰাং বালিৰ মাফিয়াই চলাই আহিছিল লুন্ঠন। বাংলাদেশৰ "মোস্তাফা ইঞ্জিনিয়াৰিং" নামৰ প্ৰতিষ্ঠানটোৱে নিৰ্মান কৰা হৈছিল এই বালি খন্দা মেছিন। আধুনিক প্ৰযুক্তিৰ এই মেচিনৰ জড়িয়তে নদীত পাইপ লগাই ডাম্পাৰত বালি ভৰ্তি কৰা হয় আৰু ১৫ মিনিটৰ ভিতৰতে ভৰ্তি হৈ পৰে এখন ডাম্পাৰ। "প্ৰটেকচন স্কোৱাদ ৰেঞ্জ" ৰ অভিযানৰ খবৰ পাই পলায়ন কৰিছে বালি মাফিয়াই। চোৰাং বালি মাফিয়াৰ এই চক্ৰটোক কৰায়ত্ত কৰাৰ বাবে বন বিভাগে অভিযান অব্যাহত ৰাখিছে। বাংলাদেশৰ সৈতে বৰজাৰণিৰ বালি মাফিয়াৰ কানেকচন য়ে এতিয়া সকলোকে আচৰিত কৰি তুলিছে আৰু বাংলাদেশত তৈয়াৰী এনেকুৱা মেচিন কেনেকৈ অসমলৈ আহিল তাক লৈ চৰ্চা চলিছে।

# উজনিৰ ডিমৌত বিজেপিৰ ৰাজনৈতিক ৰণডংকা, পঞ্চায়ত নিৰ্বাচনৰ পূৰ্বে শক্তি প্ৰদৰ্শন

## ডিমৌ মণ্ডলৰ উদ্যোগত অনুষ্ঠিত হ'ল বৃহৎ সাংগঠনিক সভা

**প্ৰতিবেদক, ডিমৌ**

আগন্তুক পঞ্চায়ত নিৰ্বাচনৰ প্ৰেক্ষাপটত ৰাজনৈতিক ভেটি সুদৃঢ় কৰিবলৈ ভাৰতীয় জনতা পাৰ্টী (বিজেপি)য়ে ডিমৌত কালি এক গুৰুত্বপূৰ্ণ শক্তি প্ৰদৰ্শনমূলক সাংগঠনিক সভা অনুষ্ঠিত কৰে। ডিমৌ মণ্ডল বিজেপিৰ উদ্যোগত ডিমৌ জ্যোতি বিষ্ণু সাংস্কৃতিক প্ৰকল্পত অনুষ্ঠিত সভাখনত দলটোৰ জ্যেষ্ঠ নেতা-নেত্ৰীসকলৰ লগতে ৰাজিক, জিলা, মণ্ডল আৰু বুথ পৰ্যায়ৰ শতাধিক বিষয়া-কৰ্মী উপস্থিত থাকে। এই বৃহৎ সভাত কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, অসম চৰকাৰৰ মন্ত্ৰী যোগেন মহন, থাওৰা সমষ্টিৰ বিধায়ক সুশান্ত বৰগোহাঁই, শিৱসাগৰ জিলাৰ সভাপতি বিতোপন ৰাইডঙীয়াকে ধৰি বিশিষ্ট দলীয় নেতাসকল উপস্থিত থাকে। সভাত মন্ত্ৰী যোগেন মহনে বক্তব্য ৰাখি কয়, "পঞ্চায়ত নিৰ্বাচন এখন বৃহৎ যুদ্ধ। বুথ পৰ্যায়ৰ পৰা ৰাজ্য পৰ্যন্ত আমাৰ সকলো কৰ্মী সাজু হৈ



আছে। আজিৰ সভাই দলীয় ঐক্য, একাগ্ৰতা আৰু সংগঠনৰ শক্তিক দৃঢ়ভাৱে প্ৰকাশ কৰিছে।" বিধায়ক সুশান্ত বৰগোহাঁইয়ে সভাত দলীয় কৰ্মীসকলক সম্বোধন কৰি কয়, "বিজেপি কেৱল এটা ৰাজনৈতিক দল নহয়, ই এক জনজাগৰণ। কৰ্মীসকলৰ নিষ্ঠা আৰু একাগ্ৰতাই বিজেপিৰ মূল শক্তি। অহা ২ মে আৰু ৭ মে, ২০২৫ তাৰিখে অনুষ্ঠিত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনত পূৰ্বৰ দৰে সক্ৰিয়তা আৰু সমৰ্পিত মনোভাৱে দলৰ বাবে কৰ্মসম্পাদন কৰিবলৈ আমি সকলোকে আহ্বান জনাইছোঁ।" সভাত উপস্থিত অন্যান্য জ্যেষ্ঠ নেতাসকলৰ ভিতৰত অজয় কোঁৱৰ, সুভাষ দত্ত, শিৱ ভদ্ৰা, সুৰভী ৰাজকুঁৱৰী, দীপিকা দুৱৰী, প্ৰাঞ্জল কটকী, বিনীতা শইকীয়া আদিকে ধৰি বহু বিশিষ্ট নেতা-নেত্ৰীয়ে বক্তব্য ৰাখি দলীয় কৰ্মীসকলক উদ্বুদ্ধ কৰে। উল্লেখযোগ্য যে, এই সভা যোৰহাট লোকসভা সমষ্টিৰ

২ পৃষ্ঠাত

# শিৱসাগৰৰ দিচাংপাৰ স্তব্ধ উন্নয়ন, ভোট বৰ্জনৰ হুংকাৰ

## 'পানী নাই, পথ নাই, উন্নয়ন নাই— ভোটো নাই'

**প্ৰতিবেদক, দিচাংপাৰ**

শিৱসাগৰ জিলাৰ অন্তৰ্গত দিচাংপাৰ অঞ্চলৰ ৰাইজে বৰ্তমান বিধায়ক অখিল গগৈৰ প্ৰতিশ্ৰুতি খালী মুখৰ কথা বুলি আখ্যা দি ভোট বৰ্জনৰ ঘোষণা কৰিছে। স্থানীয় ৰাইজৰ অভিযোগ— বিধায়ক হোৱাৰ পাছৰ পৰাই বহু অঞ্চলত গগৈ অদৃশ্য হৈ পৰিছে; ৰাইজে আশা কৰা উন্নয়নৰ ধৰণৰ কোনো প্ৰতিফলন দেখা পোৱা নাই। বিশেষকৈ দিচাংপাৰ পঞ্চায়তৰ অধীনস্থ পলাশনী গাঁৱৰ কালিবাৰী পথত ৰাইজে ৰাজপথত বেনাৰ আঁৰি প্ৰকাশ কৰিছে— 'পানী নাই, পথ নাই, উন্নয়ন নাই— ভোটো নাই!' অঞ্চলটোৰ মূল পথ বেয়া অৱস্থাত, পানীৰ বাবে বহু পৰিয়ালৰ ভুক্তভোগী, বিদ্যুতৰো স্থায়ী সমাধান নাই। স্থানীয় ৰাইজৰ মতে, বিধায়ক গগৈয়ে ৰাজনৈতিক প্ৰতিষ্ঠান গঢ়া আৰু চৰকাৰৰ সমালোচনাত ব্যস্ত, কিন্তু নিজৰ বিধানসভাৰ ৰাইজৰ দুখ-সুখত অংশ লোৱাত সম্পূৰ্ণ ব্যৰ্থ। তেওঁৰ একাংশ প্ৰতিশ্ৰুতি— বিশুদ্ধ পানীৰ ব্যৱস্থা, পথ সংস্কাৰ, আধুনিকতাৰ ভাষণৰ ফুলজাৰি নামত বহু প্ৰকল্পৰ কথাও এতিয়ালৈকে কেৱল কাগজত সীমাবদ্ধ।পঞ্চায়ত নিৰ্বাচন সমাগত, এনে সময়তে দিচাংপাৰৰ ৰাইজে জনাইছে— "যেতিয়া জনপ্ৰতিনিধি- বিধায়কেই আমাৰ সমস্যাত সহানুভূতিশীল নহয়, তেতিয়া আমিও ভোট নিদিও।"এই ভোট বৰ্জনৰ ঘোষণাই এতিয়া শিৱসাগৰৰ ৰাজনৈতিক পৰিসৰত নতুন আলোড়ন তুলিছে। স্থানীয় একাংশই কয়— "খালী ভাষণৰ ফুলজাৰিৰে উন্নয়ন নহয়, কাম কাজেৰে উন্নয়নৰ স্বাৰ্থত ৰাইজৰ মাজত থিয় দিব পৰা নেতৃত্ব বিচাৰে আমাৰ অঞ্চলে।" আগন্তুক বিধানসভা নিৰ্বাচনত এই ৰাইজৰ মাত বৃদ্ধি পোৱা তীব্ৰ অসন্তোষ বিধায়ক গগৈৰ বাবে এক গুৰুত্বপূৰ্ণ প্ৰত্যাহ্বান হিচাপে পৰিগণিত হৈছে।

সাপ্তাহিক
আধুনিক অসম

## সম্পাদকীয়

### আমাৰ ভূমি আৰু সাগৰ ব্যৱহাৰ কৰি ভাৰতৰ নিৰাপত্তা বিঘ্নিত হ'বলৈ নিদিওঁ, শ্ৰীলংকাৰ ৰাষ্ট্ৰপতিৰ প্ৰতিশ্ৰুতি

শ্ৰীলংকাৰ মাটি আৰু জলপথ ব্যৱহাৰ কৰি ভাৰতৰ নিৰাপত্তাৰ ক্ষেত্ৰত আপোচ কৰিবলৈ দিয়া নহ'ব। শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি অনুৰা দিশনাইকে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে হোৱা বৈঠকত এই মন্তব্য কৰে। ভাৰতৰ নিৰাপত্তাৰ ক্ষতিকাৰক কোনো কামত শ্ৰীলংকাৰ মাটি আৰু পানী ব্যৱহাৰ কৰিবলৈ দিয়া নহ'ব বুলিও তেওঁ আশ্বাস দিয়ে। দৰাচলতে যোৱা কেইবছৰমানৰ পৰা চীনৰ কেইবাখনো জাহাজে শ্ৰীলংকাৰ দক্ষিণে, ভাৰত মহাসাগৰত ঘূৰি ফুৰিছে। শ্ৰীলংকাৰ হাম্বাণ্টোটা আন্তঃৰাষ্ট্ৰীয় সাগৰীয় বন্দৰৰ এটা অংশ চীনে লিজত লৈছে। এনে পৰিস্থিতিত মোডীৰ সৈতে হোৱা বৈঠকত অনুৰাৰ বাৰ্তা যথেষ্ট তাৎপৰ্যপূৰ্ণ বুলি বিবেচিত হৈছে। বংগোপসাগৰৰ দেশসমূহৰ পাৰস্পৰিক সহযোগিতাৰ আন্তঃৰাষ্ট্ৰীয় মঞ্চ 'বিমষ্টেক'ৰ সন্মিলনৰ অন্তত শুকুৰবাৰে নিশা থাইলেণ্ডৰ ৰাজধানী বেংককৰ



পৰা শ্ৰীলংকাত উপস্থিত হয় মোডী। শনিবাৰে শ্ৰীলংকাৰ ৰাজধানী কলম্বোত অনুৰাই মোডীৰ সৈতে বৈঠকত মিলিত হয়। প্ৰতিৰক্ষা ক্ষেত্ৰত দুয়োখন দেশৰ মাজত পাৰস্পৰিক সহযোগিতাৰ বাবে এক বুজাবুজি চুক্তিও স্বাক্ষৰিত হয়। এইবাৰ প্ৰতিৰক্ষাৰ ক্ষেত্ৰত চুবুৰীয়া দুখন দেশৰ মাজত বুজাবুজি চুক্তি স্বাক্ষৰিত হৈছে। পিছত বৈদেশিক সচিব বিক্ৰম মিশ্ৰীয়ে কয় যে অনুৰাই মোডীৰ সৈতে হোৱা বৈঠকত প্ৰতিশ্ৰুতি দিছিল। ভাৰতৰ বিৰুদ্ধে শ্ৰীলংকাৰ মাটি আৰু পানী ব্যৱহাৰ কৰিবলৈ দিয়া নহ'ব। ৰাজ্যৰ দুয়োগৰাকী নেতাৰ বৈঠকতো মাছমৰীয়াৰ বিষয়টো উত্থাপন হয়। ভাৰতীয় মাছমৰীয়াসকলে কেতিয়াবা ভুলবশতঃ সাগৰত মাছ ধৰিবলৈ গৈ শ্ৰীলংকাৰ জলসীমাত প্ৰৱেশ কৰে। এনে কেইবাজনো মাছমৰীয়া এতিয়াও শ্ৰীলংকাৰ মীনপালনত বন্দী হৈ আছে। লগতে মোদীয়ে শ্ৰীলংকাৰ ৰাষ্ট্ৰপতিৰ আগত কয় যে ভাৰতীয় মাছমৰীয়াসকলক অনতিপলমে মুকলি কৰি দিব লাগে। বৈঠকৰ অন্তত তেওঁ যৌথ বিবৃতিত অনুৰাৰ সৈতে পুনৰ সেই কথা কয়। মোদীয়ে কয়, 'মাছমৰীয়াক লৈ আমাৰ মাজত আলোচনা হৈছিল। এই ক্ষেত্ৰত মানৱীয় দিশটোৰ ওপৰত আমি একমত হৈছো। তেওঁলোকক (মাছমৰীয়া) শীঘ্ৰে মুকলি কৰি দিব লাগে। তেওঁলোকৰ নাওবোৰো ঘূৰাই দিব লাগে।" পিছত বৈদেশিক সচিব মিশ্ৰীয়ে কয়, ভাৰতক আশ্বাস দিয়া হৈছে যে শ্ৰীলংকা কৰ্তৃপক্ষই ১১ জন মাছমৰীয়াক শীঘ্ৰে মুকলি কৰি দিয়াৰ সিদ্ধান্ত লৈছে। অনাগত দিনত আৰু অধিক মাছমৰীয়াক মুকলি কৰি দিয়া হ'ব বুলি তেওঁ আশাবাদী। ২০১৪ চনত প্ৰধানমন্ত্ৰী হোৱাৰ পিছত চতুৰ্থবাৰৰ বাবে শ্ৰীলংকালৈ গৈছিল মোডী। বিগত ছেপ্টেম্বৰ মাহত ৰাষ্ট্ৰপতি নিৰ্বাচনত বাওঁপন্থী নেতা অনুৰা জয়ী হৈছিল। ইয়াৰ পিছত ডিচেম্বৰ মাহত দিল্লীলৈ আহি মোডীৰ সৈতে বৈঠকত মিলিত হয়। সেই বৈঠকতো তেওঁ আশ্বাস দিছিল যে শ্ৰীলংকাৰ মাটি ভাৰত বিৰোধী কাৰ্যকলাপৰ বাবে ব্যৱহাৰ কৰা নহ'ব। অৱশ্যে নতুন দিল্লীয়ে সদায় এই পৰিস্থিতিৰ ওপৰত চকু ৰাখিছে কাৰণ চীনে শ্ৰীলংকাৰ হাম্বাণ্টোটা বন্দৰৰ এটা অংশ লিজত লৈছে। এনে পৰিস্থিতিত অনুৰাই শনিবাৰে মোডীৰ সৈতে হোৱা বৈঠকত পুনৰবাৰ নিজৰ স্থিতি প্ৰকাশ কৰে। এইবাৰ প্ৰধানমন্ত্ৰী মোডীৰ কলম্বো ভ্ৰমণৰ সময়ত ভাৰত আৰু শ্ৰীলংকাৰ মাজত মুঠ ৭টা বুজাবুজি চুক্তি স্বাক্ষৰিত হয়, য'ত এটা প্ৰতিৰক্ষা বুজাবুজিও অন্তৰ্ভুক্ত। অনাগত দিনতো ভাৰতে শ্ৰীলংকাৰ উন্নয়নৰ কাষত থিয় দিব বুলি অনুৰাক আশ্বাস দিয়ে মোদীয়ে। অনুৰাৰে ভাৰতক 'অতি ঘনিষ্ঠ' বন্ধু বুলি অভিহিত কৰে। শ্ৰীলংকাৰ ৰাষ্ট্ৰপতিগৰাকীয়ে মোডীৰ 'সবকা সাথ, সবকা বিকাশ'ৰ ধাৰণাকো প্ৰশংসা কৰে।

## ব'হাগ বিহুৰ কণীযুঁজখনলৈ মনত পৰে

**প্ৰিয়ম ৰাগিণী**, ডিব্ৰুগড়

সময় আগুৱাই অতীত হৈছে ।তথাপিও সেই শৈশৱ ,কৈশোৰ তথা যৌৱনৰো এছোৱা কাল গ্ৰামাঞ্চলত কটাই আহিছিলোঁ বাবেই বছেৰেকৰ বিহুটো আহিলেই চেৰেংকৈ ঘৰখনলৈ তথা গাওঁখনলৈ মনত পৰে ।বাখৰ ,দিপালী,ৰুনু ৰঞ্জু, হিৰণ্যহঁতলৈ মনত পৰে ।কিমান যে বাখৰুৱা দিন কটাই আহিলোঁ সিহঁতৰ লগত ।কণীযুঁজ খনৰ পৰা মুকলি পথাৰত জেংবিহু যোৱা গোৱালৈকে দিপালীহঁতৰ হাতকেইখন যেন এৰা দিয়া নাছিলোঁ সেই সময়ত ।কিন্তু সেই সময় কৰ'বাত হেৰাই থাকিল ।মনৰ পৰা কিন্তু এতিয়াও হেৰুওৱা নাই ।এই ভাৱনাটোৱে মানে শৈশৱ কালৰ সেই ভাৱনা খিনিয়ে মোকেই নে আনকো নষ্টালজী কৰি তোলে সেয়া মই কব নোৱাৰিম কিন্তু মইচোন মুঠেও পাহৰিব পৰা নাই সেই দিনবোৰ ।হয়তো পৰৱৰ্তী জীৱনতো নোৱাৰিম।



বছৰৰ বাৰটা মাহৰ লেখেৰে প্ৰতিটো মাহৰে আছে সুকীয়া ৰূপ বৈশিষ্ট্য ।অসমীয়া জনজীৱনৰ আকৌ তিনিটা বিহু উৎসৱৰো স্থান সুকীয়া ।উৎসৱ অনুষ্ঠিত কৰাৰ সময় সুকীয়া ।উদযাপনৰ নিয়ম বা ধৰণ সুকীয়া ।বিহু বুলি কলেই যেন আনন্দৰ এক ফোৱাৰা ।তাতে ব'হাগ মাহৰ ৰঙালীৰ কথাটো আৰু সুকীয়া ।অসমীয়াৰ বাপতিসাহোন ব'হাগ বিহুত আকৌ পৰম্পৰাগতভাৱে বহুবোৰ নিয়ম-নীতি ৰীতি-নীতি পালন কৰা হয় ।তাৰে ভিতৰত খাদ্যৰ লগত জড়িত বহুতো ৰীতি-নীতি জড়িত হৈ আছে ।কণীযুঁজ ব'হাগৰ অন্য এক ৰীতি ।কণীযুঁজ হ'ল ব'হাগ বিহুৰ এটা অপৰিহাৰ্য অংশ ।ব'হাগৰ বিহুত কণী নুযুঁজালে যেন বিহুটোৱে আধৰুৱা হৈ ৰ'ব ।কণীযুঁজৰ লগত প্ৰজনন ক্ষমতাৰ কথা জড়িত হৈ আছে বুলি আমাৰ অসমীয়া লোকসকলৰ জনবিশ্বাস আছে ।অসমীয়া শ্ৰমজীৱী লোকসকলৰ মনবোৰো বৰ উদাৰ ।খাদ্যৰ লগত সদাসম্পৰ্ক ৰখা অসমীয়া লোকসকলে ব'হাগৰ বিহুত আচলতে কি নাখায় বুলি প্ৰশ্নটো সুধিলেহে উপযুক্ত হ'ব ।কি নাখায় নহয় ।সকলোবোৰে খায় ।এশ একবিধ শাকপাত,সাতশাকী,আমৰলি টোপ খোৱাৰ পৰা কণীযুঁজ কৰি সেই কণী খোৱালৈকে আৰু অন্যান্য পিঠা পনাবোৰৰ কথা নকলোৱেবা, এইবোৰ নিয়মৰ ভিতৰুৱা কথা বুলি ধৰি লয় ।শৈশৱৰ বুজা নুবুজা দিনবোৰৰ পৰাই আমি কণীযুঁজ খেলিছোঁ এই কণীযুঁজখন যেন পৰম্পৰাগত খেল বুলি শৈশৱৰ জনাবুজা দিনবোৰৰ পৰাই মানি আহিছোঁ ।পৰিয়ালৰ সদস্য সকলৰ বাদেও লগ- লগৰীয়াৰ লগত কণীযুঁজ কৰি জিকা কাৰ্যটোত কিমান যে আনন্দ জড়িত হৈ আছিল সেইসময়ত সেয়া এতিয়া ভাবিলে ৰোমাঞ্চিত হৈ উঠোঁ ।'সাত বিহুৰ সৈয়া কণী' বুলি কণীৰ এক ফকৰা যোজনাও আছে ।কেতিয়াবা এনেকুৱাও হৈছিল আমি দুই তিনিবছৰে যুঁজাই একেৰাহে জিকি অহা কঠিন বুলি ভবা কণীটো সাঁচি ৰাখিছিলোঁ কেইবাবছৰলৈ। এই কাৰ্যবোৰত বহুত আন্তৰিকতাপূৰ্ণ আনন্দ জড়িত হৈ থাকে ।কণীযুঁজ সকলো ঠাইতে নহয় ।আজি ছয়বছৰ ধৰি মই নামনি অসমত বসবাস কৰি আছোহি ।এইফালে কণীযুঁজ কৰা মই সাধাৰণতে দেখা নাই ।কিন্তু উজনি অসমত কণীযুজ কৰাটো বিহুৰ এক এৰাব নোৱাৰা অংশ ।বছৰৰ পহিলা ব'হাগৰ দিনটোতে গৰু বিহু পালন কৰা হয় ।সেই দিনবোৰত আমি কণীযুঁজৰ বাবে ঘৰুৱা কণী মানে ঘৰৰ মূৰ্গী কেইজনীৰ কণীহে ব্যৱহাৰ কৰিছিলোঁ।

ব'হাগ বিহু অহাৰ সময়ত প্ৰকৃতি সলনি হয়। প্ৰকৃতিৰ স'তে ৰজিতা খাই বসন্তই বসন সলায় ।ফাগুনৰ পছোৱাই ৰুক্ষতাৰ সাজ পিন্ধাই থৈ যোৱা প্ৰকৃতিলৈ চ'ত মাহ সোমোৱাৰ লগে লগে ন কুঁহিপাতে যেন সঁজাল ধৰিবলৈ আৰম্ভ কৰে ।সৰু সৰু জোপোহা গছবোৰ এজাক, দুজাক বৰষুণতে সতেজ হৈ উঠে ।বাৰীৰ টেঙাফুলবোৰ, কঁঠালজোপা, আমজোপা, কপৌফুলজোপা, জেতুকাজোপা, তগৰ, নাহৰ, মাখিলতী, দীঘলতী, তৰাগছ কেইজোপাইও সতেজ অনুভৱত যেন ৰঙীয়াল হৈ উঠে ।ব'হাগ মাহ যেন একান্তই সিহঁতৰ নিজৰ ।দাবীদাৰ স্বত্বৰে প্ৰকৃতিত অধিকাৰ সাব্যস্ত কৰিবলৈ যেন উঠি পৰিহে লাগে ।ঠিক এনে সময়তে মানুহবোৰে কৃষি আৰম্ভণি কৰাৰ আগতে বিহু উদযাপন কৰি খাই বৈ কঁকালত টঙালি বান্ধি কৃষিকৰ্ম কৰিবলৈ সাজু হৈ উঠে ।বিহু আচলতে কৃষিৰ লগত সম্পৰ্ক থকা উৎসৱহে ।কৃষি আৰম্ভণি আৰু সামৰণিত বিহু উৎসৱ অনুষ্ঠিত কৰাটো অসমীয়া লোকৰ নিয়ম ।এই বিহুত সেয়ে গছ-লতিকাৰ পৰা খাদ্যৰ লগতে লোকবিশ্বাস জড়িত নিয়মসমূহ সুচাৰুৰূপে পালন কৰিবলৈ চেষ্টা কৰা হয়।

অসমীয়া জনজীৱনৰ জীৱন পদ্ধতিত কণীয়ে এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আহিছে ।কণীক অতি পৱিত্ৰ আৰু প্ৰজননৰ প্ৰতীক বুলি গণ্য কৰা হয় ।অস্ত্ৰিকসকলেহে প্ৰথমে কণীক প্ৰজননৰ প্ৰতীক বুলি বিশ্বাস কৰিছিল ।সেই তেতিয়াৰপৰা অসমীয়া সমাজৰ তোলনি বিয়াৰ পৰা বৰ বিয়াখনলৈকে কণীক ব্যৱহাৰ কৰা দেখা যায় ।গৰু বিহুৰ দিনাখন গৰুক গা ধুৱাই আহি কণী যুঁজ কৰাটো গ্ৰামাঞ্চলৰ এক এৰাব নোৱাৰা ৰীতি পৰম্পৰা ।তাহানি আমি শৈশৱ, কৈশোৰৰ দিনবোৰত ঘৰৰ মূৰ্গীৰ উৎপাদিত কণীৰে কণী যুঁজত অংশ লৈছিলোঁ ।পাছলৈহে বজাৰত উপলব্ধ ফাৰ্মৰ কণীৰে কণী যুঁজ কৰা দেখিছিলোঁ ।এই কণী যুঁজ কৰাটোৰ লগত প্ৰজননৰ কথা জড়িত হৈ আছে ।বংশবৃদ্ধিৰ ধাৰণাৰে কণী যুঁজ খেল পতা হয় ।এই কণী যুঁজ কেৱল অসমীয়া সমাজৰ বিহু উৎসৱৰ লগতে জড়িত এনে নহয় ।অন্য জাতি জনগোষ্ঠীৰ লোকসকলেও কণীক প্ৰজননৰ প্ৰতীক বুলি গণ্য কৰে ।আনহে নালাগে বিদেশতো কণীক প্ৰজননৰ প্ৰতীক বুলি গণ্য কৰা দেখা যায়।

শস্যশ্যামলা অসমৰ উৎপাদিকা শক্তিৰ লগত এই কণী খেলৰ মাহাত্ম আছে ।গ্ৰামাঞ্চলত ঠাইবিশেষে বিহুৰ দিনত সমজুৱাকৈ কণীযুঁজ পাতে ।ধৰিত্ৰীৰ উৰ্বৰা শক্তিৰ মনোকামনাও এই কণীযুঁজৰ সৈতে জড়িত থাকে। বসন্ত ঋতুতহে সাধাৰণতে কণীযুঁজ অনুষ্ঠিত কৰা হয় ।কণীযুঁজৰো আকৌ কিছুমান নিয়ম থাকে ।কণীটো কঠিন হ'ব নে ঢিলা হ'ব সেয়া দাঁতত টুকুৰিয়াই চাইও নিৰ্ণয় কৰিব পাৰি বা নখেৰেও টুকুৰিয়াই নিৰ্ণয় কৰা হয় ।যুঁজাবৰ বাবে আকৌ কণীবোৰৰ বিভিন্ন নাম থাকে ।যেনে শিল কণী,সৈয়া কণী,কঠিন বা টান কণী,ফুচুৰি বা ঢিলা কণী আৰু সাধাৰণ কণী ।কণী যুঁজ কেৱল মূৰ্গীৰে যে হ'ব লাগিব এনেকুৱা কথা নাথাকে ।হাঁহ বা অন্য চৰাইৰ কণীও যুঁজাব পাৰি ।আমি সেই সময়ত এনেকৈ কণী যুঁজাই জিকা কণীবোৰ আমৰলি টোপৰ লগত ভাজি খাইছিলোঁ ।সেই সময়ত এনেদৰে জিকা কণীবোৰ ভাজি খাব লাগে বুলি বিশ্বাস কৰি লৈছিলোঁ ।অৱশ্যে এনেদৰে ভাজি খালে বছৰটোৰ বাবে মানুহ নিৰোগী হৈ থাকিব পাৰি বুলি ধাৰণা কৰি লৈছিলোঁ ।গৰু বিহুৰ দিনাখন গছত বাঁহ লোৱা আমৰলি টোপ পাৰি খাইছিলোঁ ।আমৰলি পৰুৱা হাতেৰে মোহাৰি নাকেৰে শুঙিছিলোঁ ।এনে কৰিলে আকৌ বছৰটোলৈ নাকৰ 'এৰা ভঙা' ৰোগ নহয় বুলি জনবিশ্বাস জড়িত হৈ আছে।এই কামবিলাক যথেষ্ট উৎসাহ আৰু আনন্দৰে কৰিছিলোঁ।

কণী যুঁজ কৰাটোত বৰ আনন্দ জড়িত হৈ থাকে ।হৰাতকৈ জিকাৰ আনন্দ বেছি ।জিকি পোৱা কণীবৰ আকৌ ভাজি খাই আনন্দ লাভ কৰিব পৰা যায়। ব'হাগ বিহুত কণী যুঁজ কৰাটো লোকবিশ্বাসৰ কথা জড়িত হৈ আছে।

## মাৰ্ঘেৰিটাত শ্ৰীশ্ৰী ৰাম নৱমী জন্ম উৎসৱ উদ্‌যাপন

### ১০ সহস্ৰাধিক ৰাম ভক্তৰ বিশাল শোভাযাত্ৰা, লোকে লোকাৰণ্য উৎসৱৰ স্থলী

**প্ৰতিবেদক, মাৰ্ঘেৰিটাৰ**

জয় শ্ৰী ৰাম ধ্বনিয়ে মুখৰিত মাৰ্ঘেৰিটা আকাশ বতাহ। মাৰ্ঘেৰিটাৰ ডিৰক চাহ বাগিছাৰ মাজৰ সেউজীয়া বাট পথসমূহ গেৰুৱা বসনে ঢাকি পেলালে। সনাতনী হিন্দু সকলে তেওঁলোকৰ আৰধ্য ভগৱান ৰামে আজি দিনটোতে ধৰাৰ বুকুত অৱতাৰ গ্ৰহণ কৰা বুলি বিশ্বাস কৰি আহিছে। সনাতনী হিন্দু সকলে শ্ৰী শ্ৰী



ৰাম নৱমীক এক অতি পবিত্ৰ ধৰ্মীয় উৎসৱ হিচাপে গণ্য কৰি আহিছে। দেশ তথা ৰাজ্যৰ ভিন্ন প্ৰান্তৰ দৰে মাৰ্ঘেৰিটাতো হিন্দু ধৰ্মীয় লোকসকলে উলহমালহেৰে উদযাপিত কৰে শ্ৰী শ্ৰী ৰাম নৱমী উৎসৱ। বিগত বছৰসমূহৰ দৰে এইবাৰো মাৰ্ঘেৰিটা, ডিৰক, নামডাং চাহ বাগিছা আৰু লামা গাঁৱৰ হিন্দু সমাজৰ উদ্যোগত তথা মাৰ্ঘেৰিটা বাসী ৰাইজৰ সহযোগত দিনযোৰা ধৰ্মীয় কাৰ্যসূচীয়ে "শ্ৰী শ্ৰী ৰাম নৱমী জন্ম উৎসৱ" উদৰ্যাপন সমিতিৰ উদ্যোগত শ্ৰী শ্ৰী ৰাম নৱমী উৎসৱ পালন কৰা হয়। শ্ৰী শ্ৰী ৰাম নৱমী উপলক্ষে লোকে লোকাৰণ্য হৈ পৰে উদৰ্যাপন স্থলী। ৰাম নৱমীৰ উপলক্ষে ওলিওৱা ধৰ্মীয় শোভাযাত্ৰাত প্ৰায় ১০ সহস্ৰাধিক ৰাম ভক্তই অংশগ্ৰহণ কৰে।

# শুক্ৰবাৰ আৰু কিছু কথা

**জুলহাছ আলী আহমেদ**, মৰিগাঁও

শুক্ৰবাৰৰ দিনটো হৈছে ইছলাম ধৰ্মাৱলম্বী সকলৰ এটা গুৰুত্বপূৰ্ণ আৰু পৱিত্ৰ দিন। সপ্তাহৰ মুখ্য দিন, 'শুকুৰবা'ৰে মুছলমান সম্প্ৰদায়ৰ লোকে সাপ্তাহিক প্ৰাৰ্থনা কৰে অৰ্থাৎ ইছলাম ধৰ্মাৱলম্বী মুছলমান সকল একগোট হৈ সমূহীয়া জুম্মাৰ নামাজ পঢ়ে। এই দিনটোত মুছলমান সকলে গা ধুই পৰিষ্কাৰ কাপোৰ পৰিধান কৰাৰ লগতে সুগন্ধি-সুৰভি ব্যৱহাৰ কৰে। তদুপৰি শুক্ৰবাৰৰ এই বিশেষ দিনটোত মুছলমান সকলে চিন্নি, ক্ষীৰ, হালুৱা, খিচুড়ি মিষ্টান্নবিশেষ খাদ্য ব্যঞ্জন প্ৰস্তু কৰি বিভিন্নজনৰ মাজত বিতৰণ কৰাৰ লগতে মছজিদতো প্ৰদান কৰে। উল্লেখ্য যে, ইছলামৰ দৃষ্টিত বৃহস্পতিবাৰ দিনগৈ ৰাতি আৰু শুক্ৰবাৰৰ পৱিত্ৰ জুম্মাৰ দিনটো অত্যন্ত মৰ্যদাপূৰ্ণ, কল্যাণকৰ, মঙ্গলদায়ক আৰু মহিমামণ্ডিত হোৱাৰ লগতে শুকুৰবাৰৰ সাপ্তাহিক প্ৰাৰ্থনাৰ দিনটোক মুছলমানৰ বাবে ঈদৰ দিন আৰু দুখীয়া সকলৰ বাবে হজ্বৰ দিন বুলিও কোৱা হয় অৰ্থাৎ শুকুৰবাৰৰ পুৰস্কাৰ আৰু মৰ্যাদা ঈদ-উল-ফিতৰ আৰু ঈদ-উল-আজহাৰ দৰেই। এই দিনটোতে ইছলামিক ইতিহাসত অনেকো অলৌকিক আৰু ডাঙৰ ডাঙৰ ঘটনা সংঘটিত হৈছে।

শুক্ৰবৰ অৰ্থাৎ জুম্মাৰ দিনটো আল্লাহৰ ওচৰত ইমানেই গুৰুত্ব যে মহান আল্লাহে পৱিত্ৰ ক্বোৰআনত 'জুম্মা' নামৰ এখন সুকীয়া চুৰা অৱতীৰ্ণ হৈছে। আল্লাহু তাআলাই পৱিত্ৰ কোৰআন শ্বৰীফত কৈছে যে, হে মুমিনসকল! শুকুৰবাৰে যেতিয়া নামাজৰ বাবে আহ্বান কৰা হয়, তেতিয়া আল্লাহৰ স্মৃতিত (মছজিদলৈ) আগবাঢ়ক আৰু ক্ৰয়-বিক্ৰয় (সকলো পাৰ্থিৱ কাম-কাজ) ত্যাগ কৰক। এইটো আপোনাৰ বাবে কল্যাণকৰ; যদিহে আপুনি জানিলেহেতেঁন।) (ছুৰা জুমা- ০৯)

আনহাতে এই সংক্ৰান্তত মহাপুৰুষ হজৰত মহম্মদ (ছঃ)য়ে এটা হাদীছত কৈছে যে, মুমিনৰ বাবে শুকুৰবাৰৰ দিনটো হৈ সাপ্তাহিক ঈদৰ দিন (ইবনে মাজাহ, হাদীছ নম্বৰ ১০৯৮)। আন এটা হাদীছ শ্বৰীফত মহা নবী হজৰত মহম্মদ (ছঃ)য়ে উল্লেখ কৰিছে যে, সূৰ্য্য উদয় হোৱা দিনবোৰৰ ভিতৰত শুকুৰবাৰৰ দিনটো অতি উত্তম, কাৰণ- সেইদিনা আদি পিতা প্ৰথম মানৱ হজৰত আদম (আঃ)ৰ সৃষ্টি হৈছিল। একেদিনাই তেওঁক জান্নাত বা স্বৰ্গত প্ৰবেশ কৰোৱা হয় আৰু সেইদিনাই তেওঁক বিশেষ কাৰণত জান্নাতৰ পৰা বহিষ্কাৰ কৰা হয়। তদুপৰি সেইদিনা অৰ্থাৎ শুক্ৰবাৰৰ দিনাই স্বৰ্গীয় দূত ইছৰাফিল (আঃ)য়ে তেওঁৰ শিং বজোৱাৰ লগে লগে কিয়ামাত হ'ব অৰ্থাৎ বিশ্বজগৎ ধ্বংস হ'ব। (মুছলিম শ্বৰীফ, হাদীছ নং ৮৫৪) ইফালে সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ মহামানৱ হজৰত মহম্মদ (ছঃ)য়ে উল্লেখ কৰি কৈছে যে, এটা সময় আছে যেতিয়া জুম্মাৰ নামাজত অংশগ্ৰহণ কৰা হয়, যদি কোনো মুছলমানে সেই সময় পায় আৰু যদি তেওঁ নামাজত থাকে তেন্তে মহান আল্লাহে তেওঁৰ প্ৰতিটো শুভকামনা পূৰণ কৰে। (বুখাৰী, হাদীছ নম্বৰ ৬৪০০)

পয়গম্বৰ হজৰত মহম্মদ (ছঃ)য়ে আৰু কৈছে যে, "শুক্ৰবাৰে অৰ্থাৎ জুম্মাৰ দিনা মোৰ ওপৰত অধিক দৰুদ পঢ়ক, কাৰণ আপুনি যি দৰুদ পাঠ কৰিব সেইবোৰ মোৰ সন্মুখত উপস্থাপন কৰা হয়।" (আবু দাউদ, হাদীছ নম্বৰ ১০৪৭)। এই সংক্ৰান্তত তিৰমিজী শ্বৰীফৰ হাদীছ যোগে জানিব পৰা যায় যে, দুৰুদ পঢ়া ব্যক্তিজনৰ ওপৰত আল্লাহে ১০ টা ৰহম পঠাব। গতিকে শুকুৰবাৰৰ দিনটোত আন আন ইবাদৎ-বন্দেগী, প্ৰাৰ্থনা-আৰাধনা কৰাৰ লগতে অধিকতৰ দাৰুদ আবৃত্তি কৰা উচিত।

সেয়ে শুক্ৰবৰীয়া জুম্মাৰ নামাজৰ গুৰুত্ব আৰু তাৎপৰ্য বিবেচনা কৰি প্ৰতিজন মুছলমানে এই দিনটোত বেছি বেছিকৈ ধৰ্ম কাৰ্য কৰাৰ লগতে এই পৱিত্ৰ দিনটোৰ পৰাই বেয়াক বৰ্জন, ভালক আকোঁৱালি লোৱাৰ সংকল্প ল'ব লাগে। তদুপৰি দেশৰ একতা, শান্তি আৰু প্ৰগতিৰ বাবে ঈশ্বৰ-আল্লাহৰ ওচৰত দোৱা-আৰাধনা কৰি বিশ্বশান্তি কামনা কৰাটো দৰকাৰ। মহান আল্লাহে যেন আমি সকলোকে সেই তৌফিক বা শক্তি দিয়ে, আমীন।

*ম'বাইলঃ ৯৭০৬৬-৬৬১৯২*

# আদৰৰ ৰঙালী

**প্ৰাণ প্ৰতিমা বড়া**, গুৱাহাটী

"হেৰি শুনিছেনে ! কিনো মন বেয়া কৰি বহি আছে ?"

"একো হোৱা নাই অ'।"

"আপুনি কিবা এটা ভাবি আছে । ইমান বছৰেনো আপোনাক চিনি নেপাওঁ নে মই ?"

" হয় অ ——— আমাৰ বাপতিসাহোন ৰঙালী বিহুটো আহি পালেহিয়েই দেখোন । চোৱাচোন সময়ৰ কি আমূল পৰিবৰ্তন ! আমাৰ দিনবোৰ কিমান মধুৰ আছিল নহয়নে ?"

" হয় আকৌ , নহবনো কিয় ! আপুনি কম চেনি আছিল নে ———হা ——হা————আমাৰ গাঁৱৰ একেবাৰে কৃষ্ণজন।"

"কিযে কথা কোৱা আৰু তুমি ? মনে মনে থাকা হে।"

"এহহহ কিয়নো মনে মনে থাকিম বাৰু ! বয়স বাঢ়া অহাৰ লগে-লগে দেখোন মনৰ উৎসাহবোৰো কমি আহিছে। আগৰ দিনৰ কথাবোৰ ভাবিলে মনটো হেঁপাহত একেবাৰে ভৰি পৰে জানেনে ?"

"তাকেইতো , কথাটো তুমি ঠিকেই কৈছা । আগৰ কথাবোৰ ভাবিলে মনত প্ৰশস্তি বাঢ়ে ।"

"আপুনি সেইদিনা বৰ বুদ্ধি কৰি মোক পলুৱাই আনিলে দেই ।এতিয়া কথাবোৰ ভাবিলে হাঁহিয়েই উঠে । আমাৰ গাঁৱৰ বিহুদলটো বিহু মাৰিবলৈ যাওঁতে মোকনো কিহে পাইছিল বাৰু আপোনাৰ চাইকেলত উঠিবলৈ । উঠিলোঁয়েই যেনিবা আপুনি একেবাৰে মোক সোণতলী ছিগা গাঁৱৰ ধনটিদাইৰ ঘৰ পোৱালেগৈ একেবাৰে । বৰ আচৰিত মানুহ দেই আপুনি ।"

" কিনো বেয়া কামটো কৰিলোঁ ! মই সেইদিনা পলুৱাই নিনিয়া হ'লে তোমাৰ দেউতাৰে ৰিফাইনেৰীত চাকৰি কৰা প্ৰবাললৈ বিয়া দি দিলেহেঁতেন তোমাক। আমাৰ আশাবোৰ নিৰাশাত পৰিণত হ'লহেঁতেন!"।

" সেইদিনাখন দুয়োটাই কমখন ভয় খাইছিলোঁ নে বাৰু?"

" বাৰু সেইদিনাৰ কথা ভাবি মন বেয়া কৰিব নালাগে। মই বেলেগ কথা এটাহে ভাবি আছোঁ।"

" কি ভাবিছে কওঁকচোন ?"

"এইবাৰ বাপতিসাহোন ৰঙালী বিহুটো উদযাপন কৰিব পৰাহেঁতেন ? কংক্ৰিটৰ মহানগৰীত আমাৰ আশে-পাশে বিভিন্ন জনগোষ্ঠীৰ লোকৰ বসতি । বিহুৰ হেঁপাহ কাৰোৰেই নাই । সেয়ে আজি অত'দিনে আমি এনেদৰে দিন পাৰ কৰিছোঁ ।গাওঁখনত আই-পিতাই , ভাই-ককাই , আমাৰ সমনীয়াবোৰ নোহোৱা হোৱাৰেপৰা গাঁৱলৈ যাবলৈও মন নোযোৱা হ'ল ।"

" অ কথা সেইতোহে তাৰমানে । আপুনি মোৰ ওপৰত বিশ্বাস ৰাখক । আপোনাৰ এই ৰচকী মইজনীয়ে আমাৰ ইয়াতে এইবছৰ বিহু পাতিম । বিভিন্ন জনগোষ্ঠীৰ লোক হলেও আমি সকলো অসমীয়া । আমাৰ ওচৰৰ মহিলাসকলৰ লগত মোৰ ভাল সম্পৰ্ক আছে । গতিকে আজিৰেপৰাই আমাৰ মিচন আৰম্ভ কৰিম। মুঠতে চাই থাকক আপুনি আমি এইবাৰ বিহু পাতিমেই পাতিম ।"

" সঁচাকৈয়ে কৈছা ?"

"১০০ শতাংশ ই সঁচা । আপোনাৰ ৰচকীৰ মুখৰ কথা অথলে নাযায় । কৈ থ'লোঁ কিন্তু । এইবাৰ বহাগ বিহু পাতিমেই পাতিম । হুঁচৰি দল যোগাৰ কৰিব নোৱাৰিলেও আপুনি পুৰণা ঢোলটোত হাত বুলাব আৰু মই ৰচকীয়ে কঁকাল ঘূৰাই ৰাইজক দেখুৱাম ।"

*ফোন ঃ ৭৩৯৯৯২৪৬৫৮*

# বিহু অসমৰ কৃষিভিত্তিক জাতীয় উৎসৱ

**পৱিত্ৰ কুমাৰ পাংগিং**, ঢকুৱাখনা

বিহু মানেই হৈছে অসমৰ কৃষিভিত্তিক জাতীয় উৎসৱ। অসমীয়া জাতিৰ প্ৰাণৰ স্পন্দন, হিয়াৰ আমঠু। বিহু অসমীয়া সমাজৰ কৃষ্টি সংস্কৃতিৰ সুকীয়া পৰিচয় আৰু অসমীয়া জাতিৰ দাপোনস্বৰূপ, বাপতি সাহোন। বিহুৰ আগমনে প্ৰকৃতি ৰাণীক যৌৱনদ্দীপ্ত কৰি তোলাৰ উপৰি প্ৰত্যেকজন অসমীয়াৰ হৃদয়ত বুজাব নোৱাৰা আনন্দৰ জোৱাৰে ঢৌ তোলে। যাৰ পৰিপ্ৰেক্ষিতত অসমৰ আকাশে-বতাহে, নদ-নদীয়ে, হাবিয়ে-বননিয়ে, পাহাৰে-ভৈয়ামে, গাঁৱে-ভুঞে এক উৎসৱমূখৰ পৰিৱেশে মুখৰিত কৰি তোলে আৰু যাৰ জৰিয়তে প্ৰেম, ভাতৃত্ববোধ, শান্তি আৰু একতাৰ ভাৱ জগাই তুলিব পাৰি এয়াই হৈছে অসমীয়া সমাজৰ অতিকৈ আদৰৰ অতিকৈ চেনেহৰ বিহু। ইয়াতে বিহুসুৰীয়া কথাৰে ক'ব পাৰি। যেনে- "বিহু আনন্দীয়া বিহু বিনন্দীয়াঘ বিহুটি অসমৰ প্ৰাণ;য এনুৱা বিহুটি এৰিব লাগিলে নাথাকে অসমৰ মান।" বৃহত্তৰ অসমীয়া জাতি গঠন আৰু একতাবোধ জগাই তোলাৰ ক্ষেত্ৰত বিহুৰ যি ভূমিকা এয়া সঁচাকৈ অতুলনীয়। অসমৰ কৃষিজীৱি মানুহৰ উৰ্ব্বৰা বিশ্বাসৰ ভেটিতেই ঘাইকৈ তিনিটা বিহু পালিত হোৱা দেখা যায়। অৱশ্যে তিনিটি বিহুক বছৰৰ বেলেগ বেলেগ ঋতুত পালন কৰা দেখা যায়। কৃষকে কৃষি কৰ্ম আৰম্ভ কৰাৰ মুহূৰ্তত অৰ্থাৎ চত-বহাগত পালন কৰা হয় অতিকৈ আদৰৰ অতিকৈ চেনেহৰ বহাগ বিহু বা ৰঙালী বিহু। দ্বিতীয়তে কৃষকৰ খেতিয়ে ঠন ধৰি উঠাৰ সময়ত নানান কীটপতঙ্গ আৰু অপদেৱতাৰ পৰা ৰক্ষা কৰি অধিক শস্য উৎপাদনৰ কামনাৰে পথাৰত বন্তি জ্বলাই আৰু অসমীয়া সমাজৰ প্ৰতিখন ঘৰতে তুলসীৰ তলত চাকি গছি জ্বলাই কাতি মাহৰ সংক্ৰান্তিত কাতি বিহু পালন কৰা পৰম্পৰা অতীজৰে পৰা চলি আহিছে। তৃতীয়তে পুহ-মাঘ মাহৰ সংক্ৰান্তিত কৃষকৰ সোণগুটি পূৰঠ হৈ ভৰাঁলত গোটাই পেটৰ ভোগ গুচোৱাৰ পৰম্পৰাৰে হেঁপাহৰ মাঘ বিহু বা ভোগালী বিহুটি পালন কৰা হয়। উক্ত তিনিটি বিহু কৃষকৰ কৃষি কৰ্মৰ লগত সংগতি ৰাখিয়ে উৎযাপন কৰা দেখা যায়।

বিহু যে কৃষিভিত্তিক জাতীয় উৎসৱ এই কথা সকলোৱে জানে। অসমৰ সকলো জাতি বৰ্ণ নিৰ্বিশেষে স্বকীয় বৈশিষ্ট্যৰে বিহু উদযাপন কৰে। অসমৰ বড়ো, মিচিং, তিবা, ৰাভা, দেউৰী, সোনোৱাল কছাৰী, ডিমাছা,



আদি খিলঞ্জীয়া জনগোষ্ঠী সমূহৰ মাজতো নিজা নিজা সাজপাৰ পৰিধান কৰি স্বকীয় বৈশিষ্ট্যৰে উলহ-মালহেৰে 'বিহু' উৎসৱ পালন কৰা দেখা যায়। বিহু যে কৃষিভিত্তিক উৎসৱ সেই সম্পৰ্কত দিলীপ কুমাৰ ভট্টাচাৰ্য দেৱৰ চিন্তাটো প্ৰতিফলিত হৈছে। তেওঁ কৈছিল- "কৃষিজীৱি জনগণে মাটিৰ উৰ্ব্বৰতা বৃদ্ধি, অধিক শস্য উৎপাদনৰ কামনাৰে নৃত্যগীতৰ আয়োজন কৰিছিল, শস্য প্ৰাপ্তিয়েও তেওঁলোকক তৃপ্তি দান কৰিছিল। আনন্দত আত্মহাৰা হৈ নৃত্যগীত কৰিছিল। সময়ত তেনে অনুষ্ঠানবোৰৰ বিকাশ ঘটিল আৰু উৎসৱলৈ ৰূপান্তৰিত হ'ল। বিহুৰো উৎপত্তিৰ কাহিনী এইদৰেই আৰম্ভ হ'ল।" নলিনীধৰ ভট্টাচাৰ্যৰ মতে- " বিহু উৎসৱৰ ঘাই লক্ষ্য আছিল পৃথিৱীক শস্যগৰ্ভা কৰা। বিহুৰ এটি লেখত ল'বলগীয়া ঐতিহ্য এই যে বিহুত আমি কোনো সাম্প্ৰদায়িকতা বা ধৰ্মীয় গোড়ামীৰ স্থান দেখিবলৈ নাপাওঁ।" গ্ৰাম্য সমাজক বাদ দি বিহু যে পূৰ্ণতা নাপাই এই কথা বিশিষ্ট লোক-কলাৰ সাধক হেমাংগ বিশ্বাসৰ চিন্তাটো প্ৰত্যক্ষ কৰা যায়। তেওঁ কৈছিল- "অসমৰ ৰজা মহা ৰজাসকলৰ সুদীৰ্ঘ ইতিহাস লিপিৱদ্ধ হৈছে বুৰঞ্জীত। আনহাতে অসমৰ গঞা জীৱনৰ কৃষি সমাজৰ বিভিন্ন অলিখিত ইতিহাস সিঁচৰতি হৈ আছে বিহু সংগীতত। তেখেতে আৰু এখোজ আগুৱাই কৈছে এনেদৰে- যি নাই বিহু গীতত সি নাই অসমত; যি নাই অসমত সি নাই বিহু গীতত।" উক্ত মতসমূহৰ পৰাই নিশ্চিত বাবে ক'ব পাৰি যে বিহু কৃষিভিত্তিক জাতীয় উৎসৱ। অৱশ্যে অসমীয়া বিহুগীত, বিহু নৃত্য আদিত কৃষি কাৰ্য্যত জড়িত ভংগীমা আৰু চহা অসমীয়া কৃষিজীৱি সমাজৰ পূৰ্ণাঙ্গ এখন প্ৰতিচ্ছবিয়ে প্ৰতিনিধিত্ব কৰিছে। হালবোৱাৰ পৰা আৰম্ভ কৰি কঠীয়া তুলা, ভুইৰোৱা, ধান কটা আদি প্ৰতিচ্ছবি প্ৰতিফলিত হোৱা দেখা যায়। মুঠৰ ওপৰত বিহু যে কৃষিভিত্তিক জাতীয় উৎসৱ আৰু বৃহত্তৰ অসমীয়া জাতি গঠনৰ চাবি-কাঠি এই কথা নি:সন্দেহে স্বীকাৰ কৰিব লাগিব।

তাহানিতে চহা অসমীয়া সমাজৰ উৰ্ব্বৰা বিশ্বাসৰ ভেটিত অংকুৰিত হোৱা বিহু আজি গাঁৱৰ পৰা চহৰলৈ, চহৰৰ পৰা নগৰলৈ আৰু দেশৰ পৰা বিদেশলৈ বিস্তাৰিত হোৱা পৰিলক্ষিত হৈছে। সম্প্ৰতি অসমৰ বিহু অসমৰ গাঁও, চহৰতে আৱদ্ধ নাথাকি বিশ্ব দৰবাৰত প্ৰতিষ্ঠাৰ দিশে অগ্ৰসৰ হোৱাটো অসমীয়া সমাজৰ প্ৰত্যেকজন লোকৰ বাবে এক গৌৰৱৰ কথা। পিছে পৰিৱৰ্তনমুখী সময়ৰ সোঁতেতেই হওক বা সমাজ-জীৱনৰ পৰিৱৰ্তনশীল জীৱনধাৰাৰ ফলশ্ৰুতিতেই হওক পৰম্পৰাগত বাবে চলি অহা বিহুৰ ৰীতি-নীতি কিছু সাল-সলনি হোৱাটো স্বাভাৱিক। যদিও পৰিৱৰ্তনৰ মানসিকতাৰে বিহুক সম্পূৰ্ণৰূপে পাশ্চাত্যকৰণ কৰাৰ প্ৰচেষ্টাই কিমান প্ৰসংশনীয় এয়াও বিচাৰ্য্যৰ বিষয়। বিহু কৃষি সমাজত প্ৰসৱ হৈ বৰ্তমান চহৰ নগৰৰ মঞ্চত থিতাপি লোৱা দেখা গৈছে আৰু গাঁও অঞ্চলসমূহটো মঞ্চ অবিহনে বিহু পালন কৰা পৰম্পৰা নাইকিয়া হৈছে । বিহু মঞ্চত উঠাৰ লগে লগেই অঞ্চলভেদে কমিটি গঠন কৰি বিহু উদযাপন কৰাৰ নামত ৰাস্তাই-ঘাটে, যান-বাহন ৰখাই চান্দা সংগ্ৰহ কৰি যাতায়াতিক আমনি কৰাও দেখা যায়। আকৌ কোনো কোনোৱে বিহুক এক বৃহৎ ব্যৱসায়ৰ মঞ্চ হিচাপে গঢ়ি তোলাৰ অপ্ৰচেষ্টাও কৰা যেন অনুমান হয়। এনেবোৰ কাৰ্য্যই বিহুক কোন দিশে গতি কৰাত অৰিহণা যোগাইছে? এয়া প্ৰত্যেকজন অসমীয়াই বিচাৰ কৰাৰ প্ৰয়োজনীয়তা অনুভৱ কৰোঁ। বিহুক বিহু হিচাপে জীয়াই ৰাখি বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাটো প্ৰত্যেকজন অসমৰ অসমীয়াৰ দায়িত্ব আৰু কৰ্তব্য। অন্যথা বিহুক যে কমিটি বা মঞ্চৰ পিঞ্জৰাত সুৰক্ষিত কৰি ৰাখিব পাৰিব এয়া সন্দেহৰ অৱকাশ থাকি যাব।

*ফোন ঃ ৯১০১৮-১৭৮-১৬*

# অসম সাহিত্য সভাৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত

## ডিব্ৰুগড়ৰ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াক আন্তঃৰাজ্যিক আৰু বিদেশ মৈত্ৰীবন্ধন উপ-সমিতিৰ আহ্বায়ক নিযুক্তি

**প্ৰতিবেদক, কানৈ**

ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানব' সূৰজমল কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ, ডিব্ৰুগড় সাহিত্য সভাৰ প্ৰাক্তন



সভাপতি, অসম সাহিত্য সভাৰ আজীৱন সদস্য, ৰাষ্ট্ৰসংঘৰ উত্তৰ-পূব সম্পদ কেন্দ্ৰৰ সমন্বয়ক, পেনেলিষ্ট, বিশিষ্ট স্তম্ভ লেখক আৰু নিৰন্তৰ ভাষা- সাহিত্য- সংস্কৃতিৰ সাধক ড° শশীকান্ত শইএকীয়াক অসমৰ জাতীয় অনুষ্ঠান অসম সাহিত্য সভাৰ আন্তঃৰাজ্যিক আৰু বিদেশ মৈত্ৰীবন্ধন উপ-সমিতিৰ আহ্বায়ক হিচাপে নিযুক্তি প্ৰদান কৰে। অসম সাহিত্য সভাৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যনিৰ্বাহক সদস্যৰূপে ইতিমধ্যে মনোনীত হোৱা শইককীয়াক অসম সাহিত্য সভাই এনেদৰে গুৰুত্বপূৰ্ণ পদত মনোনীত কৰাত ডিব্ৰুগড় সাহিত্য সভাকে ধৰি কানৈ মহাবিদ্যালয়ত আনন্দৰ ঢৌ উঠে । উল্লেখ্য যে ২ পৃষ্ঠাত

সাপ্তাহিক
আধুনিক অসম

প্ৰথম পৃষ্ঠাৰ পৰা

## বিশ্বনাথত সঁৰিয়হ ক্ৰয় কেন্দ্ৰত সৰিয়হ ক্ৰয়ৰ শুভাৰম্ভণি কৰিলে মন্ত্ৰী কৌশিক ৰয়ে

কুইন্টলত ৫০০ টকাকৈ অতিৰিক্ত সমৰ্থন মূল্যত মুঠ ন্যূনতম সমৰ্থন মূল্য ৬,৪৫০ টকাত ক্ৰয় প্ৰক্ৰিয়াৰ আজি এই অনুষ্ঠানতে আৰম্ভণি কৰা হয়। ইয়াৰ লগত সংগতি ৰাখি জিলাখনৰ ৮ জন প্ৰগতিশীল কৃষক ক্ৰমে মুকুল হাজৰিকা, বিতুমনি শইকীয়া, তপন বৰা, ৰাজু দাহাল, জীৱন চাহানী, দীপাংকৰ বৰা, হেমন্ত লাহন আৰু পুস্পা দাহালক অসম চৰকাৰৰ এই ৰাজ সাহায্য ( টপ আপ) আঁচনি লাভ কৰাৰ বাবে সম্বৰ্ধনা জনোৱা হয়। উক্ত অনুষ্ঠানত উপস্থিত থাকে ARIAS ৰ ৰাজ্যিক পৰামৰ্শদাতা দেৱজিৎ নেওগ, জিলা কৃষি বিষয়া বাণেশ্বৰ বে' ,পৰিচালক সঞ্চালক, অসম খাদ্য আৰু যোগান নিগম পৰিসীমিতৰ বিষয়া ভূপেন বৈশ্য, জয়ন্ত বৰুৱা, বিপুল শইকীয়া আৰু বিশ্বনাথ প্ৰশাসনৰ সহকাৰী আয়ুক্ত বিচিত্ৰা দাস। বিশ্বনাথ মহকুমাৰ কৃষি বিষয়া প্ৰদীপ তালুকদাৰ, জ্যেষ্ঠ কৃষি উন্নয়ন বিষয়া আৰু নডেল বিষয়া ( ধান আৰু সৰিয়হ ক্ৰয়) মানস প্ৰতীম দাস, সংশ্লিষ্ট বিভাগৰ বিষয়া কৰ্মচাৰী সকলৰ লগতে সৰিয়হ ক্ৰয় কেন্দ্ৰটোৰ তত্ত্বাৱধায়ক মঞ্জিত ভূঞাসহ বহুকেইজন কৃষকে এই অনুষ্ঠানত অংশগ্ৰহণ কৰে।

## কলগাছিয়াত ৱাকফ বিলৰ বিৰুদ্ধে আমছুৰ উত্তাল প্ৰতিবাদ

মুছলমানসকলৰ সম্পত্তি চৰকাৰে অধিগ্ৰহণ কৰাৰ উদ্দেশ্যে ৱাকফ সংশোধনী বিল লোকসভাত গৃহীত কৰাৰ পিছত জাঙুৰ খাই উঠিছে সমগ্ৰ মুছলমান সমাজ। ফলত ৱাকফ সংশোধনী বিলৰ বিৰোধিতা কৰি অলপতে কলগাছিয়া চাৰিআলি চকত সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন চমুকৈ আমছুৱে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। আমছুৰ কৰ্মকৰ্তা সকলে ৱাকফ সংশোধনী বিলখন দাহ কৰাৰ লগতে মুখত ক'লা বেজ পৰিধান কৰি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰী সকলে ৱাকফ বিল নামানো, বিজেপি চৰকাৰ হায় হায়, কেন্দ্ৰীয় চৰকাৰ হায় হায় আদি শ্লোগানেৰে কলগাছিয়াৰ আকাশ বতাহ কপাঁই তোলে। বিধেয়ক খন অতি শীঘ্ৰে বাতিল নকৰিলে দেশ ব্যাপী তীব্ৰ গণ আন্দোলন গঢ়ি তুলিব বুলি হুংকাৰ প্ৰদান কৰিছে কলগাছিয়া জিলা আমছুৰ নেতা কৰ্মী সকলে।

## হাতীগাঁৱত দি হাৰ্টৰ স্বাস্থ্য পৰীক্ষা আৰু সজাগতা শিবিৰ

পৰীক্ষাৰ লগতে স্বাস্থ্য সজাগতা শিবিৰ অনুষ্ঠিত হয়। পুৰা দহ বজাৰ পৰা আৰম্ভ হোৱা শিবিৰটো সমগ্ৰ দিন ধৰি চলি থাকে। শিবিৰত হৃদৰোগ বিশেষজ্ঞ চিকিৎসক তথা দি হাৰ্ট''ৰ সভাপতি ডাঃ চন্দন মোদক, চকু নাক কাণ ডিঙি আৰু কৰ্কট ৰোগ বিশেষজ্ঞ চিকিৎসক ডাঃ বি,চি ৰায় আৰু ডাঃ আমিৰ ডি ছাংমাই শতাধিক লোকৰ স্বাস্থ্য পৰীক্ষা কৰি বিনামূলীয়া ঔষধৰ যোগান ধৰে। চিকিৎসা সেৱাৰ পূৰ্বে প্ৰয়োজন অনুসৰি লোক সকলৰ লিভাৰৰ ফাইব্ৰস্কেন, ইচিজি, ৰক্তচাপ, ছুগাৰ, লিপিড প্ৰফাইল আদিও বিনামূলীয়াকৈ পৰীক্ষা কৰা হয়। একাংশ যুৱক যুৱতীক শিবিৰত বিএলএছ আৰু চিপিআৰৰ প্ৰশিক্ষণ প্ৰদান কৰা হয়। অনুষ্ঠানত স্বাস্থ্য সচেতনতাৰ ওপৰত উপস্থিত লোক সকলৰ মাজত বিশেষ ভাবে আলোচনা কৰা হয়।

## অতিৰিক্ত ঠিকাভিত্তিক শিক্ষকৰ পৰিয়ালবৰ্গক এককালীন সাহায্য...

মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত এক অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ উপস্থিতিত কৰ্তব্যৰত অৱস্থাত মৃত্যুবৰণ কৰা অতিৰিক্ত ঠিকাভিত্তিক শিক্ষকৰ পৰিয়ালবৰ্গক পাঁচ লাখ টকাকৈ এককালিন সাহায্য প্ৰদান কৰা হয়। ইয়াৰ উপৰিও একে অনুষ্ঠানতে ৰাজ্য চৰকাৰৰ নিজ পুঁজিৰে মেধাৱী শিক্ষাৰ্থীসকলক ভৱিষ্যত দিনত সুচাৰুৰূপে তেওঁলোকৰ শিক্ষা জীৱনত আগবঢ়াই লৈ যোৱাৰ বাবে ৰাজ্য চৰকাৰৰ নিজ পুঁজিৰে শিক্ষা বিভাগে গ্ৰহণ কৰা আৰোহণ আঁচনিৰ অধীনত সমগ্ৰ শিক্ষা কামৰূপ মহানগৰৰ অধীনস্থ ১১৬ গৰাকী মেধাৱী শিক্ষাৰ্থীক টেবলেট প্ৰদান কৰা হয়। উক্ত অনুষ্ঠানত শিক্ষামন্ত্ৰীগৰাকীয়ে তেওঁৰ ভাষণ প্ৰসঙ্গত প্ৰথমে প্ৰতিগৰাকী মৃত শিক্ষকসকললৈ শ্ৰদ্ধাঞ্জলি নিবেদন কৰি আৰোহণ আঁচনিৰ অধীনত টেবলেট পাবলগীয়া শিক্ষাৰ্থিসকলক অভিনন্দন জ্ঞাপন কৰে। মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে বৰ্তমান যুগ হৈছে তথ্য আৰু প্ৰযুক্তিৰ যুগ। ইয়াৰে প্ৰতি লক্ষ্য ৰাখি শিক্ষাৰ্থীসকলক তেওঁলোকৰ শৈক্ষিক দিশত প্ৰযুক্তিৰ সহায়ত আগুৱাই নিয়াৰ বাবে এই টেবলেটে প্ৰদান কৰা হোৱা বুলি মন্ত্ৰীগৰাকীয়ে কয়। আমাৰ ৰাজ্যখন বিভিন্ন ভাষা, জাতি, জনজাতিৰে সমৃদ্ধ আৰু এইক্ষেত্ৰত শিক্ষামন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে বৰ্তমান শিক্ষা বিভাগে আমাৰ ছাত্ৰ-ছাত্ৰীসকলক মাতৃভাষাত শিক্ষাদান কৰাৰ ক্ষেত্ৰত বিভিন্ন উদ্যোগ লৈ আহিছে আৰু ইয়াৰ এক অন্যতম উদাহৰণ হৈছে যে আজিৰে পৰা ৰাজ্যখনৰ এঘাৰখন জিলাত দুশখন বিদ্যালয়ত মিচিং ভাষাত শিক্ষাদানৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। তেওঁ লগতে জানিবলৈ দিয়ে যে ইতিমধ্যে বিভাগে ১০৬ খন বিদ্যালয়ত ৰাভা আৰু ২৮ খন বিদ্যালয়ত দেউৰী ভাষাত শিক্ষাদানৰ প্ৰক্ৰিয়াৰ বাবে যাৱতীয় অনুমতি প্ৰদান কৰিছে। উল্লেখযোগ্য যে এই ধৰণৰ পদক্ষেপ সমূহে বৰ্তমান প্ৰচলিত শিক্ষাদানৰ ৯ টা মাধ্যমৰ পৰা ১৪ টা লৈ শিক্ষাবিভাগ অগ্ৰসৰ হোৱা বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। আজিৰ এই অনুষ্ঠানত মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ সঞ্চালিকা মমতা হোজাই, কামৰূপ মহানগৰ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক দীপিকা চৌধুৰীও উপস্থিত থাকে।

## বৰনদীৰ পাৰত হালধাৰ পৰা বানীয়া চুপালৈ নতুন বান্ধ নিৰ্মাণৰ শুভাৰম্ভ...

টকা ধাৰ্য কৰা হৈছে । উল্লেখযোগ্য যে মন্ত্ৰীগৰাকীয়ে অঞ্চলিক সংযোগ আৰু পৰিবহণ উন্নয়ন লক্ষ্যে একাধিক পথ উন্নয়ন প্ৰকল্প উদ্বোধন কৰে। এই পথসমূহ ২০২৫-২৬ বৰ্ষৰ বাবে নাবাৰ্ডৰ আৰ.আই.ডি.এফ ৰ অধীনত এম.এম.পি.পি.এন.এ. আঁচনিত অন্তৰ্ভুক্ত। ইয়াৰ অধীনত ১.০০ কিঃমিঃ দৈৰ্ঘ্যৰ বাতান কলিতা সুৱাৰী পথ নিৰ্মাণৰ বাবে ৭১.৫০ লাখ টকা ধাৰ্য ধৰা হৈছে। লগতে ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে জি.ডব্লিউ.চি. পথ (এস.ও.পি.ডি-জি) আঁচনিৰ অধীনত একাধিক পথ নিৰ্মাণৰ পৰিকল্পনা গ্ৰহণ কৰা হৈছে। ইয়াৰ ভিতৰত হালধা সহান মালীবাৰী পথ, শ্যাম ৰায় নামঘৰৰ পৰা ডুমুনিচৌকি এল.পি. স্কুল সংযোগী পথ, কৰৱা বাতান পথ, আৰু মালীবাৰী অৰ্জুনতলৰ পৰা হিন্দুমজালি নদীপাৰ সংযোগী পথ অন্তৰ্ভুক্ত। এই সমগ্ৰ পথ উন্নয়ন প্ৰকল্পসমূহৰ আনুমানিক ব্যয় ৬৪.০৯ লাখ টকা ধাৰ্য কৰা হৈছে। উত্তৰ কামৰূপ অঞ্চলিক পথ বিভাগে তত্ত্বাৱধান কৰা এই পথ উন্নয়নমূলক পদক্ষেপসমূহ অঞ্চলটোৰ জনসাধাৰণৰ বাবে অধিক সুবিধাজনক হৈ উঠিব আৰু আঞ্চলিক উন্নয়ন ত্বৰান্বিত কৰিব। হালধাত অনুষ্ঠিত এক জনসভাত ভাষণ দিয়াৰ সময়ত মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসম বিভিন্ন ক্ষেত্ৰত দ্ৰুতগতিত উন্নয়নৰ পথত আগুৱাই গৈ আছে। তেওঁ অতীত চৰকাৰসমূহৰ প্ৰশাসনিক নীতিৰ সৈতে বৰ্তমান চৰকাৰৰ তুলনা কৰি কয় যে পূৰ্বৰ চৰকাৰসমূহে জনগণক অধিকাৰসমূহৰ পৰা বঞ্চিত কৰি নিয়োগ আৰু অন্যান্য ক্ষেত্ৰত দুৰ্নীতিৰ সৃষ্টি কৰিছিল। মন্ত্ৰীগৰাকীয়ে বিভিন্ন চৰকাৰী আঁচনিৰ বিষয়ে উল্লেথ কৰি কয় যে সমাজৰ বিভিন্ন স্তৰৰ লোকক বিত্তীয় সহায় প্ৰদান কৰা হৈছে। ইয়াৰ ভিতৰত মুখ্যমন্ত্ৰী মহিলা উদ্যেমিতা অভিযানৰ বিষয়ে উল্লেখ কৰি তেওঁ কয় যে প্ৰায় ৩০ লাখ মহিলাক ইয়াৰ অধীনত ১০,০০০ টকাকৈ বিত্তীয় সহায় প্ৰদান কৰা হৈছে। ইয়াৰ উপৰিও, মন্ত্ৰীগৰাকীয়ে নিযুত মইনা আঁচনিৰ অধীনত ছাত্ৰীসকলৰ বিনামূলীয়া শিক্ষা প্ৰদান, যোগ্য আৰু মেধাবী যুবক-যুবতীক স্বচ্ছ নিয়োগ প্ৰক্ৰিয়াৰ জৰিয়তে চৰকাৰী চাকৰি প্ৰদানৰ ক্ষেত্ৰত চৰকাৰৰ সফল প্ৰচেষ্টা, কৃষি ক্ষেত্ৰত চৰকাৰে কৃষকৰ পৰা বৰ্দ্ধিত ন্যূনতম সমৰ্থন মূল্যতে ধান ক্ৰয়ৰ ব্যৱস্থা, আয়ুষ্মান ভাৰত আঁচনিৰ অধীনত ৫ লাখ টকা পৰ্যন্ত বিনামূলীয়া চিকিৎসা সেৱা প্ৰদানৰ লগতে মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম অভিযানৰ জৰিয়তে যুৱ উদ্যমী সকললৈ সহায় প্ৰদান কৰা বিষয়ে আলোকপাত কৰে। স্থানীয় ৰাইজৰ বানপানীৰ পৰা ৰক্ষা পাবলৈ গাৰ্ডৱাল নিৰ্মাণৰ দাবীলৈ সঁহাৰি জনাই, মন্ত্ৰী হাজৰিকাই প্ৰায় ৫০০ মিটাৰ দৈৰ্ঘ্যৰ গাৰ্ডৱাল এখন নিৰ্মাণৰ পদক্ষেপ অতি শীঘ্ৰে গ্ৰহণ কৰা হ'ব বুলি আশ্বাস প্ৰদান কৰে। আজিৰ অনুষ্ঠানতে জৰুৰীকালীন চিকিৎসা সেৱাৰ প্ৰয়োজনীয়তা উপলব্ধি কৰি, মন্ত্ৰীগৰাকীয়ে অঞ্চলটোৰ জনসাধাৰণৰ বাবে এখন এম্বুলেন্স উৎসৰ্গা কৰে। এই এম্বুলেন্স সেৱা ৰাজ্যসভাৰ সাংসদ ভুবনেশ্বৰ কলিতাৰ স্থানীয় অঞ্চল উন্নয়ন আঁচনি (এম.পি.এল.এ.ডি.এছ.)ৰ অধীনত আৰু কমলপুৰৰ বিধায়ক দিগন্ত কলিতাৰ উদ্যোগত প্ৰদান কৰা হৈছে। উক্ত অনুষ্ঠানত বিধায়ক দিগন্ত কলিতা, অসম ৰাজ্যিক পৰিবহণ নিগমৰ উপ সভাপতি প্ৰণৱ জ্যোতি লহকৰ, জলসম্পদ বিভাগৰ মুখ্য অভিযন্তা ভাস্কৰ জ্যোতি শৰ্মাৰ লগতে অন্যান্য গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

## অতিকে উদ্বেগৰ কথা ঃ বাতৰি কাকত পঢ়ুৱৈৰ সংখ্যা ভয়ংকৰভাৱে নিম্নগামী যোৰহাটত

পালেগৈ। দ্বিতীয় আঘাতটো আহিল কৰোনাৰ পৰা। কৰোনা অহাৰ ভয়ত মানুহে বাতৰি কাকতৰ হকাৰকো চৌহদত সোমাবলৈ নিদিয়া হ'ল। এপাৰ্টমেণ্টবিলাকতো হকাৰৰ প্ৰৱেশ নিষিদ্ধ হ'ল। অৱশ্যে তাৰবাবে চৰকাৰো বহু পৰিমাণে জগৰীয়া। কৰোনাৰ বিৰুদ্ধে আতংকময় আৰু উদ্দেশ্যপ্ৰণোদিত ব্যাপক প্ৰচাৰ আৰু দীঘলীয়া তলাবন্ধই মানুহক অহৈতুক ভীতিগ্ৰস্ত কৰি তুলিছিল। অৱশ্যে সেইবোৰ ঠাইলৈ জমেটো, চুইগী, পিজ্জাৰ ডেলিভাৰী বয়বিলাক অহা যোৱা কৰাত বাধা নাছিল। ২০২২ চনৰ শেষত পাঠকৰ সংখ্যা ৯০০০ পালেগৈ আৰু এতিয়া, প্ৰায় ৮০০০। গ্ৰাহক কমি যোৱা হেতুকে সম্প্ৰতি কিছু হকাৰে,পেটৰ ভাতমুঠিৰ দায়ত, বাতৰি কাকত বিলোৱা কাম বাদ দি আন কামত ধৰিছে। পাঠকৰ সংখ্যা এইদৰে কমি গৈ থাকিলে, এটা সময়ত সকলো হকাৰেই কাকত বিলোৱা কাম বাদ দিব। কাকতসমূহ দোকানতে থাকিব। তেনেক্ষেত্ৰত মুষ্টিমেয় দায়িত্বশীল পাঠকেহে দোকানৰ পৰা কাকত আনি পঢ়িব। বাকীসকলে বাদ দিব। এইদৰেই এদিন বাতৰি কাকতবোৰ মৰি যাব। যি বাতৰি কাকতে জনমত গঠন আৰু অসমীয়া ভাষা- সাহিত্যক জীয়াই ৰখাৰ ক্ষেত্ৰত এক বলিষ্ঠ ভূমিকা পালন কৰি আহিছে, সেই বাতৰি কাকতক আমি এনেকৈয়ে হেৰুৱাবলৈ গৈ আছো। দুৰ্ভাগ্যৰ কথা, অসমীয়া এনে এটা জাতি যি নিজৰ জাতীয় পৰিচয়টোক জীয়াই ৰাখিবৰ বাবেও কিঞ্চিত ত্যাগ কৰিবলৈ প্ৰস্তুত নহয়। ইয়াতকৈ দুৰ্ভাগ্যজনক কথা কি থাকিব পাৰে!

## অৰুণাচল প্ৰদেশৰ আলোত অনুষ্ঠিত ৫৯ সংখ্যক মপিন উৎসৱত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ

চপোৱা উৎসৱ বুলি উল্লেখ কৰি তেওঁ কয় যে এই উৎসৱে সকলোৰে মাজত সমন্বয় বাৰ্তা বহন কৰি আহিছে। তেওঁ কয় যে অৰুণাচলৰ প্ৰদেশৰ সমৃদ্ধ সাংস্কৃতিক পৰিচয় মপিন উৎসৱৰ দ্বাৰা জীৱন্ত ৰূপত প্ৰতিফলিত হয়। গৌৰৱময় ঐতিহ্য, শক্তিশালী পৰম্পৰা, আধ্যাত্মিক আস্থা আৰু আনন্দময় উৎসৱসমূহে অৰুণাচলৰ প্ৰদেশক অধিক উদ্দীপনাৰে আগুৱাই যাবলৈ প্ৰেৰণা যোগাই আহিছে বুলি মন্তব্য কৰি তেওঁ কয় যে গালো সমাজৰ এই উৎসৱ সমৃদ্ধি, একতা আৰু প্ৰকৃতিৰ প্ৰতি কৃতজ্ঞতাৰ প্ৰতীক। নিজৰ পৰম্পৰা, সংস্কৃতিক বজাই ৰখাৰ বাবে এই উৎসৱে অনুপ্ৰাণিত কৰে। মপিন উৎসৱৰ সৈতে আধ্যাত্মিকতাৰ এক গভীৰ সম্পৰ্ক নিহিত হৈ আছে বুলি মন্তব্য কৰি তেওঁ লগতে কয় যে এই উৎসৱ শক্তি আৰু শ্ৰদ্ধাৰ প্ৰতীক। ইয়াৰ জৰিয়তে অধিক শস্য উৎপাদনৰ কামনা কৰাৰ লগতে সকলো ধৰণৰ বিপদ-বিঘিনীৰ পৰা সুৰক্ষিত কৰি ৰাখিবলৈ প্ৰাৰ্থনা জনোৱা হয়। মপিন উৎসৱে গালো সমাজৰ পৰম্পৰাৰ প্ৰতি থকা আস্থাকে সূচায় বুলি তেওঁ মন্তব্য কৰে। মপিন উৎসৱৰ সৈতে আধ্যাত্মিক মহত্বৰ গভীৰ সম্পৰ্ক নিহিত আছে বুলি মন্তব্য কৰি কয় যে গালো জনগোষ্ঠীৰ পূৰ্বজ, আবো তানিৰ দিব্য মাৰ্গদৰ্শক আৰু কৃষিৰ দেৱী দিগো আনেৰ প্ৰতি এই উৎসৱ সমৰ্পিত আৰু পপিৰ নৃত্য, লোকগীতৰ মাজত এই উৎসৱে প্ৰাণ পাই উঠে। এই উৎসৱ পালনে সামাজিক সম্পৰ্কক অধিক সুদৃঢ় কৰে বুলিও তেওঁ মন্তব্য কৰে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে মপিন উৎসৱে সংস্কৃতি আৰু প্ৰকৃতিৰ মাজৰ সম্পৰ্ককো প্ৰতিফলিত কৰে। কৃষি উৎসৱ হোৱা বাবে ই কৃষিপ্ৰথাৰ লগতে প্ৰাকৃতিক পৰিৱেশ সংৰক্ষণ কৰাৰ বাবেও মানুহক সচেতন কৰে। এই অনুষ্ঠান আৰু প্ৰাৰ্থনাই প্ৰকৃতিৰ প্ৰতি শ্ৰদ্ধা আৰু ইয়াক বিকশাই তোলাৰ বাবে থকা দায়বদ্ধতাকো সূচায়। গালো সমাজৰ প্ৰতি আহ্বান জনাই মুখ্যমন্ত্ৰীয়ে কয় যে আধুনিকতাৰ মাজতো নিজস্ব সংস্কৃতিৰ ঐতিহ্য ৰক্ষা কৰিব লাগিব যাতে মপিন উৎসৱ অৰুণাচল প্ৰদেশৰ সমৃদ্ধ পৰম্পৰাৰ প্ৰতীক হিচাপে অধিক বিকশি উঠিব পাৰে। মুখ্যমন্ত্ৰীয়ে কয় যে হাজাৰ হাজাৰ বছৰ ধৰি পৰম্পৰাগত লোক-কৃষ্টিৰে মপিন উৎসৱ পালন কৰি অহা কৰি অহা হৈছে। বিশ্বৰ বহু সাংস্কৃতিক জীৱনশৈলী দুশ-তিনিশ বছৰ পিছত অৱনমিত হৈ পৰিছে যদিও মপিন উৎসৱ হাজাৰ হাজাৰ বছৰ ধৰি জীৱন্ত ৰূপত থাকিব বুলিও তেওঁ মন্তব্য কৰে। তেওঁ কয় যে পূৰ্বজসকলে বহু প্ৰত্যাহ্বানৰ মাজেৰে সংস্কৃতিক জীয়াই ৰাখিছিল। মুখ্যমন্ত্ৰীয়ে কয় যে অৰুণাচল প্ৰদেশৰ ধৰ্ম আৰু সংস্কৃতিৰ মাজত শক্তি আছে। তেওঁ লগতে কয় যে আধুনিকতাক অস্বীকাৰ নকৰাকৈ নিজৰ শিপাৰ সৈতে সুসম্পৰ্ক ৰক্ষা কৰিব লাগিব। জনজাতীয় লোক-সংস্কৃতিয়ে লোকজীৱনক প্ৰতিনিধিত্ব কৰে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে গালো জনগোষ্ঠীৰ যুৱ প্ৰজন্মক বিজ্ঞান-প্ৰযুক্তিৰ প্ৰতি আকৰ্ষিত হৈও নিজস্ব পৰম্পৰা, আধ্যাত্মিক জীৱন অক্ষুণ্ণ ৰাখিবলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কয় যে আজি উত্তৰ-পূবৰ সংস্কৃতিক দেশৰ অন্য প্ৰান্তৰ মানুহে শ্ৰদ্ধাৰ দৃষ্টিৰে চায়। অসমে বিহু নিজৰ সাংস্কৃতিক অংগ হিচাপে পালন কৰি আহিছে। এটা সময়ত উত্তৰ পূৰ্বাঞ্চলক অৱহেলিত অঞ্চল বুলি গণ্য কৰা হৈছিল। ২০১৪ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী শাসন ক্ষমতালৈ অহাৰ পিছত অঞ্চলটোৰ দ্ৰুত পৰিৱৰ্তন সাধন হয়। অঞ্চলটোৰ জনসাধাৰণক শক্তি দিয়া বাবেই এই ৰূপান্তৰ সম্ভৱ হৈ উঠিছে বুলি তেওঁ মন্তব্য কৰে। আগন্তুক বিশ বছৰত অঞ্চলটোত বৃহৎ পৰিৱৰ্তন সাধন হ'ব বুলিও তেওঁ মন্তব্য কৰে। তেওঁ লগতে কয় যে অৰুণাচল প্ৰদেশো আজি এই ৰূপান্তৰৰ সাক্ষী হৈ পৰিছে। হাইড্ৰ'কাৰ্বনৰ ক্ষেত্ৰত অৰুণাচল প্ৰদেশ বৃহৎ শক্তি হ'বলৈ গৈ আছে বুলিও তেওঁ কয়।অসম আৰু অৰুণাচল প্ৰদেশৰ মাজত সাংস্কৃতিক দৃষ্টিৰে অতি নিকট সম্পৰ্ক আছে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে দুয়োখন ৰাজ্যৰ সীমা বিবাদ বৰ্তমানৰ ব্যৱস্থাৰ অধীনত সম্পূৰ্ণৰূপে সমাধান কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে কয় যে ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী ২০২৬ চনত পালন কৰা হ'ব। তেওঁ লগতে কয় যে অৰুণাচল প্ৰদেশৰ প্ৰতি ড° ভূপেন হাজৰিকাৰ থকা গভীৰ আন্তৰিকতাৰ বাবে অসম চৰকাৰে অৰুণাচল প্ৰদেশতো এই শতবাৰ্ষিকী পালন কৰিবলৈ ইচ্ছুক। এই ক্ষেত্ৰত সহযোগিতা আগবঢ়াবলৈ তেওঁ অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰীক আহ্বান জনায়। এই অনুষ্ঠানত অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী প্ৰেমা খাণ্ডু, সাংস্কৃতিক পৰিক্ৰমা আদি বিভাগৰ মন্ত্ৰী দিছাংলু পুল, ক্ৰীড়া আৰু যুৱ পৰিক্ৰমা আদি বিভাগৰ মন্ত্ৰী কেন্টো জিনি, বিধায়ক টপিন এটে, কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙৰ উপৰি আন্তঃৰাষ্ট্ৰীয় ফুটবল প্ৰশিক্ষক গুম্পে ৰাইম, ৫ নং মাউন্টেন ইনফেন্ট্ৰিৰ ব্ৰিগেডিয়াৰ শ্বাহিদ আহমেদ প্ৰমুখ্যে কেইবাগৰাকীও গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

## কামৰূপ মহানগৰ জিলাত আইন সজাগতা সভা

শ্ৰীযুত অজন্ত তালুকদাৰ , ভালেসংখ্যক অধিবক্তা , আৰক্ষী প্ৰশাসন আৰু স্থানীয় ৰাইজ। সভাখন অনুষ্ঠিত হোৱাত স্থানীয় ৰাইজে জজ্ বাৰ এচোছিয়েশ্যনৰ বিষয়ববীয়া সকলোক ধন্যবাদ জ্ঞাপন কৰিছে ।

# নীতি বহিৰ্ভূতভাৱে বিন্নাকান্দিৰ বুৰুঙ্গাতলীত পি এম এ ৱাইৰ জিঅ' টেগিং

## ভোট বেংক বৃদ্ধিৰ ব্লুপিন্ট কংগ্ৰেছৰ, বঞ্চিত প্ৰকৃত হিতাধিকাৰী

**প্ৰতিবেদক, হোজাই ঃ** হোজাই জিলাৰ বিন্নাকান্দি সমষ্টিৰ অন্তৰ্গত বুৰুঙ্গাতলী গাওঁ পঞ্চায়তত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ Geotagging -কৰাত বৃহৎ অনিয়মৰ এক গুৰুত্বৰ অভিযোগ উত্থাপিত হৈছে। কংগ্ৰেছ দলৰ একাংশ নেতা পালি নেতাই জীৱিকা সখীক লগত লৈ PMAYৰ Geotagging কৰি থকা ঘটনা পোহৰলৈ আহিছে। একেদৰে কি কংগ্ৰেছ কি, বিজেপি প্ৰায়ে ৰাজনৈতিক দলীয় নেতা কৰ্মীয়ে জীৱিকা সখীৰ সৈতে মিলি প্ৰধানমন্ত্ৰী আৱাস যোজনা আঁচনিৰ নীতি নিয়ম বহিভূত কৰি নিজৰ সা-সম্পকীয় আৰু দলীয় সমৰ্থকৰ ঘৰতেই জিঅ টাগ কৰাৰ লগতে প্ৰকৃত হিতাধিকাৰীক বঞ্চিত কৰা ঘটনাই তীব্ৰ সমালোচনাৰ সৃষ্টি কৰিছে। উল্লেখ্য যে বুৰুঙ্গাতলী গাওঁ পঞ্চায়তৰ প্ৰায়েখন গাঁৱত ইতিমধ্যে হৈ যোৱা প্ৰধানমন্ত্ৰী আৱাস যোজনৰ Geotagging কৰা হৈছে তাৰে বহু সংখ্যক পৰিয়াল আৰ্থিক ভাৱে সৱল আৰু ৰাজনৈতিক দলৰ নেতা কৰ্মীৰ ঘনিষ্ঠ আনকি বহুতৰ বাৰীত পকীঘৰ, চাৰিচকীয়া গাড়ী থকা সত্বেও কৰা হৈছে Geotagging মুঠতে ব্যাপক অনিয়ম সংঘটিত কৰি নিৰপেক্ষ তদন্তৰ বিপৰীতে ৰাজনৈতিক



হস্তক্ষেপত চৰকাৰী নীতি নিয়ম বহিভূত কৰা হৈছে। আনহাতে আঁচনি খনৰ নীতি নিয়ম মতে যিসকল দৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়ালক হিতাধিকাৰী হিচাপে বিবেচনা কৰিব লাগে সেয়া নহ'ল, দুই চাৰিজনৰ বাদে প্ৰায়ে বঞ্চিত হ'ল প্ৰকৃত হিতাধিকাৰী। এই আঁচনি খনত কেৱল দৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়ালক হিতাধিকাৰী হিচাপে বিবেচনা কৰাৰ যি চৰকাৰী নিৰ্দেশনা সেয়া সম্পূৰ্ণৰূপে বহিভূত কৰা হৈছে হোজাই জিলাৰ বিন্নাকান্দি সমষ্টিৰ প্ৰায়ে গাওঁ পঞ্চায়তত । বিভিন্ন ৰাজনৈতিক দলৰ নেতা কৰ্মীক লগত লৈ জীৱিকা সখীয়ে Geotagging কৰাৰ ফলত এই অনিয়ম সংঘটিত হৈছে। ৰাজনৈতিক দলীয় নেতা কৰ্মীৰ হস্তক্ষেপত কেৱল দলীয় সমৰ্থকৰ ঘৰতেই জিঅ টাগ কৰে জীৱিকা সখী গৰাকীয়ে। ৰাজনৈতিক নেতা পালি নেতাৰ হস্তক্ষেপ আৰু জীৱিকা সখীৰ ব্যক্তিগত স্বাৰ্থৰ বাবেই গাঁৱে গাঁৱে বহু দুখীয়া দৰিদ্ৰ পৰিয়াল সম্পূৰ্ণৰূপে এই আচঁনিৰ পৰা বঞ্চিত হোৱাৰ উপক্ৰম হৈছে। আনহাতে যোৱা ৩০ মাৰ্চত জীৱিকা সখীয়ে Geotagging কৰি থকা অৱস্থাত Geotagging-ক কেন্দ্ৰ কৰি দুই ৰাজনৈতিক দলৰ নেতা কৰ্মীৰ মাজত সৃষ্টি হৈছিল প্ৰচণ্ড কাজিয়াৰ। প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ হিতাধিকাৰী বাচনিক কেন্দ্ৰ কৰি দুই ৰাজনৈতিক দলৰ কাজিয়াৰ স্পষ্ট ভিডিঅ ইতিমধ্যে সামাজিক মাধ্যমত ব্যাপকভাৱে ভাইৰেল হৈ পৰিছে। এই ঘটনাৰ পিছত ৰাজনৈতিক নেতা পালি নেতাৰ হস্তক্ষেপত চৰকাৰী নীতি নিয়ম বহিভূত বাবে জীৱিকা সখীয়ে Geotagging কৰাৰ এক স্পষ্ট ছবি পোহৰলৈ আহিছে। ৰাজনৈতিক মুনাফা লাভৰ উদ্দেশ্যে চৰকাৰী আঁচনি খনৰ নীতি-নিয়মক জলাঞ্জলি দি কৰা প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ Geotagging বাতিলৰ দাবী উত্থাপন কৰাৰ লগতে ৰাজনৈতিক নেতাৰ ইংগিতত কাম কৰা জীৱিকা সখীৰ বিৰুদ্ধে ব্যৱস্থা লোৱাৰ দাবী তুলিছে Geotagging ৰ পৰা বঞ্চিত দৰিদ্ৰ সীমাৰেখাৰ তলৰ অসংখ্যক পৰিয়ালে।

# কলিয়াবৰৰ শিলঘাট অশোকাষ্টমী মেলাৰ বিশাল আয়োজন

**প্ৰতিবেদক, কলিয়াবৰ**

শিলঘাটত অশোকাষ্টমীৰ পবিত্ৰ স্থান কলিয়াবৰৰ লুইতৰ পাৰত এইবেলি ১০৬ সংখ্যনক শিলঘাট অশোকাষ্টমী মেলা শনিবাৰে অশোকাষ্টমীৰ তিথিৰ দিনটোত হাজাৰ-হাজাৰ দৰ্শনাৰ্থী সমাগম ঘটে কলিয়াবৰৰ শিলঘাটৰ ব্ৰহ্মপুত্ৰৰ ঘাটত। ব্ৰহ্মপুত্ৰত পবিত্ৰ স্নান কৰাৰ উদ্দেশ্য ভক্তপ্ৰাণ ৰাইজে ভিৰ কৰেহি শিলঘাটৰ ব্ৰহ্মপুত্ৰৰ পাৰত। প্ৰবাদ মতে, চ'ত মাহৰ শুক্লাষ্টমীৰ দিনটোত পবিত্ৰ গংগা নৈ ব্ৰহ্মপুত্ৰ বুকুৰেদি উজাই বয় আৰু এই পবিত্ৰ জলধাৰাত স্নান কৰিলে পাপ খণ্ডন হয়। এই জনবিশ্বাস মতে, এই দিনটোত ব্ৰহ্মপুত্ৰত গংগা স্নান কৰাৰ উদ্দেশ্যে ৰাজ্যৰ ভিন্ন প্ৰান্তৰ হাজাৰ-হাজাৰ লোকৰ সমাগম ঘটে শিলঘাটৰ ব্ৰহ্মপুত্ৰৰ ঘাটত। অসমৰ দ্বিতীয় শক্তিপীঠ কামাখ্যা দেৱালয়ত অনুষ্ঠিত সপ্তমী বাসন্তী পূজাৰ পৰৱৰ্তী অষ্টমীৰ দিনটোৰে পৰা শিলঘাটৰ কামাখ্যা দেৱালৰ পাদদেশত ব্ৰহ্মপুত্ৰৰ পাৰত সপ্তাহ জোৰাকৈ অনুষ্ঠিত হৈছে বিশাল অশোকাষ্টমী মেলা। এই পবিত্ৰ স্নানৰ লগতে সমান্তৰালকৈ এখনি বাণিজ্যিক মেলাৰ আয়োজন হয়। কলিয়াবৰৰ লুইতৰ পাৰত এইবেলি ১০৬ সংখ্যমক শিলঘাট অশোকাষ্টমী মেলা উদ্‌যাপনৰ বাবে মেলা সমিতিৰ তদাৰকাত ইতিমধ্যে মেলাস্থলীত সহস্ৰাধিক বিপণী সাজু হৈ উঠিছে। ১৯৩৫ চনতেই বৃটিছে পতা শিলঘাট টাউনৰ কামাখ্যা পাহাৰ স্থিত কামাখ্যা মন্দিৰৰ নামনিত অশোকাষ্টমীৰ স্নান আৰম্ভ হোৱাৰ প্ৰমাণিক তথ্য নাই যদিও বৃটিছ শাসন কালত উন্নত যাতায়ত ব্যকৰস্থাৰ বাবে বহিঃ স্থানৰ বাবে ভক্তৰ সমাগম বৃদ্ধি পালে যাৰ ফলত প্ৰসাৰ আৰু প্ৰচাৰ দুয়োটাই বৃদ্ধি পালে। প্ৰতি বছৰে অশোকাষ্টমী তিথিত গড়ে প্ৰায় কুৰি হাজাৰৰো অধিক ভক্তই শিলঘাট কামাখ্যা পাহাৰৰ নামনিৰ ব্ৰহ্মপুত্ৰত



স্নান কৰে। স্নানযাত্ৰীৰ সমাগম বৃদ্ধিৰ লগে-লগে স্নান ঘাটত আৰম্ভ হ'ল চিৰা, গুৰ, কল আদিৰ ব্যৱসায়। স্নানৰ লগত বা পিচত প্ৰয়োজনীয় সামগ্ৰীৰ লাহে-লাহে ব্যৱসায়ৰ পৰিসৰ বাঢ়িল। এক মেলামুখী পৰিবেশৰ মাজত এদিনীয়া অশোকাষ্টমী সপ্তাহ জোৰাকৈ উদ্‌যাপিত হ'বলৈ ধৰিলে। হৈ পৰিল কলিয়াবৰৰ এক বাৰ্ষিক উৎসৱ হিচাবে পৰিগণিত হৈছে। নগাঁও জিলাৰ এসময়ৰ বৃটিছ নগৰী শিলঘাটত অশোকাষ্টমী স্নানৰ সমান্তৰালকৈ কেতিয়াৰ পৰা অশোকাষ্টমী মেলা আৰম্ভ হ'ল কোৱা টান যদিও, ১৯২১ চন অশোকাষ্টমী মেলা আৰম্ভ হৈছিল বুলি থকা তথ্যমৰ ভিত্তিত ইয়াৰ আৰম্ভণী তাৰো আগৰ বুলি ক'ব পাৰি। মেলা অনুষ্ঠিত হৈ অহা দিনৰে পৰা মেলাৰ সু-পৰিচালনাৰ বাবে একোখন পৰিচালনা সমিতি গঠন কৰা হৈছিল যদিও ১৯৩৯ চনত 'শিলঘাট অশোকাষ্টমী মেলা সমিতি' নামেৰে এক স্থায়ী সমিতি গঠন কৰা হয়।

# ডিব্ৰুগড়ৰ সৰবৰহী মহিলা আলহাজিন জাহানাৰা বেগমৰ মৃত্যু

**প্ৰতিবেদক, ডিব্ৰুগড়**

ডিব্ৰুগড়ৰ বৈৰাগীমঠ নিৱাসী সৰবৰহী মহিলা আলহাজিন জাহানাৰা বেগম (বনু)ৰ বাৰ্ধক্যজনিত কাৰণত আজি (৫-৪-২৫) ৮২ বছৰ বয়সত মৃত্যু হয়। এগৰাকী ধৰ্মপ্ৰানা মহিলা হিচাবে পৰিচিত জাহানাৰা বেগমে ২০১৩ চনত হজব্ৰত সম্পন্ন কৰে। তেওঁৰ স্বামী মৰহুম তমিজউদ্দিন আহমেদ ডিব্ৰুগড় নিয়োগ



বিনিয়োগ কেন্দ্ৰৰ সহকাৰী সঞ্চালক হিচাবে কাৰ্য্যনিৰ্বাহ কৰিছিল। অতি সহজসৰল আৰু মৃদুভাষী বেগমে মৃত্যুৰ সময়ত এজন পুত্ৰ মেৰাজ, বোৱাৰী (চেলি) আৰু দুগৰাকী জীয়ৰীৰ লগতে ৫ টি নাতি- নাতিনীসহ পৰিয়ালৰ অনেক আত্মীয়ক ইহ সংসাৰত এৰি যায়। তেওঁৰ জনাজা নালিয়াপুল কবৰস্থানত অনেক গুণমুগ্ধৰ উপস্থিতিত সম্পন্ন কৰা হয়।

# বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰৰ যোগান্তকাৰী সফলতা, সোণাৰিত ঘৰে ঘৰে পাইপ গেছ সংযোগৰ ব্যৱস্থা

**প্ৰতিবেদক, সোণাৰি ঃ** চৰাইদেউ জিলাৰ সোণাৰি বিধান সভা সমষ্টি অন্তৰ্গত স্থানীয় বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰে অলপতে ঘৰে ঘৰে গেছ পাইপ লাইন সংযোগ কাৰ্যসূচীৰ শুভাৰম্ভনী কৰে। অসম গেছ কোম্পানী লিমিটেডৰ উদ্যোগত সোণাৰি পৌৰসভাৰ সহযোগত সোণাৰি



৪নং ৱাৰ্ডস্থিত দুৰ্গা মন্দিৰ প্ৰাংগন আৰু ৭নং ৱাৰ্ডস্থিত কলেজ গেটৰ সন্মুখত "ঘৰে ঘৰে পাইপ গেছ সংযোগ"ৰ শুভাৰম্ভণী কাৰ্যসূচী সম্পাদন কৰে। উক্ত অনুষ্ঠানত অসম গেছ নিগমৰ উপাধ্যক্ষ ইন্দ্ৰ গগৈ , অসম গেছ নিগমৰ বিষয়া সকল ক্ৰমে কনক শইকীয়া, উজ্জ্বল গগৈ, কিৰণ বৰপাত্ৰ গোহাঁই, উমা গগৈ, সত্যৰঞ্জন বৰঠাকুৰ, জিতেন গগৈ, ৰাজীৱ গোহাঁই, মনজিৎ গগৈ, APGCLৰ চেয়াৰমেন অনুপ সিং ৰাজপুৰোহিত , ৰাজ্যিক মহিলা মৰ্চাৰ উপ-সভনেত্ৰী মীনা চাহু, চৰাইদেউ জিলা বিজেপিৰ সভানেত্ৰী নিতুমণি প্ৰধান, উপ-পৌৰপতি স্বাক্ষৰ জ্যোতি গগৈ, উপ-সভাপতি গিৰিণ গগৈ, উপ-সভনেত্ৰী দীপা গগৈ, পৌৰ আয়ুক্তা নমিতা বুঢ়াগোহাঁই, ৱাজিদা বেগম, অঞ্জলি খওীয়া, পৌৰ আয়ুক্ত বলিন কলিতা, সমাজ কৰ্মী সত্যজিৎ কৰ আৰু ভালেকেইজন গন্য মান্য ব্যক্তি কাৰ্যসূচীত উপস্থিত থাকে।

# "নদী আৰু নাৰী', যোৰহাট জিলা শাখাৰ "ৰঙালীক আদৰো আহাৰ" শীৰ্ষক কবি সন্মিলন অনুষ্ঠান সম্পন্ন

**প্ৰতিবেদক, যোৰহাট**

৫ এপ্ৰিল শনিবাৰে জাৰ্মানীৰ কহিনুৰ ৱৰ্ল্ড বুক অফ ৰেকৰ্ডছৰ স্বীকৃতিপ্ৰাপ্ত কাব্যিক, বৌদ্ধিক তথা মানৱ দৰদী জনপ্ৰিয় অনুষ্ঠান 'নদী আৰু নাৰী'ৰ নৱ গঠিত যোৰহাট জিলা সমিতিৰ তৰফৰ পৰা "গুগল মিট 'ৰ জৰিয়তে সন্ধিয়া সাত বজাত "ৰঙালী বিহু উপলক্ষে আয়োজন কৰা কবি সন্মিলন খনি সুন্দৰভাৱে সম্পন্ন হৈ যায়। সভাৰ আৰম্ভণিতে আত ধৰি "ৰঙালীক আদৰো আহা" শীৰ্ষক বিষয় তাৎপৰ্য ব্যাখ্যাৰে শুভাৰম্ভ কৰে জিলাৰ সম্পাদিকা শুৱলা দাসে। এই সুন্দৰ কাব্য অনুষ্ঠানটি উদ্ধোধন কৰে জিলাৰ সভাপতি সন্মানীয় প্ৰশান্ত দাস ডাঙৰীয়াই ।সম্পাদিকাই পৰিচালনা কৰা অনুষ্ঠানত পৰ্য্যবেক্ষক হিছাপে কেন্দ্ৰীয় সাংগঠনিক সম্পাদিকা ৰিভাৰ মধুমিতা শৰ্মাৰ উপস্থিত থাকি কবিতা পাঠ কৰাৰ লগতে কেন্দ্ৰীয় মুখ্য কাব্য সম্পাদিকা ৰিভাৰ মামণি বড়া উপস্থিত থাকি কবিতা পাঠ কৰে। কবিতা পাঠ কৰে ক্ৰমে নগাঁৱ জিলাৰ মুখ্য উপদেষ্টা দিপ্তী দেৱী বাইদেৱে। তাৰ উপৰিও কবিতা পাঠ কৰা কবিসকল ক্ৰমে শিখামণি বৰা,অঞ্জনা গগৈ, ডালিমী কুলাধিপতি, শুৱলা দাস, প্ৰশান্ত দাস, অজন্তা তামুলী ফুকন,অঞ্জনা গগৈ, ৰাজশ্ৰী সেনাপতি গগৈ, উৰশী মৰাণ, সদানন্দ হাজং, আব্দুল কাদেৰ মিঞা, স্বৰ্ণ লতা পাঠক আদি বহুকেইগৰাকী কবিয়ে।"নদী আৰু নাৰী"প্ৰতিষ্ঠাপক তথা মুখ্য কাৰ্যবাহী ৰুনাল্ডো টাইদ ডাঙৰীয়াই শেহতীয়াকৈ অনুষ্ঠানত উপস্থিত হৈ তেখেতৰ এটি সুন্দৰ কবিতা পাঠ কৰাৰ লগতে সুন্দৰ সাৰুৱা ভাষণ প্ৰদান কৰি অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে । অনুষ্ঠানত সন্মানীয় বহু কেইগৰাকী বিশিষ্ট কবি, সাহিত্যিক, নিৰ্দিষ্ট বক্তা উপস্থিত আছিল যদিও নেটৱৰ্কৰ সমস্যা বাবে যোগাযোগ বিচ্ছিন্ন হয়। "যিহেতু ৰঙালী বিহুৰ প্ৰাক ক্ষণ, সেয়ে কবি শিখামণি বৰাই বিহু গীত পৰিবেশন কৰি অনুষ্ঠানটি জীপাল কৰি তুলিলে। সভাপতি প্ৰশান্ত দাস ডাঙৰীয়াই এটি ভুপেন হাজৰিকাদেৰৰ গীত পৰিৱেশন কৰি অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰাৰ লগতে অনুষ্ঠানটি সফল ৰূপায়ণ হোৱাত অৰিহণা দুগুণ বৃদ্ধি কৰে। সম্পাদিকা ৰিভাৰ শুৱলা দাসে শলাগৰ শৰাই আগবঢ়াই অনুষ্ঠানটিৰ সামৰণি পেলায়।



সাপ্তাহিক
আধুনিক অসম

# ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ, ঘগ্ৰাপাৰ খণ্ডৰ বৰ্ষ প্ৰতিপ্ৰদা উৎসৱ

## আমি হিন্দু বুলি ক'বলৈ লাজ কৰো-বশিষ্ঠ বুজৰবৰুৱা

**প্ৰতিবেদক, ঘগ্ৰাপাৰ**

আমি হিন্দু বুলি ক'বলৈ লাজ কৰো। কিয়নো একাংশই হিন্দুক সাম্প্ৰদায়িক বুলি কয়। কিন্তু হিন্দু কেতিয়াও সাম্প্ৰদায়িক হ'ব নোৱাৰে। আমি নিজকে কিয় হিন্দু বুলি গৌৰৱ কৰিব লাগে বুলি উল্লেখ কৰি কয় যে- বিশ্বৰ ভিতৰত আটাইতকৈ বিজ্ঞান সন্মত সমাজ যদি আছে, বিজ্ঞান সন্মত ধৰ্ম, বিজ্ঞান সন্মত দৰ্শন যদি আছে এয়াই হ'ল হিন্দু ধৰ্ম। এই মন্তব্য ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ নেতা বশিষ্ঠ বুজৰবৰুৱাৰ। আজি নলবাৰী জিলাৰ ঘগ্ৰাপাৰ সমীপৰ দলুৱা বিষ্ণুজোতি হাইস্কুল খেল পথাৰত আবেলি ৪ বজাত আয়োজিত ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ, ঘগ্ৰাপাৰ খণ্ডৰ বৰ্ষ প্ৰতিপ্ৰদা উৎসৱত উপস্থিত থাকি ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ,অসম ক্ষেত্ৰৰ, ক্ষেত্ৰ প্ৰচাৰক বশিষ্ঠ বুজৰবৰুৱাই নিজৰ ভাষণত পুনৰ কয় যে-ব্ৰহ্মাৰ তপস্যাৰ ফলতেই প্ৰথমে পঞ্চভূত আৰু পাছত বনস্পতি, ৰেত, জীৱাত্মাৰ সৃষ্টি হ'ল। জীৱাত্মাৰ ভিতৰত মৎস্য কুৰ্ম, বৰাহ, নৰসিংহ, বামন, পৰশুৰাম, ৰাম হলিৰাম বুদ্ধৰ অৱতাৰ হয়। কল্কিৰ স্বৰূপ আজিও অকল্পিত। সৃষ্টিৰ আত্মতত্ত্বৰ সৈতে নিজকে বিলীন কৰাই ভাৰতীয় দৰ্শন। দেশ ধৰ্ম সংস্কৃতিৰ বাবে আত্মতত্ত্বক ব্যৱহাৰিক ৰূপায়ণ কৰিলেই ভাৰত পুনৰ বিশ্বগুৰু হ'ব। কৰ্তব্য পালন, জ্ঞানসমৃদ্ধ জীৱনৰ বাবে গীতা বেদ অধ্যয়নৰ দৰকাৰ। কৰ্তব্যৰ পৰিৱৰ্তে অধিকাৰ, ধৰ্মৰ অৰ্থ বিকৃত কৰাৰ বাবেই ভাৰত



পৰাধীন হ'ব লগীয়া হৈছিল। প্ৰতি ঘৰতে স্ব-ভাষা, স্বংস্কৃতি স্ব-ভোজন নিনাদিত হলেই ভাৰত প্ৰকৃততে স্বতন্ত্ৰ হ'ব বুলি ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘ,অসম ক্ষেত্ৰ,ক্ষেত্ৰ প্ৰচাৰক বুজৰবৰুৱাই মন্তব্য কৰে।আনহাতে,শৰীৰ ,মন,বুদ্ধি, আত্মা এই চাৰিটা তত্ত্ব মিলিয়ে সম্পূৰ্ণ মনুষ্যয় হয় বুলি মন্তব্য কৰি বশিষ্ঠ বুজৰবৰুৱাই কয় যে, আত্মাৰ সুখ পৰম সুখ,আত্মা বিদ্যমমান। সেইয়েই নৰৰ পৰা নাৰায়ণ,নাৰায়ণ পৰা নৰোত্তম হোৱাৰ প্ৰয়াস কৰিব লাগিব বুলি মন্তব্য কৰি পুনৰ কয় যে- আত্মা তত্ত্বৰ কথা নজনা বাবেই প্ৰকৃতি ধ্বংস হৈছে।গীতাত এই সকলো প্ৰশ্নৰ উত্তৰ আছে।পশ্চিমীয়া সংস্কৃতিয়ে কৈছে World is a market কিন্তু আমাৰ ভাৰতীয় সংস্কৃতিয়ে কৈছে World is family.বসু ধৈব কুটুম্বকম্ ।তদুপৰি,মনুষ্য জীৱনৰ লক্ষ্য সন্দৰ্ভত ডাক্তৰ ,ইঞ্জিনীয়াৰিং হোৱা মনুষ্যi জীৱনৰ লক্ষ্য নহয়। নৰ পৰা নাৰায়ণ হোৱাৰ লক্ষ্য হোৱা উচিত বুলি মন্তব্য কৰি বৰ্তমান সময়ত ডাক্তৰ, ইঞ্জিনীয়াৰ,প্ৰশাসনিক বিষয়া অথবা ৰাজনৈতিক নেতা হোৱাৰ জীৱনৰ লক্ষ্য লোৱাৰ বাবেই আজিৰ সমাজত দুৰ্নীতি হ'বলৈ ধৰিলে। লগতে তেওঁ ভাৰতীয় সংস্কৃতি আৰু সনাতন ধৰ্মৰ ওপৰত বিশেষ বক্তব্য প্ৰদান কৰে। আনহাতে বৰ্তমান সময়ত হিন্দু সমাজ এক হৈ থাকিলে কোনোৱে জাতিটোক ষড়যন্ত্ৰ কৰি ধংস কৰিব নোৱাৰে বুলি উল্লেখ কৰি তাৎপৰ্যপুৰ্ণ মন্তব্য কৰে।অনুষ্ঠানৰ পূৰ্বে ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ কাৰ্যকৰ্তাসকলে শৰীৰ চৰ্চা, দণ্ড, গপুৰণ,গণ সমতা, সামহিক সমতা, যোগ ব্যাম, আসন আদি প্ৰদৰ্শন কৰে।অনুষ্ঠানত ঘগ্ৰাপাৰ খণ্ড কাৰ্যবাহ, ঘগ্ৰাপাৰ খণ্ড দিপাংকৰ ৰাজবংশীয়ে আঁতধৰা অনুষ্ঠানটিত মুখ্য শিক্ষক হিচাপে উপস্থিত থাকে মৃন্ময় বুজৰবৰুৱাই। অনুষ্ঠানত সংঘৰ অসম ক্ষেত্ৰৰ, ক্ষেত্ৰ শাৰীৰিক প্ৰমুখ নিৰ্মলেন্দু দে, নলবাৰী জিলা সংঘ চালক কুমুদ চন্দ্ৰ শৰ্মা,নলবাৰী বিভাগৰ বিভাগ প্ৰচাৰক কেশৱ ভুঞা, বিভাগ ব্যৱস্থা প্ৰমুখ পংকজ বুজৰবৰুৱাকে ধৰি প্ৰায় পাঁচ শতাধিক সংঘৰ কাৰ্যকৰ্তাই অংশগ্ৰহণ কৰে।

# ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে মাজুলীৰো বিভিন্ন প্ৰান্তৰ অনুষ্ঠিত হৈছে বিহু কৰ্মশালা

**প্ৰতিবেদক, মাজুলী**

পদুলি মুখত ৰঙালী বিহু। অসমীয়াৰ বাপতি সাহোন ৰঙালী বিহুলৈ মাজত মাথো কেইটামান দিন বাকী ।



ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে মাজুলীৰো বিভিন্ন ঠাইত দল সংগঠন , অনুষ্ঠান- প্ৰতিষ্ঠানে আয়োজন কৰিছে বিহু কৰ্মশালাৰ । উজনি মাজুলীৰ নৰৰতনপুৰ গাঁৱত অনুষ্ঠিত ১০ দিনীয়া বিহুনাচ আৰু বিহুনাম কৰ্মশালাৰ সফলতাৰে সামৰণি পৰিছে। অঞ্চলটোত পৰিচিত স্হানীয় সাংস্কৃতিক কৰ্মী পুৰ্ণানন্দ শইকীয়াৰ প্ৰচেষ্টাত তথা গাঁওখনৰ মহিলা সকলৰ সহযোগত প্ৰায় অৰ্ধশতাধিক প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰা কৰ্মশালাখনিত লখিমপুৰৰ কেকুৰী বিহু দলৰ কেইবাজনো প্ৰশিক্ষকে প্ৰশিক্ষণ প্ৰদান কৰে। ইফালে গড়মূৰ কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলন - ২০২৫ ৰ উদযাপন সমিতিৰ উদ্যোগত , "ৰিভাৰাইন ক্লাৱ' আৰু 'গড়মূৰ টাউন ক্লাৱ'ৰ সহযোগত ৭ দিনীয়া বিহুনাচ আৰু ঢোলবাদন কৰ্মশালা যোৱা এক এপ্ৰিলৰ পৰা গড়মূৰৰ মিনি ষ্টেডিয়ামত অনুষ্ঠিত হৈছে । কৰ্মশালাখনিত মুখ্য প্ৰশিক্ষক হিচাপে আছে যোৰহাটৰ বাবুল বৰা , সহঃ প্ৰশিক্ষক হিচাপে আছে মেঘনা ভূঞা , চিংকী বৰুৱা , দীনা কলিতা , পাৰ্থপ্ৰতিম বৰা আৰু সমীৰণ হাজৰিকা। কৰ্মশালাখনিত প্ৰায় দুই শতাধিক প্ৰশিক্ষাৰ্থীয়ে প্ৰশিক্ষণ গ্ৰহণ কৰিছে ।

# সৃষ্টিজ্যোতি কলাকেন্দ্ৰৰ উদ্যোগত ৭ দিনীয়া বিহু কৰ্মশালাৰ সামৰণি অনুষ্ঠান

**প্ৰতিবেদক, লক্ষীমপুৰ**

অসমীয়া সমাজ জীৱনৰ প্ৰতিছবি ব'হাগ বিহু।এই ব'হাগতেই জাতিটোৱে বান্ধে সাতামপুৰুষীয়া ঐক্য শান্তি আৰু ভ্ৰাতৃত্ববোধৰ সোণালী এনাজৰী ।ঘাত প্ৰতিঘাট আঁতৰত ৰাখি জাতিটোৱে ন ৰূপত উজ্জীৱিত হৈ নিজৰ নিজৰ লোক সংস্কৃতিক অক্ষুণ্ণ ৰাখি জাতিয়ে সংস্কৃতিক টনকিয়াল কৰাই ব'হাগ বিহুৰ ধৰ্ম। ৰঙালীক আদৰিবলৈ অসমৰ চৌদিশে এতিয়া ঢোল পেঁপা গগনাৰ মাতত ৰজনজনাই উঠিছে।। লখিমপুৰ জিলাৰ খনাজান জ্ঞান সাগৰ একাডেমীৰ



খেলপথাৰত সৃষ্টিজ্যোতি কলাকেন্দ্ৰৰ উদ্যোগত সীমা বড়া মজুমদাৰৰ নেতৃত্বত নৱ প্ৰজন্ম তথা উঠি অহা কণ কণ শিশুসকলক বিহুৰ প্ৰতি অধিক আগ্ৰহী কৰাৰ মানসেৰে সাত দিনীয়া বিহু কৰ্মশালাৰ আয়োজন কৰা হৈছিল। সঞ্চালক বিযেশ্বৰ গগৈ , সহকাৰী সঞ্চালক বিষ্ণুপ্ৰিয়া গোহাঁই। মুখ্য প্ৰশিক্ষক আছিল সুৰভি গগৈ ।উক্ত কৰ্মশালাখনত খনাজানকে ধৰি বৃহত্তৰ পছুমৰা অঞ্চলৰ প্ৰায় ৫০ গৰাকী নাচনীয়ে অংশগ্ৰহণ কৰে। যোৱা ৪ এপ্ৰিল তাৰিখে উক্ত কৰ্মশালাখনৰ সামৰণি অনুষ্ঠান অনুষ্ঠিত হৈ যায়। সামৰণি অনুষ্ঠানত অৱসৰপ্ৰাপ্ত শিক্ষক শ্ৰী উপেন দাসে বহুল ভাষণ প্ৰদান কৰে। তেখেতে কয় যে আজি নাচনীসকলে ন উদ্যমেৰে আহি বিহুৰ প্ৰশিক্ষণ লৈছে। হয়তো তেখেতলোকে বিভিন্ন মঞ্চত নিজক উপস্থাপন কৰিব। প্ৰতিযোগিতাই মানুহক নিজক চিনি পোৱাত সহায় কৰে। প্ৰতিযোগিতা অবিহনে নিজক নিৰূপণ কৰিব নোৱাৰি। নতুন প্ৰজন্মই বিহু নাচৰ কৌশল আয়ত্ব কৰাৰ লগতে বিহু বিষয়ক জ্ঞানখিনি আয়ত্ব কৰিলেই আমাৰ অসমীয়া জাতিটোৰ নিজস্ব সত্বা বৰ্তি থাকিব। যিহেতু বিহুয়েই ধৰি ৰাখিছে জাতিটোৰ মহত্ব। উল্লেখ্য যে উক্ত সামৰণি অনুষ্ঠানত ৭ দিনীয়া কৰ্মশালাত অংশগ্ৰহণ কৰা প্ৰতিগৰাকী প্ৰশিক্ষাৰ্থীক মানপত্ৰ প্ৰদান কৰে।

# সাংবাদিক ত্ৰিবেণী বৰালৈ সদৌ অসম মহিলা সাংবাদিক বঁটা প্ৰদান

**ষ্টাফ ৰিপ'টাৰ, গুৱাহাটী**

অসমৰ সংবাদ ক্ষেত্ৰতখনত মহিলা সাংবাদিক আৰু সংবাদকৰ্মী হিচাপে জড়িত থাকি কেৱল অসমতে নহয় সমগ্ৰ ভাৰতলৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হোৱাৰ সামান্তৰালকৈ সমাজত দেখা দিয়া জলন্ত সমস্যাৰ বিষয়ে



বিতং তথ্যৰ যোগান ধৰি সংবাদ মাধ্যমৰ জৰিয়তে প্ৰচাৰ ,প্ৰকাশ কৰাৰ ক্ষেত্ৰত মহিলা সাংবাদিকসকলে নিৰ্ভকতাৰে অগ্ৰণী ভূমিকা গ্ৰহণ কৰি আহিছে সেয়েহে অসমৰ সংবাদ মাধ্যমৰ মহিলা সাংবাদিক আৰু সংবাদকৰ্মী সকলৰ মাজত একতাৰ এনাজৰী অধীক সক্ৰিয় আৰু অটুট ৰখাৰ উদ্দেশ্যে মহিলা সাংবাদিক সন্থাই প্ৰতিষ্ঠা দিৱস উদযাপন কৰে। ২২টা বৰ্ষ অতিক্ৰম কৰ এই মহিলা সাংবাদিক সন্থাই গুৱাহাটীৰ প্ৰেছ ক্লাৱত অনুষ্ঠিত প্ৰতিষ্ঠা দিৱসত বিশ্বনাথৰ সাংবাদিক ত্ৰিবেণী বৰালৈ সদৌ অসম মহিলা সাংবাদিক বটাঁ প্ৰদান কৰে। ২০০৮ চনৰ পৰা সংবাদ জগতৰ লগত জড়িত আছে। জনমত, দৈনিক বাতৰি কাকত , অগ্ৰদূত , গণ সংবাদ , পূৰ্বোদয় , আদি কাকতত সাংবাদিকতা কৰিছিল আৰু দৈনিক দুৰ্নীতি দৰ্পণৰ ষ্টাফ ৰিপৰ্টাৰ আছিল । বৰ্তমান দৈনিক যুগশঙ্খ আৰু N.B News ,সাপ্তাহিক বাতৰি কাকত আধুনিক অসমত বিশ্বনাথৰ পৰা সাংবাদিকতা কৰি আছে ।আনহাতে "হৃদয়ত তোমাৰ নামৰ ফলক" নামৰ এখনি কাব্য সংকলন প্ৰকাশ কৰি উলাইছে।এই বটাঁ লাভ কৰিবলৈ সক্ষম হোৱাত বিশ্বনাথৰ ৰাইজে শুভেচ্ছা ,অভিনন্দন জ্ঞাপন কৰে।

# কলগাছিয়াৰ মনাকচা- হালধীয়া গাঁৱৰ ভঙা ৰাস্তায় কন্দুৱাইছে ৰাইজক

## বিগত পাঁচ বছৰেও মেৰামতি নহ'ল ৰাস্তাৰ, পঞ্চায়ত নিৰ্বাচন বৰ্জন কৰাৰ সিদ্ধান্ত গাঁওবাসীৰ

**প্ৰতিবেদক, কলগাছিয়া**

বৰপেটা জিলাৰ কলগাছিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত তথা পূৰ্বৰ জনীয়া সমষ্টিৰ অন্তৰ্গত মনাকচা- হালধীয়া গাঁৱৰ প্ৰধান মন্ত্ৰী গ্ৰাম চৰক যোজনাৰ ৰাস্তাটো বিগত প্ৰায় পাঁচ বছৰ ধৰি জৰাজীৰ্ণ অৱস্থাত থকাৰ বাবে যমৰ যাতনা ভূগিছে ৰাইজে। জৰাজীৰ্ণ ৰাস্তাটোৱে মনাকচা, হালধীয়া, ডিমাপুৰ, দেউকুৰা আৰু বঙাইগাঁও জিলাৰ চাকলা, কোকিলা আদি গাঁৱৰ ৰাইজক কন্দুৱাইছে যদিও ৰাস্তাটো মেৰামতি কৰাৰ কাৰণে স্থানীয় বিধায়ক ডঃ হাফিজ ৰফিকুল ইছলাম আৰু বৰপেটাৰ সাংসদ ফণী ভূষণ চৌধুৰী, ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনৰ কোনো এজনেও গুৰুত্ব আৰোপ কৰা নাই বুলি অভিযোগ উত্থাপন হৈছে। উল্লেখযোগ্য যে, ৰাস্তাটোৱে চাকলাৰ চি কে কলেজ, চাকলা উচ্চতৰ মাধ্যমিক বিদ্যালয়, চাকলা বজাৰ, কোকিলা বজাৰ, কলগাছিয়া বজাৰ, কলগাছিয়াৰ নৱজ্যোতি মহাবিদ্যালয়, খৰিচালাৰ জনপ্ৰিয় উচ্চতৰ মাধ্যমিক বিদ্যালয় আদি লৈ দৈনিক হাজাৰ হাজাৰ স্কুল কলেজীয়া ছাত্ৰ ছাত্ৰী, কৃষক ৰাইজ যাতায়ত কৰে লগতে শ শ গাড়ী মটৰ চলাচল কৰে। এনে গুৰুত্বপূৰ্ণ ৰাস্তাটোত ঠায়ে ঠায়ে পকী উঠি যোৱাৰ ফলত দ' গাঁতৰ সৃষ্টি হৈছে। ৰাস্তাটোত অহৰহ দুৰ্ঘটনা সংঘটিত হৈ মৰণ ফান্দত পৰিণত হৈ পৰিছে। ফলত গাওঁ সমূহলৈ এম্বুলেন্স,



অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ী আদি জৰুৰীকালীন বাহন সমূহৰ চলাচল প্ৰায় ব্যাহত হৈ পৰিছে। সেয়ে জনপ্ৰতিনিধি সকলৰ ওপৰত ক্ষুব্ধ হৈ মনাকচা- হালধীয়া গাঁৱৰ ৰাইজে আগন্তুক পঞ্চায়ত নিৰ্বাচন বৰ্জন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে বুলি জানিব পৰা গৈছে।

# হাটশিঙিমাৰীস্থ ব্ৰাইট হেৰিটেজ একাডেমী নামৰ ব্যক্তিগত বিদ্যালয়ৰ শুভ উদ্বোধনী অনুষ্ঠানত উপস্থিত ইছৰোৰ বৈজ্ঞানিক

**প্ৰতিবেদক, হাটশিঙিমাৰী**

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ সদৰ হাটশিঙিমাৰীত অলপতে আবেলি ১ বজাত Bright Heritage Academy নামৰ এখন ব্যক্তিগত বিদ্যালয়ৰ শুভ




উদ্বোধনী অনুষ্ঠানত অংশ গ্ৰহণ কৰে ইছৰোৰ বিজ্ঞানী কুমুদ চন্দ্ৰ ভট্টাচাৰ্য। এই অনুষ্ঠানত অংশগ্ৰহণ কৰি বৈজ্ঞানিক জনে কয় যে ভাৰতবৰ্ষ বৰ্তমান সময়ত বিজ্ঞানৰ ক্ষেত্ৰত যথেষ্ট আগুৱাই গৈ আছে আৰু প্ৰয়াত ৰাষ্ট্ৰপতি তথা বৈজ্ঞানিক এপিজে আব্দুল কালামৰ প্ৰশংসাত মুগ্ধ হৈ পৰে। তেখেতৰ বিজ্ঞানৰ উন্নয়নৰ ক্ষেত্ৰত যথেষ্ট অৱদান আছে বুলি সভাত ভাষণ প্ৰসংগত ব্যক্ত কৰে। ভাৰতবৰ্ষৰ বৈজ্ঞানিক সকলে চন্দ্ৰযান২ চন্দ্ৰত পঠিয়াবলৈ সক্ষম হৈছে আৰু এইটো ভাৰতবৰ্ষৰ বাবে গৌৰৱ বুলি সভাত ভাষণ প্ৰসংগত মন্তব্য কৰে। এই প্ৰতিষ্ঠানটো উদ্বোধনী কৰিবলৈ পাই তেখেতে সন্তোষ প্ৰকাশ কৰে আৰু কয় যে এনেকুৱা ভিতৰুৱা ঠাইত এনে প্ৰতিষ্ঠান দেখিবলৈ পাই তেখেতে আচৰিত হৈ পৰে। বৈজ্ঞানিক জনৰ লগত ছাত্ৰ-ছাত্ৰী; অভিভাৱক আৰু বুদ্ধিজীৱী মহলে মত বিনিময় কৰে আৰু ছেলফি উঠাৰ ধুম তোলে। উক্ত প্ৰতিষ্ঠানটোত উচ্চতৰ মাধ্যমিক ছাত্ৰ-ছাত্ৰী সকলৰ বাবে বিজ্ঞান শাখা; কলা শাখা আৰু কমাৰ্চ শাখাৰ বাবে উচ্চ মানৰ শিক্ষা প্ৰদান কৰা হ'ব বুলি প্ৰতিষ্ঠানটোৰ কৰ্তৃপক্ষই জানিবলৈ দিয়ে। আজিৰ এই অনুষ্ঠানত উক্ত একাডেমীৰ অধ্যক্ষ পদ্মমিনি বৈকুণ্ঠ ৰায়ে কয় যে এই প্ৰতিষ্ঠানটোত পাকৈত শিক্ষক শিক্ষয়িত্ৰী নিযুক্তি দিয়া হৈছে আৰু একাডেমী খনৰ পৰিবেশ পৰিছন্নতা দেখি সকলোৰে যে মুগ্ধ হৈছে সেয়ে ৰাইজৰ উপস্থিতি দেখি অধ্যক্ষা জনে সাংবাদিকৰ আগত মন্তব্য কৰে। এই প্ৰতিষ্ঠানটোত দক্ষ শিক্ষক শিক্ষয়িত্ৰী নিযুক্ত দিয়া হৈছে আৰু উন্নত মানদণ্ডৰ শিক্ষা প্ৰদান কৰিব বুলি প্ৰতিষ্ঠানটোৰ কৰ্তৃপক্ষই সাংবাদিকক জানিবলৈ দিয়ে। এই প্ৰতিষ্ঠানটোত ইছৰোৰ বৈজ্ঞানিক জনক দৈখিবলৈ আৰু তেখেতৰ লগত মত বিনিময় কৰিবলৈ কেবাশতাধিক মানুহ আৰু ছাত্ৰ-ছাত্ৰী সকলে ভিৰ কৰি থকা পৰিলক্ষিত হয় আৰু বৈজ্ঞানিক জনৰ লগত মত বিনিময় কৰি উপস্থিত সকলোৰে সন্তোষ প্ৰকাশ কৰে। হাটশিঙিমাৰীস্থ Bright



Heritage Academy নামৰ ব্যক্তিগত বিদ্যালয়ৰ শুভ উদ্বোধনী অনুষ্ঠানত উপস্থিত ইছৰোৰ বৈজ্ঞানিক : দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ সদৰ হাটশিঙিমাৰীত আজি আবেলি ১ বজাত Bright Heritage Academy নামৰ এখন ব্যক্তিগত বিদ্যালয়ৰ শুভ উদ্বোধনী অনুষ্ঠানত অংশ গ্ৰহণ কৰে ইছৰোৰ বিজ্ঞানী কুমুদ চন্দ্ৰ ভট্টাচাৰ্য। এই অনুষ্ঠানত অংশগ্ৰহণ কৰি বৈজ্ঞানিক জনে কয় যে ভাৰতবৰ্ষ বৰ্তমান সময়ত বিজ্ঞানৰ ক্ষেত্ৰত যথেষ্ট আগুৱাই গৈ আছে আৰু প্ৰয়াত ৰাষ্ট্ৰপতি তথা বৈজ্ঞানিক এপিজে আব্দুল কালামৰ প্ৰশংসাত মুগ্ধ হৈ পৰে। তেখেতৰ বিজ্ঞানৰ উন্নয়নৰ ক্ষেত্ৰত যথেষ্ট অৱদান আছে বুলি সভাত ভাষণ প্ৰসংগত ব্যক্ত কৰে। ভাৰতবৰ্ষৰ বৈজ্ঞানিক সকলে চন্দ্ৰযান২ চন্দ্ৰত পঠিয়াবলৈ সক্ষম হৈছে আৰু এইটো ভাৰতবৰ্ষৰ বাবে গৌৰৱ বুলি সভাত ভাষণ প্ৰসংগত মন্তব্য কৰে। এই প্ৰতিষ্ঠানটো উদ্বোধনী কৰিবলৈ পাই তেখেতে সন্তোষ প্ৰকাশ কৰে আৰু কয় যে এনেকুৱা ভিতৰুৱা ঠাইত এনে প্ৰতিষ্ঠান দেখিবলৈ পাই তেখেতে আচৰিত হৈ পৰে। বৈজ্ঞানিক জনৰ লগত ছাত্ৰ-ছাত্ৰী; অভিভাৱক আৰু বুদ্ধিজীৱী মহলে মত বিনিময় কৰে আৰু ছেলফি উঠাৰ ধুম তোলে। উক্ত প্ৰতিষ্ঠানটোত উচ্চতৰ মাধ্যমিক ছাত্ৰ-ছাত্ৰী সকলৰ বাবে বিজ্ঞান শাখা; কলা শাখা আৰু কমাৰ্চ শাখাৰ বাবে উচ্চ মানৰ শিক্ষা প্ৰদান কৰা হ'ব বুলি প্ৰতিষ্ঠানটোৰ কৰ্তৃপক্ষই জানিবলৈ দিয়ে। এই অনুষ্ঠানত উক্ত একাডেমীৰ অধ্যক্ষ পদ্মমিনি বৈকুণ্ঠ ৰায়ে কয় যে এই প্ৰতিষ্ঠানটোত পাকৈত শিক্ষক শিক্ষয়িত্ৰী নিযুক্তি দিয়া হৈছে আৰু একাডেমী খনৰ পৰিবেশ পৰিছন্নতা দেখি সকলোৰে যে মুগ্ধ হৈছে সেয়ে ৰাইজৰ উপস্থিতি দেখি অধ্যক্ষা জনে সাংবাদিকৰ আগত মন্তব্য কৰে। এই প্ৰতিষ্ঠানটোত দক্ষ শিক্ষক শিক্ষয়িত্ৰী নিযুক্ত দিয়া হৈছে আৰু উন্নত মানদণ্ডৰ শিক্ষা প্ৰদান কৰিব বুলি প্ৰতিষ্ঠানটোৰ কৰ্তৃপক্ষই সাংবাদিকক জানিবলৈ দিয়ে। এই প্ৰতিষ্ঠানটোত ইছৰোৰ বৈজ্ঞানিক জনক দৈখিবলৈ আৰু তেখেতৰ লগত মত বিনিময় কৰিবলৈ কেবাশতাধিক মানুহ আৰু ছাত্ৰ-ছাত্ৰী সকলে ভিৰ কৰি থকা পৰিলক্ষিত হয় আৰু বৈজ্ঞানিক জনৰ লগত মত বিনিময় কৰি উপস্থিত সকলোৰে সন্তোষ প্ৰকাশ কৰে।

# পৰ্বতঝোৰাৰ টিপকাই ছিনিয়ৰ ছেকেণ্ডাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত স্পেচ লেব'ৰেটৰী মুকলি অনুষ্ঠানত উপস্থিত বিটিআৰ চীফ প্ৰমোদ বড়ো

**প্ৰতিবেদক, পৰ্বতঝোৰাৰ**

সমগ্ৰ ৰাজ্যতে পঞ্চায়ত নিৰ্বাচনৰ মনোনয়ন দাখিলৰ



দিন বাৰ ঘোষণা হোৱাৰ সমান্তৰাল কৈ বিটিআৰ চীফ প্ৰমোদ বড়োই ভালে কেইটা উন্নয়ণ মূলক আচঁনিৰ মূকলিৰ উদ্দেশ্যে পৰ্বতঝোৰা পৰিষদীয় সমষ্টিৰ টিপকাই ছিনিয়ৰ ছেকেণ্ডাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কোটি টকীয়া Space Laboratory ৰ ফিতা কাটি মূকলি কৰে। আনপিনে বিদ্যালয় খনত আন্ত: গাঁথনিৰ বাবে কেইবা কোটি টকা ৰূপায়ণ কৰিব বুলি বিদ্যালয়ৰ অধ্যক্ষ গৰাকীয়ে আমাৰ সাংবাদিকৰ সাক্ষাৎকাৰত জানিবলৈ দিয়ে। কাৰ্য্যসূচীত চীফ গৰাকীৰ সংগ দিয়ে শিক্ষা বিভাগৰ কাৰ্য্যবাহী সদস্য উইলচন হাছদা,ইউ পি পি এল দলৰ জিলা সভাপতি প্ৰসেন কুমাৰ ব্ৰহ্ম সাধাৰণ সম্পাদক ছেলিম আহমেদ খান, জৱাহৰলাল ব্ৰহ্মকে আদি কৰি ভালে সংখ্যক গণ্য মান্য ব্যক্তিৰ লগতে বিদ্যালয় খনৰ শিক্ষক ছাত্ৰ ছাত্ৰী উপস্থিত থকা পৰিলক্ষিত হয়। ইপিনে আমাৰ সাংবাদিকৰ সাক্ষাৎকাৰত ভেঞ্চাৰ স্কুল প্ৰদেশিকৰণ সন্দৰ্ভত সোধা প্ৰশ্নৰ উত্তৰত বিটিআৰ চীফ প্ৰমোদ বড়োই কয় যে বিভাগীয় কৰ্তৃপক্ষই যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰি ৰাজ্য চৰকাৰ লৈ প্ৰেৰণ কৰিছে বুলি আমাৰ সাংবাদিকৰ সাক্ষাৎকাৰত জানিবলৈ দিয়ে।

# অভয়াপুৰীত অসম গণ পৰিষদ দলৰ যোগদান কাৰ্যসূচী

**প্ৰতিবেদক, অভয়াপুৰী ঃ** বঙাইগাঁও জিলাৰ অভয়াপুৰীৰ কুশবাৰী ২য় খণ্ড গাঁৱত বৃহস্পতিবাৰে অসম গণ পৰিষদ দলৰ এক যোগদান কাৰ্যসূচী অনুষ্ঠিত হয়। উক্ত যোগদান কাৰ্যসূচীত কংগ্ৰেছ দল আৰু AIUDF দলৰ পৰা প্ৰায় তিনিশ শতাধিক কৰ্মীয়ে অসম গণ পৰিষদ দলৰ প্ৰতি আকৃষ্ট হৈ অসম গণ পৰিষদ দলত যোগদান কৰে। অধিবক্তা তথা অসম গণ পৰিষদ দলৰ অসম ধৰ্মীয় সংখ্যালঘু পৰিষদৰ সম্পাদক পাৰভেজ ৰহমানৰ নেতৃত্বত তথা উপস্থিতিত কংগ্ৰেছ দল আৰু AIUDF দলৰ কৰ্মী সকলে আনুষ্ঠানিক ভাৱে অসম গণ পৰিষদ দলত যোগদান কৰে। উক্ত যোগদান কাৰ্যসূচীত অগপ দলৰ কেই বাজনো বিষয়ববীয়াৰ লগতে স্থানীয় ৰাইজ আৰু মহিলা সকল



উপস্থিত থাকে।

# ৰাজ্যিক পৰ্যায়ত উজলিল মৰিগাঁও জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ

**প্ৰতিবেদক, মৰিগাঁও**

ৰাজ্যিক পৰ্যায়ত উজলি উঠিল মৰিগাঁও জিলা। ৰাজ্যিক পৰ্যায়ৰ প্ৰতীকপট প্ৰতিযোগিতাত তৃতীয় স্থান দখল কৰিলে মৰিগাঁও জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে। অলপতে গুৱাহাটীত অনুষ্ঠিত অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ প্ৰতিষ্ঠা দিৱসৰ অনুষ্ঠানত জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ জিলা প্ৰকল্প বিষয়া ৰঞ্জু শৰ্মাই অসম চৰকাৰৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী কেশৱ মহন্তৰ উপস্থিতিত মৰিগাঁও জিলাৰ হৈ এই বঁটা গ্ৰহণ কৰে। উল্লেখ্য যে ২০২৫ বৰ্ষৰ মৰিগাঁও সদৰত অনুষ্ঠিত গণৰাজ্য দিৱসৰ অনুষ্ঠানত জিলা পৰ্যায়ৰ প্ৰতিযোগিতাত জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ, মৰিগাঁৱে প্ৰতীকপট প্ৰতিযোগিতাত প্ৰথম স্থান অধিকাৰ কৰিছিল। একেটা প্ৰতীকপট ৰাজ্যিক পৰ্যায়ত প্ৰদৰ্শন কৰি বিভাগটোৱে জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনে। উল্লেখ্য যে "কাইলৈৰ সুৰক্ষাৰ বাবে আজিৰ প্ৰস্তুতি : ভৱিষ্যতৰ স্থিতিস্থাপকতাৰ বাবে যুৱ প্ৰজন্মক নিয়োজিত কৰক" শীৰ্ষক বিষয় লৈ এই প্ৰতীকপট প্ৰদৰ্শন কৰা হৈছিল। প্ৰতীকপটত দুৰ্যোগৰ সময়ত যুৱ প্ৰজন্ম আৰু গ্ৰামীণ দুৰ্যোগ ব্যৱস্থাপনা সমিতিসমূহৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ দিশটো উপস্থাপন কৰা হৈছিল। লগতে শিক্ষানুষ্ঠানত দুৰ্যোগ ব্যৱস্থাপনাৰ অনুশীলন, আপদা মিত্ৰ স্বেচ্ছাসেৱী কাৰ্যসূচী, প্ৰশিক্ষণ আৰু সামৰ্থ্য বৃদ্ধি আদিত গুৰুত্ব আৰোপ কৰা হৈছিল। প্ৰতীকপটত গাঁও পৰ্যায়ৰ সমিতিৰ সভা, সাহায্য বিতৰণ কেন্দ্ৰ, আপদা মিত্ৰ স্বেচ্ছাসেৱী আৰু তেওঁলোকৰ সা-সঁজুলি, জীৱনৰক্ষী উন্নত সঁজুলি, খাদ্য আৰু ৰেচন, প্ৰাথমিক চিকিৎসা, এছ ডি আৰ এফৰ সা-সঁজুলি, উদ্ধাৰ অভিযানত ব্যৱহাৰ হোৱা সামগ্ৰী, গভীৰ পানীত উদ্ধাৰ অভিযানত ব্যৱহৃত সামগ্ৰী, অগ্নি নিৰ্বাপনত ব্যৱহৃত সামগ্ৰী আদি প্ৰদৰ্শন কৰা হৈছিল। লগতে জৰুৰীকালীন নম্বৰ, দুৰ্যোগৰ সময়ত জনসাধাৰণৰ কৰণীয় আদিৰ বিষয়েও বেনাৰ প্ৰদৰ্শন কৰা হৈছিল।

# হালাকুৰাত এজন গভাইত বাইক চোৰক আটক

**প্ৰতিবেদক, গোলকগঞ্জ**

ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ অন্তৰ্গত অন্তৰ্গত হালাকুৰাৰ বিদ্যাৰডাবৰী গাঁৱৰ এজন গভাইত চোৰক অলপতে আৰক্ষীয়ে আটক কৰা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে । আটকাধীন বিদ্যাৰডাবৰী পঞ্চম খণ্ড গাঁৱৰ জহিৰুল হুছেইনৰ পুত্ৰ ৰোজ আহমেদ (২৩)। জানিব পৰা মতে, ৩০ মাৰ্চৰ নিশা ছাগলীয়া আৰক্ষীয়ে খেদি খেদি বিদ্যাৰডাবৰী দ্বিতীয় খণ্ড গাঁৱৰ শ্মশানৰ কাষত মফিজুল হক নামৰ এজন ড্ৰাগছ সৰবৰাহকাৰীক আটক কৰে। আৰক্ষীয়ে সৰবৰাহকাৰী জনৰ পৰা ড্ৰাগছ জাতীয় নিষিদ্ধ য়াবা টেবলেটৰ লগতে AS 17A 9035 নম্বৰৰ গ্লেমাৰ বাইক এখন উদ্ধাৰ কৰে। উল্লেখ্য যে গ্লেমাৰ বাইক খনৰ নম্বৰ আটকাধীন হিৰো স্পেলেণ্ডাৰ বাইকৰ। আৰক্ষীৰ সন্দেহ হোৱাত ড্ৰাগছ সৰবৰাহকাৰী মফিজুলক অধিক সোধা পোছা কৰে। বাইক খন বিদ্যাৰডাবৰী পঞ্চম খণ্ড গাঁৱৰ ৰোজ আহমেদৰ বুলি তেঁও আৰক্ষীৰ আগত স্বীকাৰ কৰে। তেঁৱৰ স্বীকাৰোক্তিৰ ভিত্তিত গোলকগঞ্জ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দেৱজিত কলিতাৰ নেতৃত্বত আৰক্ষীৰ দলে অভিযান চলাই ৰোজক আটক কৰে। বাহন খন আন এজনৰ পৰা ক্ৰয় কৰা বুলি জানিব দিয়ে। তেঁৱৰ বিৰুদ্ধে গোলকগঞ্জ থানাত জানুৱাৰী মাহত ভাৰতীয় ন্যায় সংহিতাৰ ৩০৩/২ নং ধাৰাত ১৬/২৫ নম্বৰত বাইক চুৰিৰ আন এটা গোচৰ ৰুজু হৈ আছে। আনহাতে উদ্ধাৰ হোৱা বাইক ছোটোগুমাৰ পৰা চুৰি হোৱা বুলি জানিব পৰা গৈছে। অকল এইখন বাইক চুৰিয়ে নহয় তেঁও আন বাইকৰ লগতে কেইবাখনো ই-ৰিক্সা চুৰিত জড়িত হৈ আছে বুলি তেঁৱৰ স্বীকাৰোক্তিত প্ৰকাশ পাইছে।

সাপ্তাহিক
আধুনিক অসম

# তিনিচুকীয়াৰ জিলা আয়ুক্তৰ শেহতীয়া কাম-কাজ লৈ মিশ্ৰিত প্ৰতিক্ৰিয়া

## সাংবিধানিক গণতান্ত্ৰিক অধিকাৰ খৰ্বৰ অভিযোগ

**প্ৰতিবেদক, ডুমডুমা**

তিনিচুকীয়া জিলাৰ আয়ুক্ত আই এ এছ স্বপ্নীল পালৰ শেহতীয়া কাম-কাজক লৈ তিনিচুকীয়া জিলাত মিশ্ৰিত প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱা পৰিলক্ষিত হৈছে। বিশেষকৈ অলপতে আয়ুক্ত পালে তিনিচুকীয়া বৰগুৰিস্থিত কাৰ্য্যালয়ৰ সভাকক্ষত কেইবাটাও খিলঞ্জীয়া তথা জাতীয়-জনগোষ্ঠীয় সংগঠনৰ নেতৃত্বক আলোচনাৰ বাবে মাতি আলোচনা কালতে ভাবুকি প্ৰদান কৰাৰ এক গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। উক্ত ঘটনাৰ এটা ভিডিঅ' সামাজিক মাধ্যমত বনজুইৰ দৰে বিয়পি পৰাত জিলা আয়ুক্ত স্বপ্নীল পালৰ শেহতীয়া উক্ত কাণ্ডক লৈ জিলাখনৰ সচেতন আৰু বৌদ্ধিক মহলত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱা পৰিলক্ষিত হৈছে। উল্লেখ্য যে, বাণিজ্যিক চহৰ তিনিচুকীয়াৰ ঐতিহাসিক ন-পুখুৰীস্থিত "মৰুৎ নন্দন কানন" পাৰ্কত বিহাৰী সম্প্ৰদায়ৰ লোকে ষট পূজা আয়োজন কৰিবলৈ যো-জা কৰাক লৈ তিনিচুকীয়াৰ দল-সংগঠন আৰু খিলঞ্জীয়া ৰাইজ সৰৱ হোৱাৰ লগতে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰিছিল। ঘটনাক লৈ বিদ্ৰোহী সংগঠন আলফা স্বাধীনেও সংবাদ মাধ্যমলৈ এক বিবৃতি প্ৰেৰণ কৰি ইয়াৰ তীব্ৰ বিৰোধিতা কৰিছিল। স্মতব্য যে, কিছু ব্যতিক্ৰমী আচৰণক লৈ সময়ে সময়ে সংবাদ মাধ্যমৰ শিৰোনামো দখল কৰিছিল তিনিচুকীয়া জিলা আয়ুক্ত স্বপ্নীল পাল। ২০২৪ বৰ্ষৰ মে' মাহত তিনিচুকীয়া জিলাৰ কাকপথাৰৰ টঙনাগাঁও চাহ বাগিচাত ১১ জন শ্ৰমিকৰ অস্বাভাৱিক মৃত্যুক লৈ ৰাজ্যজুৰি ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাৰ সময়তো চৰ্চালৈ আহিছিল জিলা আয়ুক্ত স্বপ্নীল পাল। কাৰণ সেইসময়ৰ শ্ৰমমন্ত্ৰী তথা তিনিচুকীয়া বিধানসভা সমষ্টিৰ বিধায়ক সঞ্জয় কিশানে বাগিচাখনত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লোৱাৰ পাছত সামাজিক মাধ্যম( ফেচবুক)যোগে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছিল এনেদৰে," সম্ভাব্য ক'লেৰাজনিত ৰোগত আক্ৰান্ত হৈ চাহ বাগিচাত কৰ্মৰত চনু তাঁতী, সুনীল তাঁতী, দেৱীছা শ্বাহে মৃত্যুক সাৱটি লোৱাৰ কৰুণ বতৰাই আমাক অত্যন্ত মৰ্মাহত কৰিছে। আজি টঙনা চাহ বাগিচাত উপস্থিত হৈ মৃতকসকলৰ বাসগৃহত শোকসন্তপ্ত পৰিয়ালবৰ্গক সাক্ষাৎ কৰি মোৰ গভীৰ সমবেদনা জ্ঞাপন কৰিলোঁ।" ১২৫ নং ডুমডুমা বিধানসভা সমষ্টিৰ বিধায়ক ৰূপেশ গোৱালাই সামাজিক মাধ্যমযোগে কৈছিল, "যোৱা কেবাদিনধৰি সমষ্টিৰ বাহিৰত থকাৰ বাবে আজি টঙনাগাঁও চাহ বাগিচাত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লোৱাৰ লগতে বাগিছা কৰ্তৃপক্ষ, জিলা প্ৰশাসন, স্বাস্থ্য বিভাগৰ লগত আলোচনা কৰি তৎকালে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিও। উল্লেখযোগ্য যে, যোৱা ১২ মে 'ৰ পৰা টঙনাগাঁও চাহ বাগিছাখনত ডায়েৰিয়া সদৃশ ৰোগত আক্ৰান্ত হৈ ১১ গৰাকী ব্যক্তিৰ মৃত্যু ঘটে।" ঘটনাৰ সন্দৰ্ভত আয়ুক্ত পালে ২৩ মে' ত জিলা আয়ুক্ত কাৰ্য্যালয়ৰ সভাকক্ষত এখন সংবাদ মেল সম্বোধন কৰি উত্থাপিত অভিযোগ নস্যাৎ কৰি কয় যে, চিকিৎসকৰ পৰা লাভ কৰা তথ্য অনুসৰি ইয়াৰ এজনৰো ক্ষেত্ৰত ক'লেৰা ৰোগৰ লক্ষণ নাছিল আৰু মাত্ৰ দুজনৰ ক্ষেত্ৰতহে সামান্য পৰিমাণৰ গ্ৰহণীৰ লক্ষণ দেখা গৈছিল। উক্ত ১১ জনৰ ভিতৰত ৯ জনৰ উচ্চ ৰক্তচাপ, যকৃতৰ ৰোগ, গেষ্ট্ৰিক আৰু আন কাৰণত মৃত্যু হোৱাৰ বিপৰীতে মাত্ৰ দুজনৰ আংশিক ডায়েৰিয়া হৈছিল বুলি সংবাদ মেলত জনাইছিল। আয়ুক্ত পালে সংবাদ মেলত গৰমৰ প্ৰকোপ বৃদ্ধি পোৱাৰ বাবে নিজকে সুস্থ ৰাখিবলৈ ৰাইজক খাদ্য গ্ৰহণ কৰোঁতে সাৱধান হ'বলৈ আহবান জনোৱাৰ লগতে বিশেষকৈ চাহ শ্ৰমিকসকলে নিমখ বেছিকৈ খোৱাৰ বাবে এনেধৰণৰ ঘটনাৰ সন্মুখীন হোৱা বুলিও তাৎপৰ্যপূৰ্ণ মন্তব্য কৰিছিল। ৰাইজে অঞ্চলটোত চুলাই মদ অবাধ প্ৰচলনৰ লগতে চুলাই মদ সেৱন কৰি ১১ জনকৈ শ্ৰমিকৰ মৃত্যু হোৱাৰ অভিযোগ তুলিছিল। তিনিচুকীয়া ৰাজ্যিক গ্ৰন্থমেলাক লৈ জিলা আয়ুক্ত পালে গ্ৰন্থমেলাৰ উদ্যোক্তা সদৌ তিনিচুকীয়া জিলা চুতীয়া ছাত্ৰ সন্থাৰ বিষয়ববীয়াক নিজৰ কাৰ্য্যালয়ত অভব্য তথা অসৌজন্যমূলক আচৰণ কৰাক লৈ ক্ষোভিত হৈ যোৱা ৭ ডিচেম্বৰত সংগঠনটোৱে ঘটনাৰ সন্দৰ্ভত এখন সংবাদ মেল সম্বোধন কৰাৰ লগতে তিনিচুকীয়াৰ সদৰ থানা চাৰিআলিত আয়ুক্ত পালৰ প্ৰতিকৃতি দাহ কৰিছিল। অভিযোগ অনুসৰি, আয়ুক্ত পালে সংগঠনৰ প্ৰতিনিধিক জে'লত ভৰাম বুলি ভাবুকি প্ৰদান কৰিছিল। অভিযোগ অনুসৰি, কালি আয়ুক্ত পালে তিনিচুকীয়াৰ ঐতিহাসিক ন-পুখুৰী পাৰত ষট পূজাক অনুষ্ঠিত কৰিবলৈ লোৱাক কেন্দ্ৰ কৰি সৃষ্টি হোৱা সংঘাতৰ পৰিপ্ৰেক্ষিতত আলোচনাৰ বাবে নিমন্ত্ৰণমৰ্মে যোৱা তিনিচুকীয়াৰ জাতীয়-জনগোষ্ঠীয় সংগঠনক - " আইন-শৃংখলাৰ পৰিস্থিতি নিয়ন্ত্ৰণ কৰাৰ বাবে মই যিকোনো ব্যৱস্থা গ্ৰহণ ল'ম। আইন-শৃংখলা মুখ্য বিষয়। আইন-শৃংখলা যদি কোনোবাই বেয়া কৰিছে, মোতকৈ বেয়া আৰু কোনো নহ'ব। মোক কি কৰিব ? মে'মাম মোক বদলি দিব কৰিব পাৰিব। বেলেগ কি কৰিব আপোনালোকে ? আইন-শৃংখলাৰ স্বাৰ্থত মই যিমানদূৰ যাব লাগে যাম। গুণ্ডাগিৰি, হুলস্থুল ইয়াত নচলিব।" জিলা আয়ুক্ত স্বপ্নীল পালৰ এনে আচৰণক লৈ তিনিচুকীয়াৰ বৌদ্ধিক মহলত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱা হৈছে। একাংশ সচেতন লোকৰ অভিযোগ ক্ষমতাৰ ৰাগীত মাতাল হৈ আয়ুক্ত পালে ক্ষমতাৰ অপব্যৱহাৰ কৰিছে, এয়া গণতন্ত্ৰৰ বাবে শুভ লক্ষণ নহ'য়। জিলাখনৰ বিভিন্ন দল-সংগঠনে আয়ুক্ত পালক অচিৰেই বদলিৰ দাবী তুলিছে। জিলা প্ৰশাসনৰ মুৰব্বী এগৰাকীৰ এনে কাণ্ডক লৈ জিলাখনৰ সৰ্বস্তৰতে প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাক লৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কি প্ৰতিক্ৰিয়া প্ৰকাশ কৰে, সেয়া নিশ্চয় লক্ষণীয় হ'ব।

# শ্ৰমিক নেতা পদ্মেশ্বৰ বৰাৰ অভিনন্দন গ্ৰন্থ উন্মোচন

**প্ৰতিবেদক, গোলাঘাট**

ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ আজীৱন সদস্য,কৃষক-শ্ৰমিকৰ ৰাজ্যিক পৰ্যায়ৰ নেতা,অৱসৰপ্ৰাপ্ত শিক্ষক গোলাঘাট দৈগ্ৰোঙৰ নিবাসী পদ্মেশ্বৰ বৰাৰ অভিনন্দন গ্ৰন্থ উন্মোচন কৰা হয় ।ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ গোলাঘাট জিলা পৰিষদ,নিখিল ভাৰত কৃষক সভা,কৃষি শ্ৰমিক ইউনিয়ন,এআইটিইউচি,সদৌ অসম নিৰ্মাণ শ্ৰমিক সন্থাৰ গোলাঘাট জিলা পৰিষদৰ উদ্যোগত গোলাঘাট নগৰৰ পেঞ্চনাৰ ভৱনত অনুষ্ঠিত অভিনন্দন অনুষ্ঠানৰ সভাত সভাপতিত্ব কৰে গোলাঘাট জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি জ্যেষ্ঠ কমিউনিষ্ট নেতা মহেশ্বৰ শইকীয়াই ।সমাজকৰ্মী হেমন্ত হাজৰিকাই উদ্বোধনী ভাষণ প্ৰদান কৰা লগতে সভাৰ আৰম্ভণিতে উদ্বোধনী গীত পৰিবেশন কৰে প্ৰজ্ঞা ফুকনে ।যুৱ নেতা পৰমানন্দ দাসে আঁত ধৰা সভাত পদ্মেশ্বৰ বৰা অভিনন্দন গ্ৰন্থ "জ্যোতিৰিংগ"উন্মোচন কৰে বিশিষ্ট চলচিত্ৰ পৰিচালক দীনেশ গগৈয়ে ।দীপক বৰা আৰু ৰিম্পী বৰাই সম্পাদনা কৰা অভিনন্দন গ্ৰন্থখনি উন্মোচন কৰি দীনেশ গগৈয়ে কয় যে ছাত্ৰকালত পদ্মেশ্বৰ বৰাই দিগদৰ্শক আছিল ।সাম্যবাদী চিন্তাৰে তেখেতে আমাক উদ্বুদ্ধ কৰিছিল ।অসম ছাত্ৰ সন্মিলনত আমি তেখেতৰ পথ অনুসৰণ কৰি আমি কাম কৰিছিলোঁ ।আজীৱন কমিউনিষ্ট হৈ জনগনৰ সেৱা আগবঢ়াই যোৱা পদ্মেশ্বৰ বৰাই নিজৰ লগতে সমাজক ধন্য কৰিছে ।সভাত অভিনন্দন সূচক বক্তব্য ৰাখি বিশিষ্ট বুদ্ধিজীৱী হেম ফুকনে পদ্মেশ্বৰ বৰাৰ জীৱন কৃৰ্তি আলোকপাত কৰে ।বিশিষ্ট সাংবাদিক দ্বীপেন দত্তই বক্তব্য ৰাখি কয় যে অসম ছাত্ৰ সন্মিলনৰ দিনৰে পৰা পদ্মেশ্বৰ বৰাই গোলাঘাটৰ সমাজ জীৱনত এতিয়ালৈকে সক্ৰিয়তাৰে কাম কৰি আছে ।একে উদ্যমেৰে তেখেতে শোষিত-নিষ্পেষিত মানুহৰ বাবে সেৱা আগবঢ়াইছে ।অৱসৰী অধ্যাপক পৰেশ দত্ত,বিশিষ্ট বুদ্ধিজীৱী পৰাগ পৱন শৰ্মা বড়া,প্ৰবীণ বাওঁপন্থী নেতা লক্ষেশ্বৰ বৰা,বিশিষ্ট সমাজসেৱক জীতেন কুমাৰ হাজৰিকা,শিক্ষাবিদ অৰূপ দুৱৰাই বক্তব্য প্ৰদান কৰি পদ্মেশ্বৰ বৰাৰ প্ৰতি অভিনন্দন জ্ঞাপন কৰে ।সভাত চিপিআইৰ গোলাঘাট জিলা পৰিষদ, এআইটিইউচি, নিখিল ভাৰত কৃষক সভা,গোলাঘাট জিলা কৃষি-শ্ৰমিক ইউনিয়ন,সদৌ অসম নিৰ্মাণ শ্ৰমিক সন্থাৰ গোলাঘাট জিলা সমিতি,নিখিল ভাৰত ছাত্ৰ ফেডাৰেছনৰ গোলাঘাট জিলা সমিতি, সদৌ গোলাঘাট জিলা নিৰ্মাণ শ্ৰমিক সন্থা,অসম মহিলা সংঘৰ গোলাঘাট জিলা সমিতি,পানজান এম ই আৰু হাইস্কুল শিক্ষক সন্থা,সদৌ বেতিয়নী ৰঙালী বিহু সন্মিলন,দৰিয়াজান সংঘ,বেতিয়নী মিতালি সংঘে ধৰি একুৰিৰো অধিক দল সংগঠনে বাওঁপন্থী নেতা পদ্মেশ্বৰ বৰাক সম্বৰ্দ্ধনা জ্ঞাপন কৰে।




# অসম মেঘালয় সীমান্তৱৰ্তী হাটশিঙিমাৰীস্থ স্মাৰ্ট ইণ্টিগ্ৰেটেড একাডেমীৰ সাফল্য

**ষ্টাফ ৰিপ'ৰ্টাৰ, মানকাচৰ**

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ সদৰ হাটশিঙিমাৰীত অৱস্থিত Smart Integrated Academy খনৰ শিক্ষক শিক্ষয়িত্ৰী সকল বৰ দক্ষ আৰু উক্ত একাডেমী খনত শিক্ষক শিক্ষয়িত্ৰী সকলে উচ্চ মানদণ্ডৰ শিক্ষা প্ৰদান কৰে বুলি প্ৰতিষ্ঠানটোৰ সম্পাদক আ: কাদিৰে সংবাদ মাধ্যমৰ আগত ব্যক্ত কৰে। এই একাডেমী খনত ২০২৩ বৰ্ষৰ পৰা ক্লাছ নাৰ্ছাৰীৰ পৰা ক্লাছ দশম শ্ৰেণীলৈকে ছাত্ৰ-ছাত্ৰী সকলে নামভৰ্তি কৰি অধ্যয়ন কৰি আহিছে। কিন্তু এই বেলি এই একাডেমী খনত H.S.ৰ ছাত্ৰ ছাত্ৰীসকলৰ বাবে বিজ্ঞান আৰু কলা শাখা খুলিছে আৰু উক্ত বিভাগত ছাত্ৰ-ছাত্ৰী সকলক নাম ভৰ্তিৰ বাবে সম্পাদক জনে আহ্বান জনায়। ইতিমধ্যে এই একাডেমী খনত ক্লাছ নাৰ্ছাৰীৰ পৰা নৱম শ্ৰেণীলৈকে মুঠ ১০০ জন ছাত্ৰ-ছাত্ৰীয়ে নাম ভৰ্তি কৰিছে আৰু ২৫০ জন ছাত্ৰ-ছাত্ৰীয়ে প্ৰপত্ৰ লৈছে বুলি স্কুল খনৰ অধ্যক্ষা নাসিমা বেগমে জানিবলৈ দিয়ে। এই সন্দৰ্ভত সম্পাদক জনে দক্ষিণ শালমাৰা মানকাচৰ জিলাখনৰ ছাত্ৰ-ছাত্ৰী সকল তথা সিহঁতৰ অভিভাৱক সকলক সিহঁতৰ প্ৰতিষ্ঠানটোত নাম ভৰ্তিৰ বাবে অনুৰোধ জনায়। এই প্ৰতিষ্ঠানখনে ছাত্ৰ-ছাত্ৰী সকলক উন্নতমানৰ শিক্ষা প্ৰদান কৰাৰ উপৰিও বিভিন্ন ধৰণৰ সাংস্কৃতিক চৰ্চা কৰি থাকে বুলি সম্পাদক জনে সংবাদ মাধ্যমৰ আগত ব্যক্ত কৰে। উল্লেখ্য যে এই একাডেমী খনত মাজে সময়ে বিভিন্ন ধৰণৰ সাংস্কৃতিক অনুষ্ঠান দেখিবলৈ পোৱা যায়।

# দেৰগাঁৱত জিলা ভিত্তিত পাঞ্জা প্ৰতিযোগিতা সম্পন্ন

**প্ৰতিবেদক, দেৰগাঁও**

গোলাঘাট জিলা পাঞ্জা সন্থাৰ উদ্যেগত আৰু দেৰগাঁও ক্ৰীড়া সন্থাৰ সহযোগত দেওবাৰে দেৰগাঁও ক্ৰীড়া সন্থা ভৱনত আন্তঃক্লাব পাঞ্জা প্ৰতিযোগীতা অনুষ্ঠিত হয় ।পুৱা জিলা পাঞ্জা সন্থাৰ সভাপতি প্ৰণৱ চক্ৰবৰ্তীয়ে পতাকা উত্তোলন কৰাৰ পাছত আনুষ্ঠানিকভাৱে প্ৰতিযোগিতা উদ্বোধন কৰে ক্ৰীড়া সন্থাৰ সভাপতি প্ৰশান্ত প্ৰদীপ হাজৰিকা আৰু সমাজকৰ্মী পৰাগ বৰাই ।প্ৰতিযোগিতাখনত আন্ত:ক্লাব শিতানৰ ০-৫৫কেজি শাখাত যুগল গগৈ প্ৰথম,ৰায়ান আলি দ্বিতীয় আৰু পিযুষ বৰুৱা তৃতীয় বিবেচিত হয় ।৫৬-৬৫শাখাত য়াচিন আলি প্ৰথম,আকাংক্ষিত ভাৰ্গৱ দ্বিতীয় আৰু ত্ৰিদেন বৰ্মন তৃতীয় হয় ।৬৬-৭৫কেজি শাখাত প্ৰণৱ ভূএগ প্ৰথম,নেকিব আলি দ্বিতীয় আৰু উৎপল বৰা তৃতীয় হয় ।৭৫কেজিৰ ওপৰৰ শাখাত বিকাশ বৰুৱা প্ৰথম,লক্ষজিৎ বৰুৱা দ্বিতীয় আৰু দেৱজিৎ পেগু তৃতীয় বিবেচিত হয় ।আনহাতে ছুপাৰ মেটছত বিজয়ী হয় ক্ৰমে বিদ্যান বৰঠাকুৰ,এম ডি দাও,গৌৰৱ প্ৰিতম দত্ত আৰু অবিনাশ বৰদলৈ বিজয়ী হ'বলৈ সক্ষম হয় ।আন্তঃক্লাবৰ চেম্পিয়ন অৱ দা চেম্পিয়ন খিতাপ অৰ্জন কৰে বিকাশ বৰুৱাই ।ইয়াৰ পিছতে প্ৰণৱ চক্ৰবৰ্তীৰ সভাপতিত্বত অনুষ্ঠিত বটা বিতৰণী সভাত বিজয়ী সকলক বটা প্ৰদান কৰা হয় ।সম্পাদক মৃণাল হাজৰিকাই আঁতধৰা সভাখনত প্ৰবীণ সাংবাদিক বিচিত্ৰ ভূষণ কলিতা,বিশিষ্ট ৰেফৰী তথা ৰাষ্ট্ৰীয় খেলুৱৈ ঈশান কাশ্যপ,ক্ৰীড়া সংগঠক লাচিত বৰা,দীপক কটকী,দিগন্ত নাথ,প্ৰনব বৰা,ক্ৰীড়া সন্থাৰ সম্পাদক অজয় বৰা,সাংবাদিক সংস্থাৰ সম্পাদক ইন্দুভূষণ মহন্ত,জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ গোলাঘাট জিলাৰ উপসভাপতি ৰিন্টু দত্ত প্ৰমুখ্যে কেইবাজনো বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰি বিজয়ী সকলক বঁটা প্ৰদান কৰে।

# হালাকুৰাত ড্ৰাগছৰ পয়োভৰ, ড্ৰাগছ ব্যৱসায়ীৰ আক্ৰমণত আহত নিৰীহ যুৱক

**প্ৰতিবেদক, হালাকুৰা**

ধুবুৰী জিলাৰ হালাকুৰা আৰক্ষী তালাচী চকী এলেকাত ড্ৰাগছ ব্যৱসায়ীৰ অতপালিত সামাজিক পৰিৱেশ বিনষ্ট হোৱাৰ অভিযোগ উত্থাপিত হৈছে। অভিযোগ মতে, জিনকাটা দ্বিতীয় খণ্ড গাঁও আৰু সোনাখুলি গাঁও দুখন ড্ৰাগছ সৰবৰাহকাৰীৰ ঘাটিত পৰিণত হৈছে। জিনকাটা দ্বিতীয় খণ্ড গাঁৱত গাঁও খনৰ বিধান ৰায়ৰ নেতৃত্বত চলিছে নিষিদ্ধ ড্ৰাগছৰ ব্যৱসায়। ড্ৰাগছৰ পয়োভৰ বৃদ্ধি পোৱাত সামাজিক পৰিৱেশ বিঘ্নিত হৈ পৰিছে। কালি ৰাতি গাঁও খনৰ ৰূপজ্যোতি দে হালাকুৰা বজাৰত থকা দোকান বন্ধ কৰি ঘৰমূৱা হওতে পথৰ কাষত বিধানক ড্ৰাগছ সৰবৰাহ কৰা প্ৰত্যক্ষ কৰে। তেঁৱক এই সন্দৰ্ভত বাধা দি সতৰ্ক বাণী শুনায়। ইয়াৰ পূৰ্বেও তেঁৱক এনে অবৈধ কৰ্ম গাঁও খনত নকৰাৰ বাবে সকীয়াই দিয়া হৈছিল। এইটোৱে আছিল ৰূপজ্যোতিৰ অপৰাধ। বিধান ৰায়ে সদল বলে অকলশৰীয়া ৰূপজ্যোতিক আক্ৰমণ কৰি গুৰুতৰ ভাৱে আহত কৰাৰ লগতে দোকান সামৰি লৈ অহা ডেৰ লাখ টকা কাঢ়ি নিয়ে। এই সন্দৰ্ভত নিশাতে ৰূপজ্যোতিয়ে হালাকুৰা আৰক্ষী তালাচী চকীত এজাহাৰ দিয়ে। চকীৰ ভাৰপ্ৰাপ্ত বিষয়া নয়ন মনি পাটোৱাৰী আক্ৰমণকাৰীৰ বিৰুদ্ধে নমনীয় ভূমিকা গ্ৰহণ কৰাৰ অভিযোগ তুলি দুপৰীয়া অৰ্ধ শতাধিক লোক আৰক্ষী তালাচী চকী খনত উপস্থিত হৈ প্ৰতিবাদ সাব্যস্ত কৰে।

সাপ্তাহিক
আধুনিক অসম

# দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ স্বাস্থ্য বিভাগ আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগত নিবিদা অবিহনে চলিছে বিভিন্ন সা-সামগ্ৰী যোগান ধৰাৰ ঠিকা

## বিভাগ দুটাৰ ঊৰ্দ্ধতম কৰ্তৃপক্ষক অনিয়ম আৰু দুৰ্নীতিৰ বিৰুদ্ধে পত্ৰ প্ৰেৰণ


**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী ঃ** দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ স্বাস্থ্য বিভাগত আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কাৰ্যবাহী অভিযন্তাৰ কাৰ্যালয়ৰ কৰ্তৃপক্ষৰ ছত্ৰছায়াত ব্যাপক অনিয়ম আৰু দুৰ্ণীতিৰ বিৰুদ্ধে বিভাগ দুটাৰ উৰ্দ্ধতম কৰ্তৃপক্ষক ব্যৱস্থা লোৱাৰ বাবে অভিযোগ পত্ৰ প্ৰেৰণ কৰা বুলি জানিব পৰা গৈছে । অভিযোগ মতে জিলা খনৰ স্বাস্থ্য বিভাগ অথবা জিলা যুটীয়া স্বাস্থ্য সঞ্চালকৰ কাৰ্যালয় কৰ্তৃপক্ষই, জিলা স্বাস্থ্য মিচন কৰডিনেটৰ, হাটশিঙিমাৰী জিলা চিকিৎসালয়, গজাৰী কান্দি খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আৰু দক্ষিণ শালমাৰা খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত আজি দীৰ্ঘদিনৰ পৰা কোনো ধৰণৰ নিৰিদা অথবা কটেছন অবিহনে চলাই আছে নিতিবহীৰভূত ভাবে বিভিন্ন সা সামগ্ৰী যোগান ধৰাৰ ঠিকা। জানিব পৰা মতে সামগ্ৰী সমূহ হল কম্পিউটাৰ, কম্পিউটাৰ কাৰডিজক, বিভিন্ন কাগজ পাতি, ফাইল কভাৰ, ইলেক্ট্ৰনিক বিভিন্ন সা সামগ্ৰী, বিভিন্ন ৰোগ সন্দৰ্ভত সজাগতা মূলক সভাৰ বেনাৰ, পোষ্টাৰ, ৰোগীৰ খাদ্য, আশা কৰ্মী সকলৰ বিভিন্ন সময়ত হোৱা সভা সমিতিৰ খাদ্য , বিভাগৰ বিভিন্ন পদবীৰ বিষয়াৰ গাড়ীৰ ডিজেল, পেট্ৰল আৰু চিকিৎসা কেন্দ্ৰৰ মেৰামতি ইত্যাদি। জানিব পৰা মতে জিলা স্বাস্থ্য বিভাগৰ কৰ্তৃপক্ষৰ অতি ঘনিষ্ঠ দুজন ঠিকাদাৰ অথবা ভেণ্ডৰ লগত গোপন বুজাবুজি কৰি নিবিদা অবিহনে নিয়ম বহিৰ্ভূত ভাবে উক্ত সা সামগ্ৰী যোগান ধৰাৰ ঠিকা দিয়াৰ নামত চলাই আছে ৰমৰমীয়া ব্যৱসায়। গতিকে স্বাস্থ্য বিভাগৰ উৰ্দ্ধতম কৰ্তৃপক্ষই জিলা খনত চলি থকা অনিয়ম বোৰ দূৰ কৰি বিভাগ টোত অনতি পলমে নিৰিদাৰ ব্যৱস্থা কৰিবলৈ বঞ্চিত ভেণ্ডৰ অথবা ঠিকাদাৰে দাবী জনায়। ইপিনে জিলা খনৰ হাটশিঙিমাৰীত থকা জন স্বাস্থ্য কাৰিকৰী বিভাগৰ কৰ্তৃপক্ষৰ বিৰুদ্ধে সেই একেই অনিয়মৰ অভিযোগ উত্থাপন হৈছে। অভিযোগ পত্ৰত উল্লেখ কৰা মতে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ গাণনিক বিষয়া শ্বাহমিন খান আৰু জিলা মিচন কৰডিনেটৰ জন স্বাস্থ্য কাৰিকৰী বিভাগ( হাটশিঙিমাৰী) সাহিনুৰ ইছলামে আজি দীৰঘদিন ধৰি নিতি বহীৰভূত ভাবে ব্যাপক অনিয়ম কৰি নিবিদা অবিহনে নিজৰ পছন্দৰ ভেণ্ডৰৰ লগত গোপন বুজাবুজি কৰি যেনে বিভিন্ন সা সামগ্ৰী, খাদ্য, কাৰ্যালয়ৰ বিভিন্ন কাগজ পাতি, কম্পিউটাৰ, প্ৰিণ্টাৰ, ফাইল কভাৰ, ইনভাৰ্টাৰ চেইট, টেৱিল, চেয়াৰ, ফেন, খিৰিকী দৰ্জাৰ পৰ্দা, ডেমি পেপাৰ, টেক, এষ্টাবল পিন, স্বচ্ছতা হী সেৱাৰ বিভিন্ন সময়ত হোৱা সজাগতা মূলক সভাৰ খাদ্য, বেনাৰ পোষ্টাৰ, ঝাড়ু, মান পত্ৰ, হেণ্ড গ্লোব, বিভিন্ন সজাগতা মূলক সভাৰ পেণ্ডেল, কাৰ্যালয়ৰ বিভিন্ন পদবীৰ বিষয়াৰ গাড়ীৰ পেট্ৰল, ডিজেল ইত্যাদি।

# প্ৰয়াত ৰাজীৱ শদিয়াৰ মাটি কেলেংকাৰীত অভিযুক্ত বেংকৰ প্ৰৱন্ধক থানাত হাজিৰ

## বৰ্তমানেও পলাতক মূল অভিযুক্ত আনন্দ ৰাচিৱাচিয়া

**প্ৰতিবেদক, তিনিচুকীয়া**

প্ৰয়াত গণশিল্পী ৰাজীৱ শদিয়াৰ তিনিচুকীয়া চহৰৰ গেলাপুখুৰীৰ জয়ানগৰস্থিত বাসগৃহৰ ভূমি জালিয়াতি ঘটনাৰ অন্যতম অভিযুক্ত বেংকৰ প্ৰৱন্ধক বিষয়া অমৃত কুমাৰ ঝা তিনিচুকীয়া আৰক্ষীৰ ওচৰত হাজিৰ হৈছে। আৰক্ষীৰ সূত্ৰে জানিব পৰা মতে বৰ্তমান কলকাতাবাসী বেংক বিষয়া অমৃত কুমাৰ ঝাই অগ্ৰীম জামিন লৈ সোমবাৰে তিনিচুকীয়া আৰক্ষীৰ ওচৰত হাজিৰ হয়। আৰক্ষীয়ে ৰাজীৱ শদিয়াৰ বাসগৃহৰ ভূমি জালিয়াতিৰ ঘটনা সন্দৰ্ভত তেওঁক দীৰ্ঘসময় সোধা-পোছা কৰে। অভিযুক্ত বেংক বিষয়া অমৃত কুমাৰ ঝাক তিনিচুকীয়া আৰক্ষীয়ে এসপ্তাহৰ পাছত পুনৰ তলৱ কৰিছে। উল্লেখ্য, উক্ত মাটিডোখৰ মনোজ চুতীয়া নামৰ ব্যক্তিজনে প্ৰয়াত গণশিল্পী ৰাজীৱ শদিয়াক ২০১৫ চনৰ পৰাই বাস কৰিবৰ বাবে এৰি দিয়াৰ লগতে শিল্পীজনৰ নামত স্ব-ইচ্ছাই উচৰ্গা কৰাৰ কথা ঘোষণা কৰিছিল। কিন্তু শিল্পীজন জীৱিত থকা কালতে উল্লিখিত মাটিডোখৰৰ বিপৰীতে বেংক বিষয়া অমৃত কুমাৰ ঝা আৰু আনন্দ ৰাচিৱাছিয়া নামৰ এজন বণিয়াই জালিয়াতিত লিপ্ত হৈ বেংকৰ পৰা ঋণ লৈ উধাও হোৱাৰ অভিযোগ উঠিছিল। অভিযোগ অনুসৰি মনোজ চুতীয়াক বলিৰ পঠা সজাই ১০ লাখ ঋণ দিয়াৰ আশা দি তেওঁৰ অজ্ঞাতে ৫০ লাখ ঋণৰ গ্যাৰেণ্টৰ সজাই শাখা প্ৰবন্ধক অমিত কুমাৰ ঝা আৰু ৰাছি ইণ্ডাষ্ট্ৰীজ নামৰ উদ্যোগৰ মালিক আনন্দ ৰাছিৱাছিয়াই মিলি সেই টকা আত্মসাৎ কৰে। এই জালিয়াতিৰ বিষয়ে গম পোৱাৰ পাছতে তিনিচুকীয়াৰ সদৰ থানাত গোচৰ দিয়াৰ উপৰি মনোজে গুৱাহাটীৰ অৰিয়েণ্টেল বেংক অব কমাৰ্চৰ মাণ্ডলিক কাৰ্যালয়তো বিষয়টো সবিশেষ অৱগত কৰিছিল। পৰৱৰ্তী সময়ত পঞ্জাৱ নেচনেল বেংকৰ সৈতে অৰিয়েন্টেল বেংক অৱ কমাৰ্চ সংলগ্ন হোৱাৰ পাছত ডিব্ৰুগড়স্থ পঞ্জাৱ নেচনেল বেংকৰ আঞ্চলিক কাৰ্যালয়ৰ সংশ্লিষ্ট বিষয়াকো বিষয়টো অৱগত কৰাৰ পাছতো কোনো ফালৰ পৰা সুদৃত্তৰ লাভ কৰাত মনোজ চুতীয়া ব্যৰ্থ হয়। পুনৰ ৪৩ লাখ আদায় দিয়াৰ বাবে পত্ৰ অহাত কেইবাটাও সংগঠনৰ প্ৰতিনিধিৰ লগত গৈ মনোজে ডিব্ৰুগড়স্থ ▯ ▯ ২ পৃষ্ঠাত





# কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ হালধিবাৰী এনিমেল কৰিড'ৰত দুৰ্বৃত্তৰ অগ্নিসংযোগ

**প্ৰতিবেদক, কাজিৰঙা**

দাউদাউকৈ জ্বলি উঠিল কাৰ্বি পাহাৰৰ বৃহৎ অংশ ।নিমিষতে ছাই হল হল গছ ▯ ▯ ২ পৃষ্ঠাত












আকবৰ মজুমদাৰৰ দ্বাৰা প্ৰকাশিত আৰু প্ৰচাৰিত, ঘৰ নং ১৬, বিষ্ণু-জ্যোতি পথ, উপ-পথ- এ কে আজাদ পথ, হাতীগাঁও, গুৱাহাটী-৭৮১০৩৮, সুনন্দ অফচেট, গৃহ নং ৩, দিশপুৰ, গুৱাহাটী-৭৮১০০৬ত মুদ্ৰিত। ফোন ঃ ৬৯০০৭৪৪৬০১। ই-মেইল ঃ adhunikasom@gmail.com, ৱেবছাইট ঃ www.adhunikasom.in
সম্পাদক ঃ আকবৰ মজুমদাৰ (অবৈতনিক)
মুখ্য সম্পাদক ঃ ৰাজীৱ পানীফুকন